
# সুৰেন দাস মহাবিদ্যালয় আলোচনী



তত্ত্বাৱধায়ক
অধ্যাপক শ্ৰীজ্যোতিষ চন্দ্ৰ বৰ্ম্মণ

১৯৮৭-৮৮ ইং চন

সম্পাদক মঃ আছান উল্লাহ আহমেদ



# সুৰেন দাস মহাবিদ্যালয় আলোচনী

## প্ৰথম সংখ্যা

প্ৰথম প্ৰকাশ
১৯৮৭-৮৮ ইং চন

তত্ত্বাবধায়ক—
অধ্যাপক- শ্ৰীজ্যোতিষ চন্দ্ৰ বৰ্ম্মন

সম্পাদক—
আছান উল্লাহ আহমেদ

## সম্পাদনা সমিতি ঃ

# সুৰেন দাস মহাবিদ্যালয় আলোচনী

সভাপতি ঃ

অধ্যক্ষ— ড° দয়ানন্দ পাঠক ।

তত্বাবধায়ক ঃ

অধ্যাপক— শ্ৰীজ্যোতিষ চন্দ্ৰ বৰ্মন ।

সম্পাদক ঃ মঃ আছানউল্লাহ আহমেদ ।

উপদেষ্টা ঃ

অধ্যাপক- শ্ৰীসুবোধ চন্দ্ৰ চৌধুৰী ।

অধ্যাপিকা শ্ৰীযুতা নন্দিতা চলিহা ।

মুদ্ৰণ— তহবিলদাৰ প্ৰেছ ঃ নলবাৰী
হাজো ৰোড্ ।

## কৃতজ্ঞতাৰে
## সুঁৱৰিম এই সকলক

দিহা পৰামৰ্শৰ বাবে

অধ্যক্ষ ডঃ দয়ানন্দ পাঠক
অধ্যাপক সুবোধ চন্দ্ৰ চৌধুৰী
,, জ্যোতিষ চন্দ্ৰ বৰ্মন
,, ধ্ৰুব প্ৰসাদ বৈশ্য
,, আলি আকবৰ হুছেইন ।
,, বিষ্ণু কান্ত শৰ্ম্মা
,, প্ৰসন্ন কুমাৰ চহৰীয়া
অধ্যাপক লোপাডেকা বৰুৱা
,, গীতা ডেকা
,, মিজো প্ৰভা বৰা

তাৰোপৰি সুৰেন দাস মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী ।

সম্পাদক— ।

# অধ্যাপক স্বৰ্গীয় জিতেন্দ্ৰ চন্দ্ৰ দাসদেৱৰ বিষয়ে দুআষাৰ

১ মে. ১৯৮৯ চন। মাহৰ প্ৰথম দিন। সুৰেন দাস মহাবিদ্যালয়ৰ এটি শোকাবহ দিন। উক্ত দিনাই আমাৰ কলেজৰ বুৰঞ্জী বিভাগৰ অধ্যাপক জিতেন্দ্ৰ চন্দ্ৰ দাসৰ চলন্ত ট্ৰাকৰ খুন্দাত পৰলোক প্ৰাপ্তি ঘটে। তেখেতৰ মৃত্যুত আমি আটায়ে মৰ্মাহত হৈছো। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৩৮ বছৰ।

তেখেতে প্ৰথমে ৰেল বিভাগৰ কৰ্মী হিচাবে নিযুক্তি পায়। তাৰ পিচত গোৱালপাৰা জিলাৰ কোনো এখন উচ্চতৰ মাধ্যমিক বিদ্যালয়ত কিছুবছৰ শিক্ষকতা কৰিছিল। তাৰ পিছত হাজো সমষ্টিৰ দমদমা মহাবিদ্যালয়ত অধ্যাপনা কৰিছিল। মৃত্যুৰ আগ মুহুৰ্ত্তত ১৯৮৬ চনৰ শেষ ভাগৰ পৰা ১৯৮৯ চনৰ এপ্ৰিল মাহলৈকে তেখেতে আমাৰ কলেজৰ বুৰঞ্জী বিভাগৰ অধ্যাপক হিচাবে অধ্যাপনা কৰিছিল। অতি কম দিনৰ ভিতৰতে তেখেতে ছাত্ৰ সমাজত এজন বিশিষ্ট শিক্ষক হিচাবে সুনাম অৰ্জন কৰিছিল।

কলেজৰ খেলা-ধুলা, সভা সমিতি আদি বিভিন্ন অনুষ্ঠান পৰিচালনাত দাস আগৰনুৱা আছিল। তেখেতে ছাত্ৰ সভা, মহাবিদ্যালয় পৰিচালনা সমিতি, শিক্ষক গোটৰ দায়িত্বও মৃত্যুৰ সময়লৈকে বহন কৰি আছিল। অগ্ৰজ প্ৰতীম হ'লেও বয়সৰ সীমা পাহৰি আমি বন্ধু ভাৱেই কাম কৰিছিলো।

দাসৰ মৃত্যুত মহাবিদ্যালয়ৰ এজন নিষ্ঠাৱান শিক্ষক তথা সক্ৰিয় কৰ্মীক আমাৰ মাজৰ পৰা চিৰ দিনৰ বাবে হেৰুৱালো। তেখেতৰ মৃত আত্মাই স্বৰ্গীয় সুখত বাস কৰক। এয়ে আমাৰ কামনা।

— তত্বাবধায়ক।

# অশ্ৰু অঞ্জলী যাচিছোঁ
## এই সকলৰ পবিত্ৰ স্মৃতিত-

আমাৰ মহাবিদ্যালয়ৰ স্নাতক প্ৰথম বাৰ্ষিকৰ ছাত্ৰী ৺পুতুল দাস, প্ৰাক্তন ছাত্ৰী ৺পহুমী বড়ো, অসমৰ সু-সাহিত্যিক, শিক্ষাবিদ তথা অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ৺ত্ৰৈলোক্য নাথ গোস্বামী, লগতে চড়াবৰীৰ মটৰ দুৰ্ঘটনাত মৃত্যু হোৱা ব্যক্তি সকলৰ প্ৰতি আমাৰ শ্ৰদ্ধাঞ্জলী যাচিছোঁ।

সম্পাদক।

## শ্রদ্ধা আৰু কৃতজ্ঞতাৰে সুঁৱৰিছো—

যি গৰাকী মহান ব্যক্তিৰ আশাশুধীয়া পৰিশ্রম তথা দানেৰে
হাজো অঞ্চলৰ ৰাইজৰ উন্নতিৰ মেৰুদণ্ড ৰূপে থিয় দিয়া উচ্চ শিক্ষাৰ
একমাত্র প্রাণকেন্দ্র "সুৰেন দাস মহাবিদ্যালয়" নামৰ এই মহান
শিক্ষানুস্থানটিয়ে বৰ্ত্তমানৰ অৱস্থা পালে সেইজন মহান ব্যক্তি
৺ সুৰেন দাস দেৱক আমি শ্রদ্ধাৰে সুঁৱৰিছো।

লগতে তেখেতৰ পৰিয়াল বৰ্গই অনুস্থানটো গঢ়ি তোলাত
সহায় সহযোগ আগবঢ়োৱাৰ বাবে তেখেত সকলৰ ওচৰত আমি চিৰ কৃতজ্ঞ

তত্বাবধায়ক—                                        সম্পাদক—।



## শ্বহীদ তৰ্পণ

অসমৰ জাতীয় অস্তিত্ব ৰক্ষাৰ সংগ্রামত
যি সকল বীৰ-বীৰাঙ্গনাৰ কলিজাৰ
কেঁচা ৰক্তেৰে আই অসমীৰ
চৰণ ধুৱাই গ'ল সেই
সকল মহান বীৰ
পুৰুষৰ
ত্যাগৰ পবিত্র স্মৃতিত

"জয় আই অসম"

# শুভেচ্ছা বাণী

সুৰেন দাস মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ প্ৰথম সংখ্যা আলোচনী খনি প্ৰকাশৰ বাবে প্ৰস্তুতি চলোৱা বুলি জানি সুখী হৈছোঁ। ছাত্ৰ-ছাত্ৰী সকলে নিজৰ পাঠ্যক্ৰম নিয়মীয়াকৈ চৰ্চা কৰাৰ উপৰিও সাহিত্য সংস্কৃতি, খেলা-ধুলাৰ প্ৰতি বিশেষ মনোযোগ দিয়াতো নিতান্ত বাঞ্চনীয় বুলিয়ে মই ভাবো। ভাষা সাহিত্যৰ চৰ্চা আৰু খেলা-ধুলাৰ অনুশীলনীয়ে জনসাধাৰণক ৰাজনৈতিক, সামাজিক ভাৱে সচেতন কৰি তোলাৰ লগতে নিজৰ স্বাস্থ্যৰ প্ৰতিও সচেতন কৰি তোলাত অৰিহনা যোগায়।

মই আশা কৰো আপোনালোকৰ আলোচনীয়ে এই ক্ষেত্ৰত সফলতা লাভ কৰিব পাৰিব।

প্ৰীতি আৰু শুভেচ্ছাৰে—

বৃন্দাবন গোস্বামী
মন্ত্ৰী শিক্ষা, বিজ্ঞান, প্ৰযুক্তি বিদ্যা
আৰু পৰিবেশ, অসম চৰকাৰ
দিছপুৰ

# শুভেচ্ছা

সুৰেন দাস মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উদ্যোগত ইয়াৰ আলোচনী বিভাগে এখনি আলোচনী উলিওৱাৰ যো-জা কৰিছে বুলি জানি সুখী হৈছো। উদ্যোগটোৰ শলাগ লৈছো আৰু সফলতা কামনা কৰাৰ লগে লগে মহাবিদ্যালয়ৰ সকলোলৈকে আন্তৰিকতা জনালো।

দেৱপ্ৰসাদ বৰুৱা
Vice chancellor
Gauhati University

# সূচী-পত্ৰ


| | | | |
|---|---|---|---|
| | সম্পাদকীয় | আছান উল্লাহ আহমেদ | |
| | — ০কবিতা০ — | | |
| ১। | সুৰেন দাস মহাবিদ্যালয় | শ্ৰীধৰনীধৰ দাস | |
| ২। | আশা | চৈয়দা আনোৱাৰা বেগম | |
| ৩। | অগতিৰ গতি | শ্ৰীপ্ৰকাশ চন্দ্ৰ বৈশ্য | |
| ৪। | ৰেদেশী | মঃ ৰামজুদ্দিন আহমেদ | |
| ৫। | দেশ ৰক্ষা | মঃ ৰমিজুদ্দিন আহমেদ | |
| ৬। | লক্ষ্য | মঃ চৈয়াহুৰ ৰহমান | |
| ৭। | মই বিপ্লৱী | শ্ৰীবসন্ত বৈশ্য | |
| ৮। | হৃদয় গঙ্গা | শ্ৰীতিলক বৰুৱা | |
| ৯। | দুৰ্গতি (ছনেট) | | |
| ১০। | দুঃ সময় | শ্ৰীহৰেকৃষ্ণ মালাকৰ | |
| ১১। | হে জননী | শ্ৰীমতী ৰেৱতী পাঠক | |
| ১২। | জয় আই অসম | মহম্মদ ৰাফকুল ইছলাম | |
| ১৩। | এটি গীত | মিছ অলিৰ্ময়ী দাস | |
| ১৪। | শ্বহীদ প্ৰণামো তোমাক | শ্ৰীপ্ৰণীতা মালাকৰ | |
| | — ০গল্প০ — | | |
| ১। | এই কান্দোনৰ শেষ নাই | শ্ৰীবেনুধৰ কলিতা | ১ |
| ২। | কল্পনাৰ অতীত | শ্ৰীঅমূল্য চন্দ্ৰ দাস | ৭ |
| ৩। | অসীমত যাৰ হেৰাল সীমা | শ্ৰীবাতুল ৰাজবংশী | ১০ |
| ৪। | চিন্তা জুই | শ্ৰীহিৰণময়ী দাস | ১৩ |
| ৫। | সেই নিশাটো | শ্ৰীমনোজ কুমাৰ দাস | ১৭ |
| ৬। | সংকল্প | এম, চান, মহম্মদ আলী | ২২ |
| ৭। | ফিউদৰ দষ্টয়েভিস্কি জীৱন আৰু কৰ্ম আলেখ্য | মঃ ৰফিকুল ইছলাম | ২৬ |
| | — ০প্ৰবন্ধ০ — | | |
| ১ | কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা | শ্ৰীৰুণ ডেকা | ৩০ |
| ২। | পঙ্গু | শ্ৰীপ্ৰবীন চন্দ্ৰ মেধি | ৩৬ |
| ৩। | অসমত সুস্থ কথা ছবি আৰু দুগৰাকী পৰিচালক | আছান উল্লাহ আহমেদ | ৪১ |
| ৪। | ভঙা পজাটো | শ্ৰীনিত্যানন্দ ৰাজবংশী | ৪৬ |
| ৫। | জ্যোতি প্ৰসাদৰ নাটকত প্ৰেমৰ বিচিত্ৰ ৰূপ কিমাননো | শ্ৰীহেমন্ত মালকৰ | ৪৮ |
| ৬। | ব্যায়ামৰ নিয়মাবলী | | ৫১ |
| ৭। | খেল বিভাগৰ বিজয়ী সকল | এম. চান মহম্মদ আলী | ৫৩ |
| | — © ENGLISH © — Prose: — | | |
| 1. | Tragic heroes of Shakespeare | Ali Akbar Hussain | 1 |
| 2. | A College of my vision | Dr. Dayananda pathak | 5 |
| 1. | A Realisation (Poetry:) | Miss Mizo P Borah | 9 |
| | সুৰেন দাস মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ প্ৰতিবেদন সমূহ | | |


# আলোচনী বিভাগৰ সম্পাদকৰ দু আষাৰ



মোৰ প্ৰতিবেদনৰ ৰদ কাচলিতে সুৰেন দাস মহাবিদ্যালয়ৰ সমুহ বন্ধু বান্ধৱীলৈ মোৰ আন্তৰিক আৰু বৈপ্লৱিক অভিনন্দন জ্ঞাপন কৰিছো। যিসকল ছাত্ৰ-ছাত্ৰী বন্ধু বান্ধৱীয়ে ১৯৮৭-৮৮ চনৰ সুৰেন দাস মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ আলোচনী সম্পাদক ৰূপে মোক নিৰ্বাচিত কৰিলে, সেই সকল বন্ধু-বান্ধৱীলৈ মোৰ হিয়া ভৰা শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে আটাইলৈ মোৰ কৃতজ্ঞতা জনালো।

আলোচনী সম্পাদক ৰূপে নিৰ্বাচিত হৈ কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পিচত মই সম্পাদক হিচাপে সুৰেন দাস মহাবিদ্যালয়ত এখন আলোচনী প্ৰকাশ কৰি বন্ধু বান্ধৱী সকলৰ মাজত প্ৰকাশ কৰি দিম বুলি মই নিজকে প্ৰতিজ্ঞাবদ্ধ হৈছিলো। কিয়নো মহাবিদ্যালয়খন স্থাপন হবৰ আজি প্ৰায় ভালে কেইবছৰ হলেই, তথাপি এখন আলোচনী প্ৰকাশ নোহোৱাত ছাত্ৰ-ছাত্ৰী বন্ধু বান্ধৱী সকলে আলোচনী এখনৰ অভাৱ বাৰুকৈয়ে অনুভৱ কৰি আহিছে। সেয়েহে মই এই অভাৱ নাইকীয়া কৰিবলৈ গুৰু দায়িত্ব বহন কৰি অশেষ ত্যাগ আৰু কষ্ট স্বীকাৰ কৰি মহাবিদ্যালয়ৰ প্ৰথম মুখপত্ৰখন প্ৰকাশ কৰিবলৈ দৃঢ় প্ৰতিজ্ঞা হলো। কিন্তু সময়মতে প্ৰথম আলোচনীখন !!! প্ৰকাশ কৰি উলিয়াই দিব নোৱাৰাত মই বৰ দুঃখীত। কিন্তু প্ৰকাশ কৰাৰ ক্ষেত্ৰত হেমাহি কৰা বুলি আপোনালোকে ভাবিছে। — ঠিকেই ভাবিছে আপোনালোকে। কিন্তু উপাই যে নাই। ইচ্ছানো কাৰ নাই। নিজস্ব সম্পাদনাত প্ৰকাশ পাবলগীয়া আলোচনী এখন জাকত জিলিকা নহলেও অন্যতম হিচাপে প্ৰকাশ কৰাৰ। সম্পূৰ্ণ কণ্টকপূৰ্ণ ঠাই এডোখৰত এটি নতুন পথৰ সন্ধানত সন্ধানীজনক যেনেদৰে নানা সমস্যাই জুৰলা কৰে ঠিক তেনেদৰে আমাৰ মহাবিদ্যালয়ৰ প্ৰথম, প্ৰথম মুখপত্ৰখন উলিয়াব লগা হোৱাত মই তেনে কিছুমান সমস্যাতে জুৰুলা হবলগীয়া হৈছিলো। তথাপি অবিৰাম ঘুঁজি — বন্ধু-বান্ধৱীৰ সহায় সহযোগীতা আৰু পৰম পুজনীয় মান্যবৰ শিক্ষাগুৰু সকলৰ সৎ পৰামৰ্শই মোৰ সমস্যা ৰাজীক " চোৰ বেছি হলে কিলৰ সৰহ"ৰ দৰে কৰিছে।

কলেৱৰ হাতত লৈ আপুনি হয়তো কৈছে ইমান সৰু। পঢ়ি হয়তো কব (চাগে কলেই — একোৱেই নাই, এটাও ভাল লিখনি নাই বচ্ ইমানেই কব। অৱশ্য ৎাক স্বাধীনতা আছে বাবেই কব পাৰিছে। নহয় জানো? পিছে, এনে হোৱাৰ কাৰণ কি বাৰু—আপুনি ভাবি চাইছেনে এবাৰ। প্ৰটিনযুক্ত আহাৰে যি দৰে মানুহক দৈহিক বল দিয়ে, ঠিক তেনেদৰে ভাল লিখনিয়ে — এখন আলোচনীৰ কলেৱৰ বৃদ্ধি কৰাত সহায় কৰে। এবা, বহুত লিখনি পাইছিলো — ভাল লিখনিও—। কথা হ'ল সৰহখিনিয়ে ভেজাল !!! গম পাইছে নহয় ??? ভেজাল খাদ্যই শৰীৰ সুস্থ কৰি ৰাখিব নোৱাৰাৰ দৰে— বিশ্বৰকৈ সদ্য জনম লভা শিশুটিৰ বাবে !!! সেয়ে .... .... । ভেজাল লিখনিৰ ভাইৰাচে আমাৰ মহাবিদ্যালয়ৰ সদ্য জনম লাভ কৰিব নোৱাৰৰ বাবেই — এই অৱস্থা। ভেজালহীন খিনিৰ পৰা বচা বচা খিনি (?) শেষে এইয়া আপোনালোকৰ আগত — সময়মতে নোৱাৰিলেও — নিজৰ কৰ্ত্তব্য সমাধাৰ বাবেই সুমলীয়াকৈ হলেও অৰ্পন কৰিছো।

এখন ভাল উচ্চ মানবিশিষ্ট আলোচনীৰ কাৰণে যিখিনি সা-সামাগ্ৰীৰ দৰকাৰ, সেই খিনিৰ অভাৱ মই বাৰুকৈয়ে অনুভৱ কৰিছো।

সম্পাদক ৰূপে মোক বিপুল ভোটত জয়ী কৰিছিল বহু কিবা কিবি বিছাৰি—। কিন্তু, মই আপোনালোকক বিচৰামতে দিব নোৱাৰিলে সচা - পিছে দিবলৈ চেষ্টাৰো ত্ৰুটি কৰা নাছিলো। আপোনালোকৰ মৰম-স্নেহ, বন্ধু-বান্ধৱী সকলৰ সহায় সহযোগিতা, পুজনীয় শিক্ষাগুৰু সকলৰ উৎসাহ-উদ্দীপনা— মই আজীৱন মনত ৰাখিম। আলোচনী খন প্ৰকাশ কৰি উলিওৱাৰ ক্ষেত্ৰত দীপঙ্ক, কমলা, দেৱ, বলেন, তছলিম, ৰিঙ্কু, ৰহিম, নেকিব, ইদ্ৰিছ, মহেশ তথা ৰীতা, ভানু, অৰ্পনা, নিৰ্মলা, প্ৰণতি, তুলিকা, জাহানাৰা, নাজিমা, আইমুন, আৰু সমূহ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক শুভেচ্ছা তথা ধন্যবাদ আগবঢ়াইছো।

মানুহ মাত্ৰে ভুলৰ সমাধি। কাৰণ মানুহ সৰ্বজ্ঞ নহয়। 'হাতীৰো পিচলে পাও সজ্জনৰো বুৰে নাও'' ঠিক তেনেদৰে সম্পাদক হিচাপে হয়তো অজানিতে কৰবাত ভুল হব পাৰে। তাৰ বাবে সকলোৰে ওচৰত মই ক্ষমাভিক্ষা মাগিছো সদৌ শেষত তহচিলদাৰ প্ৰেছৰ স্বত্বাধীকাৰী আৰু সমূহ কৰ্মীলৈকে মোৰ অকৃত্ৰিম কৃতজ্ঞতা জ্ঞাপন কৰিছো। সুৰেন দাস মহাবিদ্যালয়ৰ শিক্ষা পৰিবেশ ইয়াতকৈ আৰু বেছি ভাল হওক, ছাত্ৰ একতা সভা সকলো ক্ষেত্ৰতে জয়ী হওঁক—এই শুভ কামনাৰে (মই মোৰ ক্ষুদ্ৰ প্ৰতিবেদনৰ) সামৰণি মাৰিলো।

জয় আই অসম
জয়তু সুৰেন দাস মহাবিদ্যালয়।

ইতি—
আছান উল্লাহ আহমেদ, সম্পাদক, আলোচনী
বিভাগ— হাজো সুৰেন দাস কলেজ
১৯৮৭-৮৮ ইং চন
১/২/৮৯ ইং




# "সুৰেন দাস মহাবিদ্যালয়"

শ্ৰীধৰণী ধৰ দাস
২ য় বাৰ্ষিক স্নাতক মহলা

সুৰেন দাস মহাবিদ্যালয়
আমাৰ শিক্ষানুষ্ঠানটিৰ নাম,
সকলোৰে মিলি জুলি
উজলাম ইয়াৰ মান।
এইখন হ'ল এটি
নতুন অনুষ্ঠান,
পূৰ্ণাংগ ৰূপ পাওঁতে,
হ'ব দেখি অকণ মান।
আগতে আছিল ইয়াৰ
অন্য এটি নাম,
সুৰেন দাসৰ অনুগ্ৰহত
বৰ্তমানৰ নাম।
এই নামেৰে আমি
ভৱিষ্যত আগুৱাম,
সময়ক্ষৰ লগত আমি
ইয়াক থিয় কৰাম।

সকলোৰে কয় হাজো
সমন্বয়ৰ তীৰ্থ,
হাজোত থাকি হোৱা তুমি (মহাবিদ্যালয়খন)
মিলনৰ ক্ষেত্ৰ।
ছাত্ৰ বন্ধু সকল'লৈ
এটি অনুৰোধ,
তোমালোকৰ কৃতিত্বতে যেন
শিক্ষকৰ গৌৰৱবোধ।
ছাত্ৰৰ কৰ্তব্যৰে দিয়া
তোমাৰ পৰিচয়,
উন্নতিৰ প্ৰধান অস্ত্ৰ
কৰ্তব্য নিশ্চয়।
অৱশেষত দাতা পৰিয়াললৈ
থাকিল কৃতজ্ঞতা,
(মহাবিদ্যালয়ৰ) কৰ্মী আৰু শিক্ষকবৃন্দলৈও
থাকিল আমাৰ শ্ৰদ্ধা।

# আশা

চৈয়দা আনোৱাৰা বেগম
প্ৰথম বাৰ্ষিক ( কলা )

গোলাপ ফুলৰ প্ৰতিশ্ৰুতিৰে
জীৱন গঢ়াৰ সপোন,
মাথোন ব্যৰ্থতাৰহে গান,
যাক হুমুনিয়াহে আনি দিয়ে
আশাৰ সঞ্চাৰ ॥
মৰুময় জীৱনত
গোলাপৰ সুবাস
যাৰ বাবে প্ৰতিশ্ৰুতিওঁ
হয় কাইটীয়া ॥
বাস্তৱ বিচাৰি
দৌৰিছো মাথোন
ধুমুহাৰ বিপৰীতে
আশাৰ মৰিচিকা খেদি
নিৰিবিলি সন্ধিয়াও ॥
ক্লান্তহীন হৈ সদায় ঘূৰিছো
নিয়তিৰ গৰ্ভত,
গোলাপৰ সুবাসেৰে
আশা ভৰা বেদনাক জয় কৰাৰ
প্ৰয়াসেৰে ॥

++

# ★ অগতিৰ গতি ★

শ্ৰীপ্ৰকাশ চন্দ্ৰ বৈশ্য
উচ্চতৰ মাধ্যমিক ১ ম
বাৰ্ষিক ( কলা )

আৰু এক সত্তা আছে
বিশেষ গঢ়ণ তাৰ
বিশেষ ধৰণ ।

তেওঁৰেই বিশেষ সৃজন
আন্ধাৰ আৰু পোহৰৰ
বিচিত্ৰ মিশ্ৰন ॥

তাত আন্ধাৰ আৰু পোহৰৰ
সংগ্ৰাম অতুল ।
খেনে খেনে ঘটে তাত
জীৱনৰ ভুল ॥

++

# বিদেশী

মঃ ৰমিজুদ্দিন আহমেদ ।
দ্বাদশ মান শ্ৰেণী ( কলা ) ।

★

বিদেশী লোক আহি সোমাল অসমত
অসমতে মাৰিলে খুতি;
বস্তুৰ দাম কম দেখি
সকলো ল'লে লুতি ।
সেই সময়ত অসমীয়া লোকে
একো জনা নাছিল ;

বিদেশীয়ে যে অসমখন ললে
এতিয়াহে ভাৱ আহিল ।
অসমীয়া লোকে চাকৰি নাপায়
বিদেশী লোকৰ বাবে ;
অসমৰ ডাঙৰ লোক সকলে
দিয়ে সিহঁতক আগে ।
হেৰ অসমীয়া হোজা লোকসকল
অসম নিয়ে বিদেশী লোকে ;
টোপনিৰ পৰা সোনকালে উঠা
নহ'লে গম পাবা পিচে ।
বিদেশী সকলে স্বদেশী হয়
স্বদেশীক বহিষ্কাৰ কৰে ;
স্বদেশী সকলে ভাং খায়
আৰু মদৰ নিচাহত ধৰে ।
অসমৰ ডাঙৰ লোক সকলক
বিদেশীয়ে ললে হাতকৰি ;
আহা অসমীয়া অসম আমাৰ জন্মভূমি
অসমখনে সৌন্দৰ্য্যৰে ভৰা ;
সকলো বিদেশী অসমৰ পৰা
শীঘ্ৰে নাহিৰ কৰা ।
সেই কাৰণে স্বদেশী সকল
এক মত হৈ যাও
আমাৰ দেশ ৰাখিব লাগিব
দেশৰ জয় গীত গাও । +

## "দেশ ৰক্ষা"

মঃ বমিজুদ্দিন আহমেদ
শ্ৰেণী দ্বাদশ মান ( কলা )
চলিত আন্দোলনৰ আলম লৈ লিখা : ১৯৮৩

হেৰা অসম বাসী শুনা মোৰ বাণী
অসমৰ আন্দোলন;
অসমৰ ভিতৰত গোলমাল চলিছে
আহিছে পুনৰ ৰণ ।
বিদেশী লোক আহি সোমাল অসমত
নিলে অসমীয়াৰ মুখৰ ভাত;
অসমৰ বস্তুৰ দাম আৰু বঢ়ালে
অসমতে পাতিলে হাট ।
অজ্ঞান দেখি প্ৰৱেশ কৰিলে অসমত
অসমীয়া লোক মুৰ্খ বুলি;
অসমক ললে বিদেশী যে আগুৰী
ভাৰতৰ দুই চাৰিজনক ভেটি ভুটি
অসমীয়া লোকৰ দৰে সহজ সৰল নাই
হেৰা অসমীয়া ভাই;
বিদেশী লোকে নাগৰিক হয়
কেনেকৈনো নিৰ্ব্বাচন পায় ।
জয়তু অসমী অসম আমাৰ মাতৃ
অসম খন গছ লতাৰে ভৰা;
অসমৰ পৰা সকলো বিদেশী
সোনকালে বাহিৰ কৰা ।
অহা আগবাঢ়ি বীৰ বেশেৰে
অসমৰ আন্দোলনত;
জ্বলা জুইত আমি জপিয়াই পৰিম
ৰাখিব লাগিব দেশক ।
অসমৰ কাৰণে যুজিব লাগিব
দিব লাগিব বুকুৰ তেজ;
যিহেতু আমি ডেকা গাভৰু
ৰক্ষা কৰিম আমাৰ দেশ

## লক্ষ্য !!

মঃ চৈয়াদুৰ ৰহমান
১ম বাৰ্ষিক স্নাতক মহলা

(১)
লক্ষ্য নহয়
অসম্পূৰ্ণৰ,
লক্ষ্য পূৰ্ণতাৰ;
হ'বই নোৱাৰে
লক্ষ্য আমাৰ
পূৰ্ণ ব্যৰ্থতাৰ ।

( ২ )
লক্ষ্য হওঁক
শংকৰ, মাধৱৰ,
ধৰি নামৰ গুৰি;
চিৰ দিন ৰ'ব
আই অসমীৰ
জীৱন নাটৰ তৰী ।

( ৩ )
লক্ষ্য আমাৰ
আজান পীৰৰ,
গায় দেহ-ভকতিৰ জিকিৰ;
ভকতি-ভাৰত
মহিয়ান আমি,
নাই ক'তো ফিকিৰ ।

( ৪ )
লক্ষ্য হওঁক
বীৰ লাচিতৰ,
লয় চোকা তৰোৱাল;
আনিবই লাগিব
দেশৰ মান্যতা,
হয় নিঃস্বাৰ্থ ডাকোৱাল

( ৫ )
লক্ষ্য আমাৰ
মুলা-জয়াৰ,
ৰাখি দেশৰ খ্যাতি;
ৰাখিবই লাগিব
আই অসমীৰ,
যাউতি-যুগীয়া স্মৃতি ।

( ৬ )
লক্ষ্য হওঁক
কণকলতা আৰু –
মুকুন্দ কাকতি;
আই অসমীৰ
চৰণ ধিয়াই
জনাম আৰতি ।

(৭)

লক্ষ্য আমাৰ
বিষ্ণু ৰাভা,
জ্বলাই গৌৰৱ আভা।
ৰাখিবই লাগিব
সযতন কৰি,
অসমৰ প্ৰাকৃতিক শোভা।

(৮)

লক্ষ্য হওঁক
জ্যোতিৰ আলয়,
জ্যোতি-প্ৰসাদৰ;
আগুৱাম আমি
উন্নতি পথত,
ৰূপ কোঁৱৰৰ।

(৯)

লক্ষ্য আমাৰ
পঞ্চম পতি
আলী আহমদৰ,
নুমলীয়া আমি
অসমী আইৰ
তেওঁৰে সহোদৰ।

(১০)

লক্ষ্য হওঁক
বীৰৰ দেউৰী,
নবীন কৰ্মবীৰ;
বচনত নবীন,
চলনত নবীন,
বীৰ পুত্ৰ অসমীৰ।

(১১)

লক্ষ্য আমাৰ
সুকণ্ঠী শিল্পী,
ডক্টৰ ভূপেন দাৰ;
গাই যাম দেশৰ
জয় গান আমি,
নবজাও লোকৰ সুৰ।

(১২)

লক্ষ্য হওঁক
খৰ্গেশ্বৰ আৰু—
দিলীপ হুজুৰি;
প্ৰাণ বলি দিও
উদ্ধাৰি আনিম
আই অসমীক।

×

## ॥ মই বিপ্লৱী ॥

শ্ৰীবসন্ত বৈশ্য
উচ্চতৰ মাধ্যমিক প্ৰথম বাৰ্ষিক

মই বিপ্লৱী
কেতিয়া—?
দুৰ্নীতিৰ চাবুকৰ কোবত
জৰ্জ্জৰিত হয় সমগ্ৰ জনতা যেতিয়া।
আৰু যেতিয়া শুনো
প্ৰতি মানৱৰ সত্বাৰ আদিস্বৰৰ
সৰ্ব্বহাৰাৰ নিৰ্জ্জাতিত সুৰ
বেদনা বিধুৰ
মই বিপ্লৱ কৰো,
বিপ্লৱী মই যেতিয়া।
এনে এখন পৃথিৱীৰ বাবে
য'ত প্ৰতি মানৱে
মুক্তি মনৰ শান্তিৰ প্ৰাণৰ
ছন্দ বিছাৰি পায় জীয়াই থকাৰ
বিপ্লৱী মই—
মই বিপ্লৱ কৰো
দুস্কৃতি কাৰীৰ বিপৰীতে
য'ত কু-চক্ৰান্ত কাৰীৰ শিকলিয়ে
কৰিব নোৱাৰে অৱৰুদ্ধ
প্ৰতি জনতাৰ দুহাত।
মই বিপ্লৱ কৰো
এনে এখন পৃথিৱীৰ বাবে
প্ৰতি জনতাৰ প্ৰত্তিটো সৰ্বহাৰাৰ
সঁচা জীৱনৰ মূল্যায়নৰ বাবে।

★

## হৃদয় গঙ্গা

শ্ৰীতিলক বৰুৱা
উচ্চতৰ মাধ্যমিক প্ৰথম বাৰ্ষিক

মোৰ হৃদয় খন
আজিও কঠোৰ হোৱা নাই,
তোমাক যদি লাগে
হৃদয়ত ভাহি থকা
আকাশী গঙ্গাৰ
ছবি আঁকি দিম।

+

## দূৰ্গতি (ছনেট)

অযত্ন পালিতা কবি পঙ্গু সমাজত
অপমান অপজয় কৰি প্ৰকাশিত
লভিলো জনম অন্ধকাৰ সমাজত
দূৰ্ণামত হ'লো মই অধম দুৰ্গতি।

কবিতা কিতাপ ৰচিম মনতে আশা
কোবাৰ কবলত পৰি হ'ল নিৰাশা
অন্ধকাৰ সমাজেই কৰে পৰিহাঁস
কিয় হোৱা ভণ্ডা তুমি লিখি উপন্যাস ?

অশিক্ষিত পিতৃ মোৰ খণ্ডতেই নাগ
লিখা পঢ়াত পিতৃয়ে মোকে কৰে ত্যাগ
পিতৃ জট লগাই সিহঁতে যায় ভাগি
তথাপি লিখি যাম মনতে উঠে জাগি।

নোৱাৰিবা পঢ়িব তুমি কৰি উন্নতি
সমাজৰ ক'লা লোকে কৰিলে দুৰ্গতি।

+

## দুঃসময়

শ্ৰীহৰেকৃষ্ণ মালাকৰ
স্নাতক ১ম বাৰ্ষিক।

(১)

এতিয়া বৰ দুঃসময়।
এতিয়া প্ৰতিখন দেশৰ মানুহৰ।
এতিয়া প্ৰতিখন দেশৰ গণতন্ত্ৰৰ!
বাৰুদৰ ধোঁৱা আৰু তেজৰ মাজত!
প্ৰতি জন মানুহ বুৰ গৈছে।

(২)

এতিয়া প্ৰতিটো মুহূৰ্তই প্ৰতিজন মানুহৰ
বুকুৰ মাজেদি সৰকাই দিয়ে।
দুফালে ধাৰ থকা খুকুৰি!
এতিয়া মানুহৰ প্ৰেমবোৰ বিষাক্ত।
এতিয়া মানুহৰ হাঁহিবোৰ বিষন্ন।

(৩)

এতিয়া প্ৰতিজন মানুহ আৰু মাটিত!
অনাবিল আলিঙ্গনৰ সৌৰভত।
আসন্ন মৃত্যুৰ তাণ্ডৱ লীলা আস!
দুঃসময়ে কাটিনিয়ে সকলোৰে অতীতৰ
কবিতাৰ ৰক্তমাংস আস! কি দুঃসময়!

=

## ★ হে জননী ★

শ্ৰীমতী ৰেৱতী পাঠক
উচ্চতৰ মাধ্যমিক ১ম বাৰ্ষিক

তুমি নিদ্ৰিতা জননী
দুৰ্ব্বল জনতাৰ,
কৰ্ম্মহীন সন্তানৰ
তুমি অসমী জননী।
শুই আছা জননী
জাগ্ৰতা নোহোৱা কিয় ?
গান্ধাৰীৰ দৰে
মিছা অভিনয়
কৰিছা কিয় ?
তুমিতো নোহোৱা জন্মান্ধ
চকুত নাই তোমাৰ কাপোৰ;
গান্ধাৰীৰ দৰে
সন্তানক নকৰা আদৰ।
তুমি অসমী জননী
সাৰে আছা নে ?
ত্যাগ কৰা তোমাৰ নিদ্ৰা
জন্ম দিয়া শত লাচিতক
সহস্ৰ মূলা গাভৰু।
আৰু জননী হোৱা
কনকলতা, ভোগেশ্বৰী
কুশল কোঁৱৰৰ।
নিদ্ৰাৰ সপোনতকৈ
বাস্তৱৰ সপোনৰ।
কল্পনা কৰা তুমি।
অতীতক নাথাকি সুঁৱৰি
বাস্তৱক লোৱা আদৰি।

+

## জয় আই অসম

মহম্মদ ৰফিকুল ইছলাম
উচ্চতৰ মাধ্যমিক ১ ম বাৰ্ষিক।

জয় আই অসম বুলি
প্ৰণামিলো হে মাতৃভূমি,
পিতৃৰ ঔৰষত মাতৃৰ গৰ্ভত
জনম ল'লো পালিবা তুমি
তোমাৰ কোলাত জনম লৈ
নিজৰ জীৱন দি আহুতি,
পতিক বচাই ৰাখিছিল কীৰ্তি
সেৱা আছিল সতী জয়মতী।
আহোম আৰু মোগলৰ মাজত
ধমুহাৰ সৃষ্টি শৰাইঘাটত,
ইংৰাজৰ বিৰুদ্ধে মণিৰাম পিয়লে
ওলমিছিল ফাঁচী কাঠত।
তোমাৰ বুকুত জনম লোৱা প্ৰকৃত বীৰ
লাচিত
মোমায়েকৰ ডিঙি কাটি,
মোগলৰ তেজেৰে তিলক পিন্ধি
ৰাখিছিল বীৰৰ কীৰ্তি।
তোমাৰ গৌৰৱ জীয়াই ৰাখিবলে
তুলি লৈ তোমাৰ চৰণ ধূলি,
আনন্দমনে শ্বহীদ খৰ্গেশ্বৰে
বিদায় ল'লে জয় আই অসম বুলি।

÷

# এটি গীত

মিছ অলিম'য়ী দাস
উচ্চতৰ মাধ্যমিক ২য় বাৰ্ষিক

এটি দুটি লুজন গুটি
ভন্টি তোমাৰ চুলি চুটি
কোনে দিব বেনু গুঠি
দদায়েৰাই দিব ফিটা কিনি
মায়েৰাই দিব বেনু গুঠি
তাকে মাৰি ৰূপহী হবা ।
বাটলৈ বুলি ওলাই যাবা ।। ১
বাটত পালে চিনাকী হবা ।
ঘৰলৈ বুলি মাতি নিবা ।। ২
বহিবলৈ বুলি পীৰা দিবা ।
খাবলৈ বুলি চিৰা দিবা ।। ৩
গাখীৰ বুলি পানী দিবা ।
চেনী বুলি নিমখ দিবা ।। ৪
হায়ঃ হায়ঃ হায় ঐ কণা হাঁহক
পতান ধান যাছে ।। ৫
ফোৰ্ টুৱেন্টী ( 420 ) দগা বাজ
কোট্ মেৰেজ কৰাত কিহৰ লাজ ।। ৬
পিইউ পাছ কৰি বিয়ে দিম
ভন্টি তোমাক ময়ে নিম ।। ৭
টকা পইচাৰ অভাব হ'লে
হাত ঘৰীটো বন্ধক দিম ।। ৮

)–(

# শ্বহীদ প্ৰণামো তোমাক

শ্ৰীপ্ৰণীতা মালাকৰ
উচ্চতৰ মাধ্যমিক ১ ম বৰ্ষ
( কলা শাখা )

শ্বহীদ প্ৰণামো তোমাক
তোমাৰ সাহস ধৈৰ্য্য ত্যাগে
আমাক কৰিছে অভিভূত
তোমাৰ দেহৰ পৰা
ওলোৱা কেচা তেজৰ ডোঙা
দেখি আমি হৈছো বিস্মিত ।
হে শ্বহীদ,
তুমি আই মাতৃৰ বাবে
মুক্তকণ্ঠে বুকুপাতি
মৃত্যুক সাৱতি ধৰি
অসম বাসীৰ মনত
যি আলোড়নৰ সৃষ্টি কৰিলা
সেয়েহে শ্বহীদ প্ৰণামো তোমাক ।
তোমাৰ এই মহান কৰ্তব্যই
অসম বাসীৰ স্মৃতি ফলিত
অংকিত হৈ ৰ'ব,
তোমাক চিৰ যুগমীয়া কৰি ৰাখিবলৈ
অসম বাসীৰ আজি
ঘৰে দুৱাৰে,
নিৰ্মিত কৰিছে শ্বহীদ স্তম্ভ
আৰু সমন্বয়ৰে প্ৰাৰ্থনা জনাই গাইছে
শ্বহীদ প্ৰণামো তোমাক ।

)–(

# "এই কান্দোনৰ শেষ নাই"

## গল্প

শ্ৰীবেনুধৰ কলিতা
স্নাতক তৃতীয় বৰ্ষ
কলা বিভাগ ।

ৰঞ্জনাই কান্দিছে । কান্দোনত তাইৰ বুকুখন ভাঙি যাব খুজিছে । কান্দি কান্দি তাই যেন শেষ হৈ যাব খুজিছে । এনেকৈ তাই কেতিয়াও কন্দা নাই । এয়া এক বুজাব নোৱাৰা কান্দোন ।

তাই কান্দিছে । কিন্তু কোনেও নেদেখাকৈ, অতি সংগোপনে বুকুৰ ভিতৰতে । চকুপানীবোৰ বাহিৰ ওলাবলৈ দিয়া নাই । সেয়া তাইৰ চিৰ জীৱনৰ আকস্মিক সম্পদ । কেতিয়াবা প্ৰবল বেগেৰে ওলাই আহিব খোজা ধাৰাসাৰ চকুলোক বাধা দিবলৈ তাই তলৰ ওঠটো সজোৰে কামুৰি ধৰিছে । কিন্তু তাই যে সেই কথা কাকো বুজিবলৈ দিয়া নাই তাই । — বুজাবই বা কাক । কাৰ বিষয়ে বুজাব । তাইৰ যেন কান্দিয়ে ভাল লাগিছে । এই কান্দোনৰ এটা নিজস্ব আমেজ আছে । আছে এক স্বতন্ত্ৰ অনুভূতি । বৰ সুখদায়ক সেই অনুভূতি । সকলোৰে অগোচৰে সেই আমেজতে নিজৰ ওচৰত নিজকে শেষ কৰি দিব পৰাকৈ তাই কান্দিছে ।

কান্দি কান্দি তাই ভাবিছে – কথাষাৰ সঁচা । নোপোৱাৰ বেদনাতকৈ পায় হেৰুৱাৰ বেদনা বেছি গভীৰ । বেছি কষ্টদায়ক । কেতিয়াবা তাইৰ হাঁহিবলৈও মন যায় । আনে হেৰুৱা আৰু তাই হেৰুৱাৰ মাজত আকাশ–পাতাল পাৰ্থক্য আছে । আকাশৰ অসীম নীলাৰ মাজত ভাহি ফুৰা সৰু তৰা এটি তাই ঢুকি পোৱাকৈ ওচৰলৈ আহিছিল । তাই সেই তৰাটো আলফুলকৈ বুকুৰ মাজত সাবতি ধৰি ৰাখিব বিছাৰিছিল । কিন্তু তৰাটো হঠাতে হেৰাই গ'ল, সেই অনন্ত নীলিমৰ মাজত । একেবাৰে চিৰদিনৰ বাবে ।

আঃ । ৰঞ্জনাৰ বুকুখন বিষাই উঠে । নিজৰ অজানিতে তাইৰ হাতৰ আঙুলি কেইটাই চকু স্পৰ্শ কৰে । — চকুপানী ওলাইছে নেকি ? – নাই এটোপালো ওলোৱা নাই । — তাইৰ চকুপানীবোৰ বুকুৰ ভিতৰতে গোট মাৰি শিল হৈ গৈছে । বেদনাৰ শিল ! এই শিলৰ ওজন তাই সহ্য কৰিব নোৱাৰে । তাই বৰ অসহায়, সৰ্বহাৰা যেন অনুভৱ হয় ।

তেতিয়া ৰঞ্জনাই প্ৰবেশিকা পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হৈ প্ৰাক্ বিশ্ববিদ্যালয়ৰ প্ৰথম বাৰ্ষিক ক'লা বিভাগত নাম ভৰ্ত্তি কৰিছিল । ভাল নম্বৰ থকা কাৰণে হোষ্টেল চিত পোৱাত

বিশেষ অসুবিধা হোৱা নাছিল। হোষ্টেললৈ আহি সকলো ছাত্রীৰ লগতে চা চিনাকী হৈছিল ৰঞ্জনাই। এই চিনাকীৰ জৰিয়তেই তাইৰ ৰূমমেট অৰ্পণা দেৱীৰ লগত বেছ বন্ধুত্ব গঢ়ি উঠিছিল। ক্লাচলৈ যাওঁতে বা আবেলি ফুৰি-বলৈ যাওঁতে দুয়োজনী একেলগে গৈছিল। ক্লাচৰ সকলো ল'ৰা ছোৱালীৰ লগতে ৰঞ্জনাই আত্মীয়তা ব্যৱহাৰ কৰিছিল। কিন্তু কাকো আসৈ দিয়া নাছিল, সেইবুলি কাকো বেয়া ব্যৱহাৰো তাই কৰা নাছিল। কিছু ব্যৱধান ৰাখি সকলোৰে লগত বন্ধুত্ব বজাই ৰাখিছিল।

ৰঞ্জনাই দুমাহমান ক্লাচ কৰি লক্ষ্য কৰিছিল, সেই মহাবিদ্যালয়ৰ ভিতৰতেই এজন বৰ চঞ্চল আৰু উৎপতীয়া স্বভাৱৰ ল'ৰা আছে। ল'ৰাটো স্নাতক প্ৰথম বাৰ্ষিকৰ ছাত্ৰ, বিশ্বজিত কলিতা। কেতিয়াবা সি অবুজ চাৱনীৰে ৰঞ্জনাৰ পিনে চায় থাকে। সেইখিনি সময়ত সি যেন এটি শান্ত শিষ্ট ল'ৰা হৈ পৰে। মহাবিদ্যালয়ৰ সকলোবিলাক ল'ৰাৰ ভিতৰত বিশ্বজিত কিছু ব্যতিক্ৰম কাৰণে ৰঞ্জনাই তাক অলপ মৰমৰ চকুৰে চাইছিল। সি যেন তাৰ চকুৰ ভাষাৰে ৰঞ্জনাক কিবা কব বিচাৰে। কিবা জানিব বিচাৰে। কিন্তু একো নকয়। একো নুশুধে। ৰঞ্জনাৰ কেতিয়াবা মনে মনে হাঁহি উঠে। তাইও ল'ৰাটোৰ বিষয়ে জানিব বিছাৰে কিন্তু সেই ভাব বাহিৰত প্ৰকাশ নকৰে। সকলোবোৰ অন্তৰতে সাছি ৰাখিছে।

এদিনাখন আবেলি ফুৰিবলৈ যাওঁতে-ৰঞ্জনাহঁতৰ বাটতে বৰষুণে পালে। এনেতে কৰবাৰ পৰা অটো এখনত উঠি আহি বিশ্বজিত তেওঁলোকৰ কাষেৰে পাৰ হৈ যাব খোজোতে ৰঞ্জনাই চিঞৰি মাতিলে, কলিতা দা। বিশ্বজিতে ঘূৰি চায় ৰঞ্জনাহঁতক দেখি অটোখন ৰখাবলৈ কলে। বিশ্বজিতে তেওঁলোকৰ অটোত উঠাই হোষ্টেলৰ গেটত থৈ ওলতি আহিল। বাটত ৰঞ্জনাহঁতক একো নকলে, একো নুশুধিলে।

সেয়াই সূত্ৰপাত। মাজে সময়ে বিশ্বজিতক তেওঁলোকে লগ পায় এক নাটকীয় ভাবে। বিশ্বজিতৰ ভিতৰৰ সৰলতাখিনিত ক্ৰমে সিহঁতৰ ভাল লাগিছিল।

ৰঞ্জনাই লক্ষ্য কৰিছিল - এই চঞ্চলতাৰ মাজতো কেতিয়াবা বিশ্বজিতে নীৰৱ হৈ পৰে। কিছুমান নিৰাশবাদী মন্তব্য কৰি চুপ চাপ বহি থাকে। ৰঞ্জনাই অনুভৱ কৰে তাৰ মনৰ ভিতৰত হয়তো এনেকুৱা কিছুমান দুৰ্ব্বিসহ বেদনা সোমাই আছে; যাক ঢাকি ৰাখিবলৈ কৃত্ৰিম ভাবে চঞ্চলতা প্ৰকাশ কৰে। ৰঞ্জনাৰ দৃষ্টিত তাক লুকুৱাব নোৱাৰে।
দুদিনমান বিশ্বজিত কলেজলৈ অহা নাছিল। ৰঞ্জনাই বিশ্বজিতক নেদেখি আচৰিত হৈছিল! বিশ্বজিতৰ ৰূমমেট কৈলাশৰ পৰা জানিব পাৰিলে তাৰ জ্বৰ হৈছে। এই কথা শুনি কিয় জানো ৰঞ্জনাৰ অন্তৰখন তাৰ প্ৰতি উদ্‌গ্ৰীৱ হৈ উঠিল। শেষৰ দুটা ক্লাচ নকৰি ৰঞ্জনা আৰু অৰ্পণা তাৰ ৰূমলৈ গ'ল। বিশ্বজিতে তেতিয়া শুই আছিল। ৰঞ্জনাই কপালত হাত দি চাইছিল, জ্বৰ বহুত আছে।

বিশ্বজিতে সিহতক দেখি প্ৰথমতে আচৰিত হৈছিল। সি উঠিব খোজাত ৰঞ্জনাই বাধা দি কৈছিল— নাই, আপুনি উঠিব নালাগে। কলেজত নযোৱা কাৰণে খবৰ কৰিবলৈ আহিলো।



— বৰ ভাল লাগিছে। আপোনালোক অহাৰ কাৰণে নিজকে সৌভাগ্যবান যেন লাগিছে। বৰ কষ্ট কৰি বিশ্বজিতে কথা কেই যাৰ কৈছিল। তাৰ পিছত অলপ খবৰ বাতৰি লৈ ৰঞ্জনাহঁত ওভতিছিল। আহোতে সিহতে তাক সিহতৰ ৰুমলৈ মাতি থৈ আহিছিল।

এসপ্তাহমান পিছত বিশ্বজিত সুস্থ হৈ ৰঞ্জনাহঁতৰ ৰুমলৈ গৈছিল। ৰঞ্জনাৰ অন্তৰত এই বিশ্বজিতৰ প্ৰতি এক নাম নজনা মৰমে ঠাই পাইছিল। যি মৰমৰ মৃদু ঝংকাৰ তাইৰ অন্তৰৰ বীণত শুনা পাইছিল।

— মাজে সময়ে আমাৰ ৰূমলৈ আহি থাকিবচোন" - এই কথা শুনি বিশ্বজিতে একো কোৱা নাছিল। মাত্ৰ তাইলৈ এক বুজাব নোৱাৰা চাৱনীৰে চাইছিল।

এইদৰে এবছৰ পাৰ হৈ গৈছিল। এটা সময়ত সিহঁতৰ মাজৰ সম্বন্ধ "আপুনি"ৰ ঠাইত "তুমি" লৈ ৰূপান্তৰিত হৈছিল। বিশ্বজিত ৰঞ্জনা আৰু অৰ্পণাৰ মাজত এক গভীৰ বন্ধুত্ব স্থাপন হৈছিল। সিহঁত এজনে আনজনক এৰি চলিব নোৱাৰা হ'ল। ৰঞ্জনাহঁতে বিশ্বজিত নহলে কলৈকো ফুৰিবলৈও নোযোৱা হৈছিল। চঞ্চল মনা; উৎপতীয়া বিশ্বজিত সিহঁতৰ সন্মুখত হৈ পৰে শান্তশিষ্ট, একান্ত বাধ্য এটা ল'ৰাৰ দৰে।

ৰঞ্জনাই বিশ্বজিতৰ পৰা বহু কথাই জানিছিল। মাক দেউতাকৰ নুমলীয়া ল'ৰা সি। সৰুৰে পৰা মৰমৰ মাজতে থাকি ডাঙৰ হৈছে। ভীষণ স্বাধীনচেতীয়া, নিজস্বতাক কেতিয়াও হেয় কৰিব নিবিচাৰে। কিন্তু আনৰ যিকোনো বিপদত সহায় কৰিবলৈ সি প্ৰস্তুত। ৰঞ্জনাই বুজে. বিশ্বজিতৰ স্বভাৱ বন্যতাৰ দৰে। কিন্তু তাৰ মনত বন্যতা আছে যদিওঁ পাশবিকতা বা অত্যাচাৰ নাই। মানুহৰ এই কৃত্ৰিম সমাজখনৰ নকল সৌন্দৰ্য্যতকৈ, পৰ্ব্বত, পাহাৰ, জান-জুৰি, নদ-নদী, হাবি-জঙ্ঘল আদি প্ৰাকৃতিক সৌন্দৰ্য্য তাৰ বেছি প্ৰিয়।

বিশ্বজিতৰ অভিমান বেছি। কিছুমান সৰু সৰু কথাতে ৰঞ্জনাৰ ওচৰত অভিমান কৰি বহি থাকে। ৰঞ্জনাই বিশ্বজিতৰ এই অভিমান বুজে। তেতিয়া মৰমেৰে তাৰ অভিমানবোৰ ভাঙি দিয়ে। সিহঁতে তিনিও একেলগে বহুত ঠাইত ফুৰিবলৈ গৈছিল। গীতা মন্দিৰ, কামাখ্যা মন্দিৰ, গান্ধী মন্দিৰ, চিৰিয়াখানা আদিলৈও ফুৰিবলৈ গৈছিল কলেজ বন্ধ বাৰত। বশিষ্ঠ মন্দিৰৰ সন্ধ্যা-ললিতা কান্তাৰ সংগম স্থানৰ শিলৰ ওচৰত বহি সিহঁতে ভৱিষ্যত জীৱনৰ কথা আলোচনা কৰিছিল। নুনমাটিৰ শ্যাম মন্দিৰৰ আগত আঠু লৈ ৰঞ্জনাই কৈছিল— হে প্ৰভু, আমাৰ এই বন্ধুত্ব যুগযুগ ধৰি জীয়াই থাকে।

বিশ্বজিতে হাঁহি হাঁহি কৈছিল— "মইও তাকেই বিচাৰো ৰঞ্জনা। কিন্তু সময়ে আমাক একেলগে ৰাখিব জানো। সময় বৰ নিষ্ঠুৰ, বৰ নিৰ্ম্মম।" ৰঞ্জনাৰ শুনি খং উঠিছিল।

ব্ৰহ্মপুত্ৰৰ পাৰত শুক্লেশ্বৰ ঘাটৰ শিলৰ ওপৰত বহি বিশ্বজিতে এদিন কৈছিল—

"ৰঞ্জু, তোমাৰ ওচৰত থাকিলে মই জীয়াই থকাৰ প্ৰেৰণা পাও। এই বিশাল ব্ৰহ্মপুত্ৰ মোৰ বৰ আপোন। তাহানি এই নদীখনতে মই কিমান যে সাতুৰিছিলো। নদীখনকলৈ

কিমান যে খেলিছিলো। একোবাৰ ভাব হয় যেন এই নদীখনতে মই হেৰাই” ……

ৰঞ্জনাই তাৰ ওঠ দুটি হাতেৰে চেপি ধৰি কৈছিল— এই অমঙ্গলীয়া কথাবোৰ মুখলৈ নানিব। ৰঞ্জনাৰ দুধাৰী চকুলো গালেৰে বৈ আহি তললৈ সৰি পৰিছিল।

সেই সময়ত অসমলৈ কাল এন্ধাৰ নামি আহিল। সমগ্ৰ উজনী অসম প্ৰলঙ্কাৰী বান পানীৰে ডুব যাবলৈ ধৰিলে। উজনী অসমৰ লগত সকলো পথ যোগাযোগ বিচ্ছিন্ন হ’ল। কেৱল পানী আৰু পানী। পাৰাপাৰ নোহোৱা এক বৃহৎ জলৰাশি। মানুহ আৰু অন্যান্য জীৱ-জন্তুৰ দুঃখ দুৰ্গতিৰ সীমা নোহোৱা হ’ল। তাতে আকৌ ভূতৰ ওপৰত দানৰ সদৃশ আহিল ধাৰাষাৰ বৰষুণ। ভৰিৰ তলতো পানী, মূৰৰ ওপৰতো পানী। মানুহৰ মূৰৰ ওপৰত বহি মৃত্যুদণ্ডই যেন কিৰিলি পাৰি হাঁহিব ধৰিছে। ওখ ঠাইবোৰলৈ মানুহ আহি কেম্প কৰিছে। বহু গাওঁ পানীৰ মাজত আৱদ্ধ হৈ সকলোৱে মৃত্যুখন গনিব ধৰিছে। চৰকাৰ, ৰাইজ সকলোৱে এই দুৰ্গত সকলক উদ্ধাৰ কাৰ্য্যত লাগি গৈছে। ৰাইজে মুক্ত হস্তে এই দুৰ্গত ৰাইজলৈ বস্ত্ৰবস্ত, আৰ্থিক সাহাৰ্য্য দান কৰিছে। বিভিন্ন ঠাইৰ পৰা স্বেচ্ছামূলক ভাৱে উদ্ধাৰ কাৰ্য্যত সহায় কৰিছে।

বিশ্বজিতহঁতৰ কলেজৰ পৰাও এটি তেৰজনীয়া সাহাৰ্য্য দল গঠন কৰি খাদ্য বস্তু আৰু কাপোৰ আদি এখন নাওঁত লৈ দুৰ্গত ৰাইজক সহায় কৰিবলৈ আগবাঢ়ি গ’ল। যোৱাৰ সময়ত বিশ্বজিতে ৰঞ্জনাক কৈছিল— “বন্ধু” জীৱনত দহৰ কাৰণে একো কৰিব পৰা নাই। এয়া আমাৰ ভাই ভনী, মা পিতাক উদ্ধাৰৰ অভিযান। ইয়াত যদি মোৰ মৃত্যু হয় নিজকে ভাগ্যবান বুলি ভাবিম। — ৰঞ্জনাই বাধা দিছিল তেনেকথা নকবলৈ। কিবা এক অজান আশঙ্কাত তাইৰ বুকুখন কপি উঠিছিল। মনত এক বুজাব নোৱাৰা ভয়ৰ সঞ্চাৰ হৈছিল। কিন্তু তাই বিশ্বজিতক বাধা দিয়া নাছিল। বিদায়ৰ শেষ মুহূৰ্ত্তত বিশ্বজিতে ৰঞ্জনাৰ লাৱনী গালত মৰমৰ চিহ্ন আঁকি দি গ’ল। বিশ্বজিত যোৱাৰ পিনে একেথৰে চাই থাকিল ৰঞ্জনাই। অজানিতে তাইৰ হাতৰ আঙুলী কেইটাই সেঁ গালত বিচৰণ কৰিব ধৰিলে।

বিশ্বজিতহঁত যোৱাৰ আজি তিনিদিন হ’ল। কিন্তু এতিয়ালৈ কোনো খবৰ পোৱা নাই। আজি হঠাতে ৰঞ্জনাৰ বুকুখন কপিবলৈ ধৰিলে। সেঁ চকুটোও সঘনাই নাচিবলৈ ধৰিছে। কিয় এই অমঙ্গলীয়া চিনবোৰ তাইৰ দেহলৈ আহিব ধৰিছে ৰঞ্জনাই ভাবিব পৰা নাই। সন্ধিয়া পঢ়া টেবিলৰ ওচৰত বহিও কিতাপত মন বহুৱাব পৰা নাই। বিশ্বজিতৰ কথা ঘনে ঘনে মনত পৰিব ধৰিলে। যদি বিশ্বজিতৰ কিবা ……… তাই আৰু ভাবিব নোৱাৰিলে। পঢ়া টেবুলৰ একোনত ধূপ জ্বলাই ভগৱানৰ ওচৰত একান্ত ভাবে প্ৰাৰ্থনা জনালে “হে প্ৰভু তুমি মোৰ বিশ্বজিতক যেন ভালে ভালে ওভতাই অনা।” তাইৰ আৰু পঢ়া নহ’ল।

নিশা ৰঞ্জনাই তাইৰ সেঁ গালখনত আঙুলী বুলাই বিশ্বজিতৰ কথাকে ভাবিবলৈ ধৰিলে। কেতিয়া নিদ্ৰাদেৱীৰ কোলাত আশ্ৰয় ললে তাই গমকে নাপালে। শেষ নিশা এক ভয়াবহ সপোন দেখিলে।

“তেতিয়া পৃথিৱীলৈ সন্ধিয়া নামি আহিব ধৰিছে। পঞ্চত্ৰিশ জনমান দুৰ্গত মতা-মাইকী ল’ৰা-ছোৱালীলৈ, বিশ্বজিতহঁতৰ নাওঁ আগবাঢ়িছে এক আশ্ৰয় শিবিৰলৈ। হঠাতে পশ্চিম আকাশত দেখা দিলে এচপৰা কলা মেঘ। ক্ৰমে মেঘডোখৰ ডাঙৰ হৈ কালৰূপ ধৰি গোটেই পশ্চিম আকাশ আগুৰি ধৰিলে। আশ্ৰয় শিবিৰ পাবলৈ তেতিয়াৰ বহুদুৰ বাকী। চাৰিওপিনে কেৱল পানী। নাওঁখন বন্ধাৰ কাৰণে কোনো ঠাই নাই। মৰণত শৰণ দি নাৱৰীয়া সকলে আৰু জোৰে বঠা বাব ধৰিলে। তীব্ৰ গৰ্জন তুলি মেঘ চপৰাই যেন তেওঁলোকৰ পিনে খেদি আহিল। প্ৰথমতে আহিল প্ৰচণ্ড ধুমুহা। নাওঁৰ দুই কাষেৰে পানী সোমাব ধৰিলে। হঠাতে নাওঁখনে দিশ সলাই তীব্ৰ গতিত ব্ৰহ্মপুত্ৰৰ বুকুৰ পিনে চাপলি মেলিলে। সকলোৱে উপায় বিহিন হৈ ভগৱানক চিঞৰি চিঞৰি প্ৰাৰ্থনা কৰিব ধৰিলে— হে প্ৰভু, আমাক ৰক্ষা কৰা। নাওঁৰ হেন্দোলনিত স্থিৰে থাকিব নোৱাৰি সাত-আঠ বছৰীয়া ল’ৰা এটি হঠাতে পানীত ছিটিকি পৰিল। লগে লগে নাওঁত হাহাঁকাৰ লাগিল। পাম্পিং গাৰুটো লৈ বিশ্বজিত পানীত জপিয়াই পৰিল আৰু সাতুৰী গৈ ল’ৰাটোৰ হাত এখনত ধৰিলে। পানীত পৰিলে খেৰকুটা এডালকো সাৱতি ধৰাৰ দৰে ল’ৰাটো বিশ্বজিতক সাবতি ধৰিলে। দুয়োজনৰে জোতাপুতা লাগিল। উপায় নাপাই ল’ৰাটোক গাৰুটো দি বিশ্বজিত কিছু আতৰলৈ সাতুৰি গৈ উটি যাবলৈ ধৰিলে।

ৰঞ্জনাই লক্ষ্য কৰিলে বিশ্বজিতৰ কিছু দুৰৈত এটা বৃহৎ চাকনৈয়া পাক খায় খায় ঘূৰিব ধৰিছে। কিন্তু বিশ্বজিত দেখোন ক্ৰমাত চাকনৈয়াটোৰ পিনে যাব ধৰিছে। এক অদৃশ্য শক্তিয়ে যেন তাক সেইপিনে লৈ গৈছে। বিশ্বজিতে জানো চাকনৈয়াটো দেখা নাই। তাই চিঞৰি চিঞৰি সেই পিনে যাবলৈ বাধা দিছে। কিন্তু বিশ্বজিত উটি গৈ চাকনৈয়াটোৰ নিচেই ওচৰ পালে। ভয়ত অণ্ঠ কণ্ঠ শুকাই গল ৰঞ্জনাৰ। তাই এতিয়া কি কৰে। সেয়া বিশ্বজিত চাকনৈয়াটোৰ ভিতৰত সোমাল। এই বাৰ আৰু ৰক্ষা নাই। হঠাতে চাকনৈয়াটোৰ মধ্যাস্থলত উৎপত্তি হোৱা দ-গাতটোত বিশ্বজিত কৰবালৈ সোমাই গল। শৰীৰৰ সমষ্ট শক্তিৰে শেষবাৰলৈ ৰঞ্জনাই চিঞৰি দিলে- বি-শ্ব-জি-ত। আঃ।”

কোঠাটোত বহুত মানুহৰ পদধ্বনি আৰু কথা বতৰাত ৰঞ্জনাই সাৰপাই গ’ল। তাইৰ কোপালত কাৰোবাৰ হাতৰ মৃদু পৰশ পায় বহু কষ্ট কৰি চকু দুটা মেলিলে। তাইৰ ওচৰত বহি অৰ্পণাই তাইৰ কোপাল পিটিকি আছে। কাষৰ চকিত বহি আছে হোষ্টেল চুপাৰ পুতুল কাকতি, আৰু হোষ্টেলৰ বহুতো ছোৱালী। ৰঞ্জনাই চকু মেলা দেখি কাকতিয়ে সুধিলে - তুমি এতিয়া কেনে পাইছা।

অলপ ভাল পাইছো বাইদেউ। কিন্তু…।

কোনো কিন্তু নাই। আগতে তুমি সম্পূৰ্ণ সুস্থ্য হৈ উঠাছোন। ৰঞ্জনাই একো বুজিব পৰা নাছিল। কাকো একো নকয় পুণৰ চকু

মুদি শুই থাকিল। এটা সময়ত অৰ্পণাৰ বাহিৰে আটাইবিলাক তাৰ পৰা আতৰি গৈছিল।

নিশা ৰঞ্জনাৰ চিঞৰত অৰ্পণাই সাৰ পাইছিল। লাইটটো জ্বলাই তাই দেখিছিল ৰঞ্জনা মজিয়াৰ ওপৰত অজ্ঞান হৈ পৰি আছে। লগে লগে চিঞৰি কাষৰ ৰূমৰ ছোৱালী বিলাকক মাতি দিলে।

ৰাতিপুৱালৈ ৰঞ্জনাই সম্পূৰ্ণ সুস্থ্য অনুভৱ কৰিলে। অৰ্পণাক ওচৰলৈ মাতি আনি অনুকম্পা মাতেৰে নিশা দেখা সপোনটোৰ কথা ক'লে। সপোনৰ কথা শুনি অৰ্পণাৰ অন্তৰতো এক ভয়ৰ সঞ্চাৰ হ'ল। কিন্তু সেই ভাব ৰঞ্জনাৰ আগত প্ৰকাশ নকৰিলে। মাথোন কলে সপোনৰ কথা ভাবি মনক দুৰ্বল কৰাৰ বাহিৰে আন একো নহয়।

আবেলি ক্লাচৰ পৰা উভতি আহি দুয়োজনে হাত মুখ ধুই অতাইছে মাথোন। এনেতে হোষ্টেল চকিদাৰে ৰঞ্জনাক মাতিলে— "বাইদেউ আপোনাৰ এখন টেলিগ্ৰাম আহিছে।

টেলিগ্ৰামৰ কথা শুনি ৰঞ্জনাৰ বুকুখন কঁপি উঠিল। ক'ৰ পৰা দিছে। কোনে দিছে। নিশাৰ সপোনৰ বাস্তৱিক ৰূপ নহয়তো। কঁপা হাতেৰে পিয়ন বুকত চহী কৰি টেলিগ্ৰামখন হাতত তুলি ল'লে। তাত লিখা আছিল—

RANJANA,

BISWAJIT KALITA DIED YESTER DAY AT BRAHMAPURTA.

KOILASH.

তাইৰ হাতৰ পৰা টেলিগ্ৰামখন কঁপি কঁপি মজিয়াত পৰিল। তাই আৰু স্থিৰেৰে থাকিব নোৱাৰিলে। দৌৰি গৈ বিছনাত পৰি হেপাহ পলুৱাই কান্দিছে। কান্দি কান্দি আজি যেন নিজকে নিঃশেষ কৰি দিব তাই। তাইৰ কান্দোনৰ শেষ নাই। শেষ নহ'ব। কোনো দিনেই যেন শেষ নহ'ব।

★





# কল্পনাৰ অতীত

শ্ৰীঅমূল্য চন্দ্ৰ দাস
উচ্চতৰ মাধ্যমিক প্ৰথম বাৰ্ষিক।

............ মানুহ সদায় আশাবাদী, কিন্তু স্নেই আশা জানো মানৱে কাহানিবা বাস্তৱত ৰূপায়িত কৰিব পাৰে ? ........

............ বুঢ়া সি। হয়তো সি বয়সত বুঢ়া নহ'লেও অৱস্থাই আজি তাক সত্তৰ আশী বছৰীয়া বুঢ়াত পৰিণত কৰি পেলাইছে। অসহায় বাৰ্দ্ধক্যৰ প্ৰৱল ধুমুহাই তাৰ জীৱনৰ নাওখনি সংসাৰ জলধীৰ উত্তাল তৰঙ্গ মালাত উটাই বুৰাই হাৰাশাস্তি কৰিছে। এতিয়া তাৰ একমাত্ৰ সম্বল সেই লুইতৰ পাৰৰ নিৰ্জন ঠাইৰ ভগা জুপুৰিটি যাৰ ভিতৰৰ পৰাই সুনীল আকাশৰ বুকৰ প্ৰতিটো গ্ৰহ-নক্ষত্ৰকে লেখিব পৰা যায়। নিৰ্জন ঠাইত পৰি আছে ভগা জুপুৰিটি আৰু লগতে অতীতৰ ক্ষীণ প্ৰতিধ্বনী। এসময়ত সেই বুঢ়াৰ নাছিল কি ? ধনে জনে পৰিপূৰ্ণ এখনি অচলা লক্ষ্মীয়ে বাস কৰা আনন্দ সুখৰ সংসাৰ যাক কেন্দ্ৰ কৰি কল্পনাৰ ৰামধেনুত সাত ৰঙৰ ৰহন সানিছিল। কিন্তু আজি তাৰ অৱশিষ্ট পৰি আছে মাথোন। কেইটামান জীয়া স্মৃতিৰ কণিকাৰে .... .... .... .... ।

সেই সময়ত যেতিয়া আজিৰ বুঢ়া আছিল এজন সুস্হ বলিষ্ঠ তৰুণ ডেকা। তাৰ শৰীৰৰ প্ৰতিটো শিৰা উপশিৰাত যৌৱনৰ উত্তাপ কণিকা প্ৰৱাহমান আছিল। যাৰ বন্ধুত্বক সকলোৱে গৌৰৱৰ কথা বুলি ভাবিছিল। আৰু শত্ৰু সকলে হিংসাৰ তীক্ষ্ণ বাণেৰে তাক ক্ষত-বিক্ষত কৰি তুলিছিল। বুঢ়াৰ নাম ৰংমন। কোনো এটা বহাগৰ বিহুৰ ই

তাৰ বিয়া হৈ গৈছিল গাৱৰে লাৱণ্যময়ী গীতা দেৱীৰ লগ । গীতা দেৱীয়েও ৰংমনক স্বামী ৰূপে পাই খু-উ-ৱ সুখী হৈছিল । তাই বিচাৰি পাইছিল আৰু বলিষ্ঠ বাহুৰ মাজত জীৱন যৌৱনৰ অনাবিল শান্তি ।

লাহে লাহে দিনবোৰ মাহৰ বুকুত আৰু মাহবোৰ বছৰৰ বুকুত সোমাই পৰিল । বুঢ়াৰ পুত্ৰদ্বয়ৰ জন্মত বুঢ়াৰ সংসাৰত সোণতে সুৱগা চৰিল ।

তাৰ ডাঙৰ পুতেক হল নাৰায়ণ আৰু সৰু পুতেক ৰমেশ । দুয়োৰো তেজোদীপ্ত চেহেৰাৰ আগত সেই চুবুৰীৰ আটায়ে নিষ্প্ৰভ হৈ পৰিল । বুঢ়া ৰংমন নিজেই এজন কৰ্ম্মঠ খেতিয়ক । সি বসুধাৰ বুকু চিৰাচিৰ কৰি শ্যামল শস্য উৎপাদন কৰে । তাৰ সহধৰ্মিনী গীতাদেৱীৰ কাৰ্য্য পটুতাত বুঢ়া নিজেই বিস্ময়া ভিভূত হৈ পৰে । বুঢ়াই যেতিয়া শাওঁণ ভাদ মহিয়া পথাৰত কঠিয়া কইছিল । ধান বোৰ লহ-পহ বাঢ়ি অহা দেখিলে ৰংমনৰ মন আনান্দত আপ্লুত হৈ পৰিছিল । তাৰ মনত সুন্দৰ সংসাৰ মুকি মাৰে । লাহে লাহে দিনবোৰ গৈ থাকে । নাৰায়ণ এই বাৰ ষষ্ঠমানৰ ছাত্ৰ । সি পঢ়াত যথেষ্ঠ মনোনিবেশ কৰিছে । কিয়নো এইবাৰ সি বৃত্তি পৰীক্ষা দিব । ডাঙৰ পুতেকৰ পৰীক্ষাৰ কথা মনত পৰিলে বুঢ়াৰ মন আনন্দত উৎফুল্লিত হৈ পৰে । তেওঁ বিছনাত পৰি পৰিয়েই ভাবে অদূৰ ভবিষ্যতৰ সুন্দৰ সংসাৰৰ কথা । হয়তো ডাঙৰ পুতেক নাৰায়ণে এদিন প্ৰবেশিকা পৰীক্ষা দিব আৰু পাচ কৰি কলেজৰ চাৰি-বেৰৰ মাজত সোমাই পৰিব । তাৰ কিছুদিনৰ পিছত এজন উচ্ছ শিক্ষিত ডেকাৰূপে আহি তেওঁক 'দেউতা' বুলি মাতিব । তেওঁ আনন্দৰ অশ্ৰিশয্যাত পুলকিত হৈ পুতেকক আশীৰ্বাদ দিব মঙ্গল কামনা কৰি । তেওঁ এইবোৰ ভাবি ভাবিয়েই তন্দ্ৰাভিভূত হৈ পৰে । তেওঁৰ অজানিতে নিদ্ৰা দেৱীয়ে আলফুলকৈ তেওঁক কোলাত তুলি লয় ।

আৰু গীতাদেৱী .... .... .... ?

তাইয়ো তাইক ডাঙৰ পুতেকক কেন্দ্ৰ কৰি এখন সোণৰ সংসাৰৰ কল্পনা কৰে । কিন্তু তাইৰ কল্পনা অপ্ৰকাশ্য । মাত্ৰ ডাঙৰ পুতেকৰ যশষ্যাৰ কথা তাই কল্পনা কৰে, কিন্তু কাৰো আগত ব্যক্ত নকৰে । তাই ভাবে যদি তাইৰ কল্পনাৰ কাৰেং নিয়তীয়ে নিষ্ঠুৰ ভাবে ধুলিস্যাৎ কৰি দিয়ে । নাই ...... নাই তাই আৰু সেইবোৰ নেভাবে । অলক্ষিতে তাইৰ মুখৰ পৰা কথা কেইষাৰ ওলাই যায় ।

এইয়া কে । লুইতৰ তাণ্ডৱ লীলা । ডেকা লুইতৰ দুপাৰ ওপোচা ফেনে ফেটো-কাৰে পৰিপূৰ্ণ উত্তাল তৰঙ্গ দেখি মানৱাত্মায় কপি উঠে । গঙ্গা চিলনী তথা মাছৰোকা বোৰে লুইতৰ বুকুত সুৰৰ লহৰ তুলিছে । লুইত পৰীয়া মানৱৰ আত্মা আজি আসন্ন বিপদত কম্পমান । কিজানি লুইতে সিহঁতৰ আশ্ৰমৰ থল ক্ষুদ্ৰ জুপুৰী কেইটা উঠাই নিয়ে । ঠায়ে ঠায়ে লুইতৰ নৃত্য ভঙ্গিমাৰ ছেৰে ছেৰে গঢ়া খহনীয়া আৰম্ভ হৈছে । আৰু লগতে বহু ঘৰবাৰী উটাই নিছে । তাৰ লগে লগে উৰি গৈছে দাৰিদ্ৰপিড়িত মানৱৰ একোটি ঋ্যাথাৰ হুমুনিয়াহ ।



তেতিয়া দোভাগ ৰাতি । জগতত এক নিৰিবিলি শান্তি বিৰাজমান । মাজে মাজে হুদু ফেচাৰ বিপদ সঙ্কেত বিকত শব্দ । নাৰায়ণ আৰু ৰমেশ নিদ্ৰাদেৱীৰ বুকুত শায়িত । মাত্ৰ গীতাদেৱী আৰু ৰংমন বহী আছে লুইতৰ সাম্ভাব্য আক্ৰমনৰ বাবে । গীতাদেৱীয়ে সকাতৰে লুইতৰ ওচৰত প্ৰাৰ্থনা জনাইছে "হে বাবা লুইত ! এই বাৰলৈ দুখীয়াক ৰক্ষা কৰা" হয়তো এইদৰে শত শত লুইত পৰীয়া মানৱে প্ৰাৰ্থনা জনাইছে । কিন্তু সেই প্ৰাৰ্থনালৈ জানো লুইতৰ একন সহানুভূতি আছে ? লাহে লাহে ৰাতি গভীৰ হৈ আহিল । এনেতে চাৰিওফালৰ পৰা শুনা গল কিহবাৰ হো হো বিকট শব্দ । তাৰ পিচ মুহুৰ্ত্তত দেখা গল লুইতৰ পানী ৰংমনৰ দুৱাৰ মুখত । ৰংমন ততালিকে বাহিৰলৈ ওলাই আহিল তাৰ টুলুঙা নাওখনি বিচাৰি । কিন্তু ৰংমন আৰু তেওঁৰ পুত্ৰ পৰিবাৰৰ ওচৰলৈ উভতিবলৈ নেপালে । তেওঁ নাওখনত বহিছেনে এনেতে লুইতৰ উন্মত্ত বাৰিষাৰ ধাৰে তেওঁৰ নাওখনি উটাই লৈ গ'ল দূৰলৈ ......... বহু দূৰলৈ । ৰংমনে নাওখনতে বহি বহি ভাবি যাবলৈ ধৰিলে তাৰ সোণৰ সংসাৰ ৰচনাৰ কথা । সি আপ্ৰাণ চেষ্টা কৰিলে তাৰ স্নেহৰ গীতা দেৱী আৰু ৰমেশ নাৰায়ণক উদ্ধাৰ কৰিবলৈ । কিন্তু সি একো পধ্যে তাৰ নাওখনক ঘুৰাৱ ব্যৰ্থ হৈ লুইতৰ উত্তাল তৰঙ্গত উটি যাব ধৰিলে । লগতে উটি গ'ল তাৰ সোণৰ কাৰেং ' ৰচনাৰ কল্পনা । আউসীৰ ঘন ঘোৰা আন্ধাৰৰ মাজে মাজে নাওখনি উটি গৈ থাকিল অনন্ত গতিত । তাৰ চকুৰ উত্তপ্ত চকুলো দুধাৰি ৰোধিবলৈ ব্যৰ্থ চেষ্টা কৰি সি নিশ্চুপ হৈ পৰিল । সেই নিশা গৈ গৈ তাৰ নাওখনি এখন অজনা ঠাইত লাগিলগৈ । ৰংমনে দেখিলে সেই ঠাইখন নিৰল নিৰ্জন । তাত মানুহৰ কোনো সমাগমৰ উমান নেপালে ।

লাহে লাহে উষাদেৱীয়ে পূৰপিনে ভুমুকি মাৰিলে । কিন্তু বুঢ়াৰ আনন্দ ৰাজ্যত চিৰ কাললৈ সূৰ্য্য অস্ত গ'ল । ৰংমনে তাৰ মৰমৰ গীতাদেৱী আৰু পুত্ৰদ্বয়ক নিবিচৰা নহয় বিছাৰিছিল-কিন্তু সি আৰু সিহঁতক ওভতাই নাপালে । ডেকা লুইতে সিহঁতক সাৱটি ললে অনন্ত কাললৈ । ৰংমনৰ মন আউসীৰ ঘন অন্ধকাৰে আচ্ছন্ন কৰিলে । বুঢ়াই দেখাপালে তাৰ সোণৰ সংসাৰ ৰচাৰ হতাশময় পৰিণতি ।

সময়ৰ সোতত বুঢ়াৰ অতীত বুৰঞ্জী কালৰ গৰ্ভত বিলীন হৈ গ'ল । তেওঁৰ মনৰ মাজত সীতাদেৱী আৰু পুত্ৰদ্বয়ৰ অকাল মৃত্যু বিভিষিকা মচিব নোৱাৰা হৈ থাকিল । তেওঁৰ পৃথিবীৰ প্ৰতি থকা কেচা মৰমবোৰ নোহোৱা হৈ গ'ল । তেওঁ সেই নিৰ্জন ঠাইতে এটি জুপুৰি সাজি থাকিবলৈ ললে । তেওঁৰ মন সাগৰত অলেখ ভাৱৰ ঢৌ উঠে । তেওঁ ভাবে মানুহ সদায় আশাবাদী, কিন্তু সেই জানো মানৱে বাস্তৱত ৰূপায়িত কৰিব পাৰে ? আজিৰ বুঢ়াই লুইতৰ পাৰৰ জুপুৰিটোৰ পৰা লুইতৰ উত্তাল তৰঙ্গৰ পিনে চাই একোটি হুমুনিয়াহ কাঢ়ে হয়তো তেওঁৰ অতাতৰ বিষাদময় সংসাৰকে সুৱৰি............

×

# "অসীমত যাৰ হেৰাল সীমা"

শ্ৰীৰাতুল ৰাজবংশী
উচ্চতৰ মাধ্যমিক প্ৰথম বাৰ্ষিক

পদূলি মুখত থিয় হৈ সীমাই বাটেৰে অহা যোৱা কৰা মানুহবোৰলৈ একে লেঠাৰীয়ে চাই গৈছিল। দুয়োকাষে দুজোপা ধুনীয়া চম্পা-ফুলৰ গছ, মাজতে গেটটো, তেতিয়া সন্ধিয়া সময়, তাই অতীতত হৈ যোৱা ঘটনাবোৰ স্মৰণ কৰি ফুলজোপাৰ ফালে চাই আছে। অৱশেষত কোনো সিদ্ধান্ত কৰিব নোৱাৰি ঘৰলৈ আগবাঢ়িল।

বসন্ত কাল, গছে কুঁহিপাত মেলি নিজৰ শৰীৰৰ দানেৰে এই প্ৰকৃতি খনিক এক সৌন্দৰ্য্যৰ ভঁৰাল স্বৰূপে আগবঢ়াইছে। সোণৰ আঙঠি এটাত যেনেকৈ সামান্য বাখৰ লগাই তাৰ সোভা দুগুণে বঢ়োৱা যায় ঠিক তেনেকৈ কুলি কেতেকীয়ে ইনাই বিনাই ইয়াৰ দৃশ্য আৰু বেছি মনোমোহা কৰি তুলিছে। সীমাই এই বিশাল ধৰা খনিৰ আটাইবোৰ বস্তু, ইয়াৰ নীতি, নিয়ম আদিৰ কথা অলপ দকৈ ভাবি আছিল। ভগৱানে ইয়াক কেনেকৈ পালন কৰিছে তেনেতে মাকে মাত লগালে সীমা, তই তেনেকৈ থিয় হৈ কি ভাবিছা? সীমাই একো উত্তৰ নিদিয়াকৈ ঘৰলৈ গ'ল। তেতিয়া সন্ধিয়া ৫-৩০ বাজিছে। ইফালে দেউতাক গাঁৱৰে স্কুলৰ পৰা বিৰতিৰ সময়ত ঘৰলৈ আহিছে। দেউতাকৰ মুখখন যেন পিয়াহত ভাগৰত শুকাই গৈছে সীমাই লগে লগে একাপ চাহ আনি দিলে দেউতাক হৰি-য়েওঁ চাহ কাপ খাই খাই বহু কথা চিন্তা কৰি আছে। কাৰণ মাষ্টৰ চাকৰি আৰু বেছি বছৰ নাই। ইয়াৰ কাৰণ হ'ল ঘৰৰ ডাঙৰ সীমা তাইৰ তলত আছে ক্ৰমে ৰাজু আৰু চুৰেচ। এই কম সময়ৰ ভিতৰত সিহঁতক কেনেকৈ কি কৰে আৰু বহুতো— ।

সিদিনা দেওঁবাৰ। সীমা, সৰু ভায়েক কেইজন আৰু মাক সিহঁত আটায়ে গাঁৱৰ পৰা প্ৰায় ৬ কিলোমিটাৰমান আঁতৰত থকা বৰ দেউতাকহঁতৰ ঘৰলৈ গ'ল। বহুদিন নোযোৱাৰ কাৰণে সিদিনা হঠাতে যোৱা দেখি অলপ ভালকৈ সমাদৰ কৰিলে। আবেলি সীমা, ৰাজু আৰু বৰ দেউতাকৰ ল'ৰা চিতুৰ লগত দুয়োজন ফুৰিবলৈ গ'ল। সিহঁতে এখন ধুনীয়া বাগিছাৰ কাষে কাষে ওমলি আছে। চাওঁতে চাওঁতে ৰাজুয়ে কৈ উঠিল চোৱানা বাইদেউ ভোমোৰা-বোৰে কেনেকৈ ফুলত পৰি তাৰ পৰা মৌ গোটাইছে, মোৰো তেনেকৈ ফুলে ফুলে উৰি থাকিবৰ মন যায় তাৰ পৰা কিমান যে গো-

লব পাৰিলো হেঁতেন...... । সীমাই ক'লে হয় দিয়া তুমিহে তেনেকৈ ভাবিছা কিন্তু ফুলটোৱে যে ৰসখিনি শেষ হৈ যোৱাৰ পিছত মৰহি যায় তাক তুমি ভাবিছা? এনেকৈ দিন, মাহ আৰু মাহৰ পিছত বছৰবোৰ গৈছে। সীমাই সিহঁতৰ পদূলিৰ মুৰত থকা কুৱাটোৰ পৰা পানী নিব আহিছিল। পানী বুৰাই থাকোতে আনফালৰ পৰা অসীম চাইকেলেৰে আহি আছিল, তাক দেখি সীমাই অলপ লাজুক লাজুক চাৱনীৰে মাত দিলে অসীম দা, আজি আপোনাক বহুদিনৰ মুৰত দেখা পালো কলৈ গৈছিলা, কৰবাত কিবা কামত গৈছিলা নেকি এনেকৈ উপৰা উপৰিকৈ প্ৰশ্ন কৰিলে সীমাই। তেতিয়া অসীমে তলমুৰকৈ ক'লে সীমা, আমাৰ নিচিনা মানুহক সমাজে গন্যই নকৰে। জানানে সামান্য চাকৰি এটাৰ বিনিময়ত বহুজনক বহু কথা কলো আৰু বহুতো ঘুৰিলো কিন্তু একো ফলৱতী হ'ব নোৱাৰিলো। এতিয়া আৰু ভাগৰি পৰিছো সীমা, নাজানো আমাৰ ভাগ্য আকাশ কেতিয়া ফৰকাল হ'ব। তেনেতে মাকে মাত দিলে সীমা ...... অ, গৈছো মা, এইবুলি ক্ষীণ হাঁহি এটা মাৰি সীমা আঁতৰি গ'ল। এনেদৰে অসীম আৰু সীমাৰ মাজত হৃদয়ৰ ভাল-পোৱাৰ নতুন সূৰুয উদয় হৈছিল।

বহাগ মাহ। গছে বনে সেউজীয়া কুঁহি-পাত, তাতে কুলিৰ মাত, প্ৰত্যেক গাওঁবাসীৰ মন ইছাত-বিছাত। আনফালে সীমাহঁতৰ ঘৰৰ ফালে নামি আহিল এক ঘোৰ অন্ধকাৰ। অন্ধকাৰৰ কাল মুৰ্তিয়ে যেন সিহঁতৰ ঘৰ গ্ৰাস কৰিব। তেতিয়া মনিৰ বয়স আছিল ১৮ বছৰ, তাইয়ো যৌৱনৰ দুৱাৰ দলিত ভৰি দিছেহি। এদিন দুদিনকৈ দেউতাকৰ বাকী থকা বছৰটো প্ৰায় শেষ হ'ল। বাপেকে সীমাৰনে, ৰাজুৰনে, আৰু চুৰেচৰ কথা ভাবি এনেকৈ দিনবোৰ অতি-বাহিত হৈ আছে। এদিন হঠাত সীমাৰ দেউতাকৰ চাইকেল দুৰ্ঘটনা হ'ল। ঘৰত এক হুলস্থুলীয়া পৰিবেশ। তাই কি কৰিব কি নকৰিব তেনে লাগিল। এনেতে বাটেদি যাই থাকোতে অসীমে দেখিলে যে সীমাহঁতৰ ঘৰত কিবা হাঁহাকাৰ লাগিছে। মানুহৰো সমাগম। তাকে দেখি অসীমো আগবাঢ়িল। আহি দেখিলে যে সীমাৰ দেউতাকক সেকা পোৱা কৰিব ধৰিছে। সি গৈ ডাক্তৰক মাতি আনিলে। আৰু তাৰ সহায়ত দেউতাক কিছু সুস্থিৰ হ'ল। এনেকৈ অসীমে সিহঁতৰ ঘৰলৈ যায় আৰু নিঃসহায় ঘৰখনক অলপ সকাহ দিয়ে।

বিহুৰ বতৰ। প্ৰত্যেক অসমীয়াই বিহু বুলিলে অসমৰ জাতীয় ঐক্যৰ কথাকে বুজায়। কাৰণ বিহুত ঘৰৰ সকলোকে বিহুৱানখনেৰে মৰম যাচে। প্ৰত্যেক গাঁৱৰ মানুহে: ডেকা গাভৰুৱে মিলি হুচুৰি গাইছে। কোনো ভেদাভেদ নাই। সীমাইয়ো অসীমক এখন সামান্য বিহুৱানেৰে হৃদয়ৰ মৰম দিছিল। এনেকৈ দুয়ো হৃদয়ৰ গোপন মৰমবোৰ দিয়া নিয়া কৰিছিল। এনে চালচলত গাঁৱৰ মানুহে কোৱা কুই কৰিলে যে আমাৰ গাৱৰ ল'ৰা অসীমে হেনো হৰিৰ ছোৱালী সীমাৰ লগত কিবা হলি গলি কৰিছে। চিঃ চিঃ ... সেই অজাতি ছোৱালীৰ লগত কিয় তেনে কৰিছে আমাৰ জাতিৰ নাম তলৈ গ'ল। সৰু জাতৰ

ছোৱালী নিলে বোলে জাত যায়। এনেকৈ বহু বাধাৰ মাজেৰে দুয়ো হৃদয়ৰ ভাল লগতে সমাজৰ অন্ধবিশ্বাসবোৰক ভৰিৰে গছকি সিহঁতৰ কৰ্ত্তব্য চলাই গ'ল।

এইফালে সীমাৰ দেউতাক বুঢ়া হৈ আহিল। সীমাৰ ৰাজুৰ আৰু চুবেচৰ চিন্তাত। সীমাই ভাবিলে মোৰ কাৰণে মা আৰু দেউতাই চিন্তা কৰি কৰি বুঢ়া হৈ গ'ল। কেতিয়াবা তাইৰ মনটো আকাশত উদ্দেশ্য বিহীন ভাৱে ঘূৰি ফুৰা চপৰা চপৰ মেঘৰ নিচিনা হয়। বৃহস্পতি বাৰ গাৱৰ নাম ঘৰত নাম কীৰ্ত্তন হৈছে তাত অসীমো গৈছিল অলপ সেৱা লবৰ বাবে, এনেতে তাত ওলাইছে যে অসীমে হেনো তেনেকুৱা সৰু জাতৰ ছোৱালীৰ লগত কিয় এইবোৰ কৰিব লাগে দিন কাল বদলি হ'ল আইহত তহতে চোৱা,...... হয়তো চিঃ চিঃ আমাৰ গাৱৰ নাম নোহোৱা কৰিব। এনেবোৰ কথা যেতিয়া অসীমে শুনিলে সি আৰু তাত অলপো নৰ'ল। ঘৰলৈ গুচি আহিল। ভাবিলে এইবোৰ মুখ মানুহৰ লগত কোনে কি কৰিব এতিয়াওঁ ইমানবোৰ অন্ধ বিশ্বাসৰ বশবৰ্ত্তি হৈ চলি আছে। এদিন অসীম চাইকেলেৰে তাৰ বন্ধু চন্দনহঁতৰ ঘৰলৈ বুলি আগবাঢ়িল। এনেতে বাটতে সীমাই দেখা পাই অসীমক মাতি নিলে। আৰু ঘৰত বহি অলপ আলোচনা হ'ল। আলোচনাৰ মাজেৰে সীমাই তাইৰ দুখৰ কথাবোৰ মনৰ মানুহ গৰাকীৰ আগত উনুকিয়াই গ'ল। আৰু কলে হয়নে অসীম দা, মই হেনো আপোনাৰ জাতিৰ নাম তললৈ নিয়ালো, মোক এনেকৈ গাৱৰ মানুহে ভৎচনা কৰে। তেতিয়া অসীমে কলে বাদ দিয়া সীমা এই এলান্ধুকলীয়া মানুহৰ কথা। আমি দুয়ো এক হৈ ইয়াৰ নিয়ম আজিৰ সমাজৰ নিচিনা কৰিম। তুমি আৰু মন নামাৰিবা এতিয়া মই যাওঁ। তেতিয়া নিশা প্ৰায় ৮ মান বাজিছে অসীমে কোৱা কথাবোৰ ভাবি ভাবি সীমাই বিছনাত বাগৰি আছিল। তাই এটা এটাকৈ কথাবোৰ স্মৰণ কৰি অৱশেষত আহিল সেই কথাযাৰ যিসাৰ কথাৰ কাৰণে আজি সীমাই বিদায় লব। তাই ভাবিলে মোৰ কাৰণে যদি এখন গাৱৰ মানুহৰ অশান্তি হয় তেনেহলে মই আৰু এই পৃথিৱীত জীয়াই নাথাকো বুলি তাই আত্মহত্যা কৰিলে।

ৰাতিপুৱা সীমাহঁতৰ চোতালত তাইৰ দেহটো শুকোলা কাপোৰেৰে ঢাকি তাৰ কাষত মাক দেউতাক আৰু বাকী দুজনেওঁ ইনাই বিনাই কন্দা আৰ্তনাদ অসীমে শুনিলে এখোজ দুখোজকৈ চোতাল পালে তাৰ আৰু জানিবৰ বাকী নেথাকিল। সি লগে লগে তাৰ পৰা আঁতৰি গ'ল। তই মোক অকলশৰীয়া কৰিলি সীমা, তই মোৰ বুকুৰ মৰম নুবুজিলি। খঙেৰে গাওঁবাসীলৈ চাই হিয়া ফালি ফালি কলে, তহতে আমাক কিয় জীয়াই থাকিব নিদিলি — আমি তোমালোকৰ কি অপকাৰ কৰিলো, হে ভগৱান তুমি ইমান নিষ্ঠুৰ। এইবুলি অসীম আগবাঢ়িল। সীমাৰ কথা ভাবি ভাবি কান্দিলে, সীমা অবিহনে এই পৃথিৱী তাৰ অসাৰ অসাৰ যেন লাগিল।

মই আজি সংগী বিহিন, উদাসীন ক্লান্ত পথিক এই বিশাল পৃথিৱী। অঃ অঃ অঃ সী... নিদিবি আমনি "। মই আজি "এখন অচিন ঠাইলৈ যাম। য'ত ৰোগ, শোক, মায়া, মমতা, জাতিভেদ কোনো নাই য'ত নেকি সদায় শান্তি বিৰাজমান তেনেকুৱা এখন ঠাইলৈ।

কিন্তু কিয় গ'ল ?



# "চিতা জুই"

শ্ৰীহিৰণময়ী দাস
স্নাতক প্ৰথম বাৰ্ষিক

ঃ মা ?

ঃ কি হ'ল বাচা ?

ঃ মোৰ ভোক লাগিছে। কিবা খাবলৈ আছে নেকি ?

ঃ কি দিম বাচা, সৌ তাত এটা কল আছে তাকে খা—গৈ যা।

ঃ কল খালে মানুহৰ ভোক গুচে নেকি মা ? মই যে ভোকত মৰি যাম, কিবা দিয়ানা।

বিছনাখনৰ ওপৰত থকা ঢাকনি বিহীন টেমাবোৰ জোকাৰি জোকাৰি মাক অলকাই চকুপানী মছিচে। ভাবিছে অৰুণৰ কথা অৰুণ জন্মাৰ তিনিবছৰ পাছত স্বামী ভৱেন নায়ক আঁতৰি গ'ল এই মায়াময় সংসাৰৰ পৰা। বিধবা অলকা আজি পথভ্ৰষ্টা পথিক। অলকা আজি ক্লান্ত শান্ত, আৰু ভাগৰুৱা আৰু মৃত্যুমুখী ভিক্ষাৰিণী। অলকাই নিজৰ বাবে অকনো চিন্তা কৰা নাই। অৰুণৰ বয়স এতিয়া মাত্ৰ ৭ ( সাত ) বছৰ। অৰুণৰ চিন্তাই অলকাক খুলি খুলি খাব ধৰিছে। বিচাৰি বিচাৰি তেওঁ খুদ কন কেইটামান পাই তাকে অৰুণক সিজাই দিলে আৰু অৰুণে পৰম তৃপ্তিৰে তাকেই ভোক কৰিলে।

মোমায়েক হৰিহৰ ঠাকুৰীয়া এজন চোৰাং বেপাৰী। বহু সম্পত্তিৰ মালিক হৰিহৰে অৰুণৰ কথা নভবাকৈ নাছিল। কিন্তু কিছুমান সমস্যাত তেওঁক অভাৱত পেলাইছিল। মাজতে অৱশ্যে তেওঁৰ ভনীয়েক অলকাক এখন চিঠি নিদিয়াকৈওঁ থকা নাই। অৰুণক পঢ়ুৱাৰ কথাওঁ চিঠিত লিখিছে। ঠাকুৰীয়াৰ পত্নী বিমলা তেনেই অমায়িক তিৰোতা। তেওঁ ভাবিছে অৰুণক তেওঁলোকৰ ঘৰলৈ অনাৰ কথা। ঠাকুৰীয়াক বিমলাই কেইবাদিনো অৰুণক অনাৰ কথা কৈছে। ঠাকুৰীয়াই আনিম বুলি কথা দিছে।

অৰুণ বৰ্ত্তমান মোমায়েকৰ ঘৰত। তেজপুৰ বিদ্যালয়ৰ ৭ম মান শ্ৰেণীৰ ছাত্ৰ সি। পঢ়াত চোকা। শ্ৰেণীৰ প্ৰথমৰ বাহিৰে দ্বিতীয় হোৱা নাই। সেয়েহে তাক সকলোৱে ভাল পায়। শিক্ষক সকলে অৰুণক খুব মৰম কৰে। স্কুলৰ নাম ৰাখিব পাৰিব বুলি শিক্ষক সকলে আলোচনা কৰে। মোমায়েক মামীয়েক দুয়ো অৰুণক পঢ়াৰ বাবে সকলো ইন্ধন যোগাইছে। কোনো অসুবিধা নোহোৱাকৈ অৰুণ আগুৱাই গৈছে ৰঙীন ভৱিষ্যতৰ ফালে। ইফালে মাক অল-

কাৰো কিছু চিন্তা দূৰ হৈছে। নিজে যি পাইছে তাকে খাই জীৱন ধাৰণ কৰিছে। অৱশ্যে মাজে সময়ে ঠাকুৰীয়াই অলকাক দহ, পাচ টকা নিদিয়াকৈও থকা নাই। অলকাই ভগৱানক প্ৰাৰ্থনা জনাইছে যাতে অৰুণৰ ভৱিষ্যত সুখৰ হয়।

সুদীৰ্ঘ ৪ বছৰ পাছতে অৰুণে মেট্ৰিক পাছ কৰি কলেজত নাম ভৰ্ত্তি কৰিছে। সি এতিয়া দ্বিতীয় বাৰ্ষিকৰ বিজ্ঞান বিভাগৰ ছাত্ৰ। ফাইনেল (Final) পৰীক্ষালৈ তিনিমাহহে আছে। সেয়ে সি পঢ়াত ব্যস্ত আছে। খাবলৈও যেন সি সময় নাপায়। সি ডাঙৰ মানুহ হৈ ঘৰখন পোহৰাই তুলিব। মাকৰ অভাৱ আঁতৰাই এখন সুখৰ সংসাৰ গঢ়াৰ সপোন দেখে সি। সি মোমায়েক মামীয়েকক বৰ ভাল পায়। তাৰ ভৱিষ্যত উন্নতিৰ জখলা স্বৰূপ মোমায়েক আৰু মামীয়েক। আজি তাৰ ঘৰলৈ মনত পৰিছে। ডাৱৰীয়া বতৰ। বৰষুণ মজলীয়া ধৰণে পৰি আছে। সি চিন্তা কৰিছে মাকৰ কথা "মা ছাগে বৰষুণৰ বাবে শুবই পৰা নাই।" ঘৰটো ভাঙি চিঙি শেষ হৈ গ'ল। বহুতো ভাবি আজি অৰুণ ভাগৰি পৰিছে। পঢ়িবলৈ তাৰ মন যোৱা নাই। সেয়েহে শুই পৰিল সি। কিন্তু বহু সময় সি চট্‌ফটাই আছে। টোপনি অহা নাই।

আজি ৩ দিন হ'ল। অলকাৰ পেটৰ বিষ অলপো কমা নাই। বৰং দিনে দিনে বেছিহে হৈ গৈছে। ভায়েক ঠাকুৰীয়াই ডাঃ অতুল কলিতাক চিকিৎসাৰ ভাৰ দিছে। চিকিৎসাও কৰা হৈছে। বহুতো ঔষধেই ব্যৱহাৰ কৰা হৈছে। তথাপিও অলকা আৰোগ্য হোৱা নাই। তিনিদিনৰ দিনা গধুলী ৬ বজাত অৰুণৰ কথাকে বুকুত বান্ধি অলকাৰ মন পখী উৰি গ'ল বহুদূৰলৈ চিৰদিনৰ বাবে। অৰুণে হিয়া ঢাকুৰী কান্দিলে পৃথিৱীলৈ নামি আহিল নিশাৰ অন্ধকাৰ। অৰুণ আজি পিতৃ মাতৃ বিহীন। তাৰ আজি আপোন বুলিবলৈ মোমায়েক মামীয়েক। অৰুণে ভাবি চিন্তি কোনো উপায় উলিয়াব নোৱাৰে। সেয়েহে সি ইটো সিটো বহুতো যোগ বিয়োগ কৰি পৰীক্ষালৈ সাজু হৈছে। পৰীক্ষালৈ আৰু ১৫ দিন মানহে বাকী। সি পঢ়াত পুণৰ মনোযোগ দিলে। সেই পৰীক্ষাত কিন্তু সি ভালদৰে পাছ কৰিব নোৱাৰিলে। কোনোমতে তৃতীয় বিভাগত পাছ কৰিছে। তথাপি বৰ দুখ লগা নাই কিয়নো সি বহু বিপদ বিঘিনিৰ মাজত পঢ়িবলৈ সম্পূৰ্ণ ইচ্ছা কৰা নাছিল। তাৰ কলেজীয়া জীৱনৰ অন্ত পৰিল। সি পঢ়িবলৈ বাদ দিলে। মোমায়েকৰ টকাৰ বলতে সি D. I. office ৰ কেৰাণী পদ এটা পালে। অফিচ তাৰ ডিব্ৰুগড়ত।

ঠাকুৰীয়াই চিন্তা কৰিছে অৰুণৰ বিয়াৰ কথা। অৰুণৰ বয়সো ২৫ বছৰেই হ'ল। তেওঁ বিমলাৰ লগত আলোচনা কৰি শেষত অৰুণক বিয়া কৰাই দি অৰুণৰ নিজ বাস ভূমিত থাকিবলৈ দিয়াৰ সিদ্ধান্ত ললে। অৰুণৰ বাবে কইনাৰ অনুসন্ধান কৰা হ'ল। ইফালে অৰুণে গমেই নাপালে যে তাৰ বাবে এজনী জীৱন সঙ্গী বিচৰা হৈছে। সি বহুতো কিবা কিবি চিন্তা কৰিছে। সি অফিচৰ কামবোৰত মনোযোগ দিব পৰা নাই। কোনো এটা কামেই সম্পূৰ্ণ কৰিব পৰা নাই। আজি তাৰ মাকলৈ বৰকৈ মনত পৰিছে। মাক বাপেক নথকা সন্তান হেনো বাৰান্দা নথকা ঘৰৰ দৰে। অৰুণৰ আজি সেই একে অৱস্থা। সি আজি ভাগৰি পৰিছে। চকু চলচলীয়া হৈছে। কিছুমান হুমুনিয়াহ গুচি গৈছে। আজি সি মোমায়েকক ধন্যবাদ দিছে। মোমায়েকে এইখিনি উপকাৰ নকৰিলে যে তাৰ কি নহ'লহেঁতেন।

: কইনা ঠিক কৰিলেনে? (বিমলাই সোধে)

: হয়, কইনা একেবাৰে ঠিক কৰিলো। বিয়াখন কম দিনৰ ভিতৰতে হ'ব যেন পাইছো।

: ক'তনো কইনা পালে আপুনি?

: সেই যে অমৃত শইকীয়া ঠিকাদাৰ, তেওঁৰেই ছোৱালী।

: হয় নেকি? তেনেহ'লে ভালেই হৈছে অৰুণৰে কপাল ভাল। সেইজনী ছোৱালী বেচ সুন্দৰ। কামে কাজেও পাৰ্গত তাই। অৰুণৰ লগত বেচ ধুনীয়া হ'ব নহয়নে?

: হ'ব ৰবা। পিছে অৰুণে যদি পচন্দ নকৰে তেন্তে.......

অৰুণ সোমাই আহি তেওঁলোকৰ আগতে থিয় হ'ল। সি বাহিৰত কিছুপৰ থিয় হৈ সকলো গম পাইছে। আপত্তি নজনাৰ ভাও ধৰি থাকিল সি। ঠাকুৰীয়াই মাত লগালে— "অৰুণ, তোৰ বিয়াখন পাতিব খুজিছো। তোৰ কিবা আপত্তি আছে নেকি? মই আপত্তি কৰিম মামা। আপোনালোকে যি ভাল দেখে তাকে কৰক। অ, বেচ। তই তাৰ আগতে তোৰ নিজৰ ঘৰটো ভাল কৰি ল। মই কিছু টকা ঘৰ মেৰামতি কৰাৰ বাবে তোক দিম। তই বিয়া কৰাই তোৰ পিতৃ-মাতৃ গৃহতে থাকিব লাগিব। হ'ব মামা অৰুণে নিজৰ কোঠাত সোমাল। সি আজি উচুপি কান্দিব ধৰিছে। পিতৃ-মাতৃ বিহীন বিবাহৰ সাৰ্থকতা ক'ত? বহুতো চিন্তা কৰি সি কেতিয়া টোপনীৰ বুকুত শুই পৰিল গমেই নাপালে।

অৰুণৰ বিয়া পৰহি। সকলো বস্তু যোগাৰ কৰা হৈছে। সি আজি অফিচ ছুটি লৈ এসপ্তাহৰ বাবে থকা ঘৰলৈ যাব। মনটো ভাল লগা নাই। সি অফিচৰ পৰা ওলাই ৰিক্সাখন লৈ মটৰ ষ্টেচনলৈ যাবলৈ ধৰিছে। তাৰ আজি কল্পনাৰ শেষ নাই। কেতিয়া সি মটৰ ষ্টেচন পালে গমেই নাপালে। ৰিক্সাৱালাজনে ভাড়াৰ কথা কোৱাতহে তাৰ চেতনা আহিল। সি জেপৰ পৰা দুটকীয়া নোট এখন দি বাছত উঠিল। বাছত তাৰ চিন্তাৰ শেষ নাই। সি বিয়া কৰাব, তাৰ সাংসাৰিক জীৱন আৰম্ভ হ'ব। তাৰ আজি মাকলৈ আৰু বেছি মনত পৰিছে। মাক থাকিলে আজি তাৰ কিমান আনন্দ লাগিলহেঁতেন। এইদৰে নানা কথাই তাৰ জাউৰীয়ে জাউৰীয়ে আহিবলৈ ধৰিলে। একা বেকা পথেৰে বাছখন আগুৱাই গৈছে তেজপুৰ ষ্টেচনলৈ।

দুৰ্ঘটনাত মৃত্যু হোৱা মৃতদেহবোৰ বাছখনৰ পৰা উলিয়াই চিনাক্ত কৰা হ'ল। বাছখন

তেনেই ভাঙি চিঙি টুকুৰা টুকুৰ হৈছে। মৃত-দেহবোৰৰ ভিতৰত অৰুণো শুই আছিল আকাশ ফালে চাই। সি আঁতৰি গৈছে পৃথিৱীৰ পৰা স্বৰগলৈ। ঠাকুৰীয়া আৰু বিমলাই চকুলো টুকিছে। সময় গধুলী। দুটা বগলী উৰি গৈছে নিজ বাহলৈ। অৰুণক দাহ কৰাৰ বাবে শ্মশানলৈ নিয়া হৈছে। তাৰ আজি শেষ হৈ গৈছে মায়াময় পৃথিৱীখনৰ চিন্তা। লাহে লাহে এন্ধাৰ নামি আহিছে। জ্বলি আহিছে অৰুণৰ চিতা জুইকুৰা দপ্ দপ্ কৈ।

"মানুহৰ দুখ দুৰ্দ্দশাত যিবিলাকৰ প্ৰাণে নেকান্দে, সেই বিলাকক মানুহ বুলিব পাৰিবনে ? পৰৰ দুখত যিজন কাতৰ হয়, পৰৰ দুখ দুৰ্গতি দুৰ কৰিবৰ কাৰণে যি জনে নিজক বিলাই দিয়ে, তেওঁহে একমাত্ৰ মানুহ।"

—স্বামী বিবেকানন্দ—



# "সেই নিশাটো"

শ্ৰীমনোজ কুমাৰ দাস
কলা প্ৰথম বাৰ্ষিক

আন্ধাৰ ঘন শীতৰ নিয়ৰ অনা নিশা, তাতে হাড় কঁপোৱা চেঁচা বতাহ, ৰাতিৰ প্ৰথম ভাগ-তেই এনেকুৱা; শেষ নিশা কেনেকুৱা ঠাণ্ডা হ'ব ভাবিয়েই নাপাওঁ। ঠাণ্ডা বুলি এতিয়া বিজয় বহি থাকিলে নহ'ব, আজিয়েই নিশাৰ বেলত পলাব লাগিব। কোনেও গমেই নাপাব সত্যজিতৰ হত্যাকাৰী কোন! অলপ আগতে সি সত্যজিতক হত্যা কৰিছে। বিজয়ৰ পিষ্ট-লেৰে উপযুপৰি ছটা গুলী এৰি চিৰদিনৰ কাৰণে সি সত্যজিতক শুৱাই থৈছে। সত্যজিতৰ অনেক টকা আছে। চেফৰ পৰা গোটেই-খিনি টকালৈ সোনকালে পলোৱাই ভাল। বিজয় সত্যজিতৰ ঘৰলৈ অহা কোনোৱেই দেখা নাই; যোৱাও নেদেখিব।

লৰালৰিকৈ অ'ভাৰকোটটো পিন্ধি সত্য-জিত শুই থকা বিছনাৰ পৰা "চেফ"ৰ চাবি-কোছালৈ বিজয়ে চেফটো খুলি নিজৰ চুটকেচ টোত টকাৰ ঠাক বিলাক জাপি জাপি ভৰাই চেফটো আগৰ দৰে বন্ধ কৰি ৰাখিলে সত্য-জিতৰ বিছনাখনৰ ফালে এবাৰ চালে। আন্ধা ৰত একো দেখা নাপালে। যেনেকৈ নহওক সত্যজিত তাৰ বন্ধু। সেয়ে সি গুলিয়াওঁতেও লাইট নুমুৱাইহে গুলিয়াইছিল।

অলপ আগতে এজাক বৰষুণ হৈ গৈছে। জনশূন্য গাৱৰ পথটোৰ মাজত দুই এটা কুকুৰ শিয়ালৰ খেদাখেদিৰ বাহিৰে আন একো নাই। ডিচেম্বৰ মাহৰ ৮/৯ বজাৰ নিশাই গভীৰ নিশাৰ দৰে লাগে। ওচৰ পাজৰৰ ঘৰবোৰৰ কোনো ৱেই সাৰে নাই। চৌদিশ নিস্তব্ধতাৰ সাগৰ ঘটঘিটীয়া আন্ধাৰ আৰু সহ্য কৰিব নোৱাৰা নিৰ্জনতাৰ মাজেৰে বিজয় আগবাঢ়ি গৈ থাকিলে গাঁৱৰ এমূৰে থকা সৰু ৰেল ষ্টেচনটোৰ ফালে।

এটা সময়ত বিজয় গৈ ষ্টেচনত উপস্থিত হ'ল। কতো কোনো নাই। প্ৰকাণ্ড দৈত্যৰ দৰে মাথো মুকলি পথাৰখনৰ মাজৰ ষ্টেচনৰ ঘৰটো থিয় হৈ আছে। ওৱেটিং ৰূমৰ ফালে আগবাঢ়িল বিজয়। ভিতৰলৈ সোমাই বিজয় এখন বেঞ্চত বহি সমুখৰ আন এখন বেঞ্চলৈ চালে। বেঞ্চখনত এজন মানুহ মূৰে গায়ে কম্বল লৈ দীঘল দি শুই আছে। হয়তো কোনোবা যাত্ৰী।

বিজয়ে এটা চিগাৰেট লৈ জুইশাল বাঁহটো

ভৰিত সাৱে সত্যজিতৰ ফালে আগবাঢ়ি সন্তৰ্পণে গাৰুৰ তলৰ পৰা পিষ্টলটো উলিয়াই সত্যজিতৰ শৰীৰৰ ৬ ঠাইত গুলি এৰিলে। মাত্ৰ কেই চেকেণ্ডমানৰ কাম।

বিজয়ৰ হাঁহি উঠিল। সত্যজিতটো ইমান বুৰ্ব্বক হ'ব লাগেনে? পুণৰ এটা ছিগাৰেট জ্বলালে। সন্মুখৰ লোকজন তেতিয়াও একেদৰে শুই আছে। বেঞ্চখনত অলপ হেলোনীয়াকৈ বহি বিজয়ে ছুটকেছটোৰ ওপৰত লাহে লাহে হাত ফুৰালে। নিজৰ বিছ হাজাৰ টকাৰ উপৰিও সত্যজিতৰ চেকত প্ৰায় তিনি লাখ টকা আছে। কিমান সহজতে পোৱা এই টকাখিনি। অকলেই নতুন ব্যৱসায় আৰম্ভ কৰিব পাৰি। অনিতাক বিয়া কৰাবলৈকো এতিয়া আৰু কোনো বাধা নাই। পত্নী চয়নিকাক সি হত্যা কৰিছে অনিতাৰ বুদ্ধি মতেই। কিন্তু চয়নিকাক হত্যা কৰি তাৰ একো লাভ নহ'ল। সি ভাবিছিল চয়নিকাৰ নামত থকা বিপুল সম্পত্তিৰ মালিক চয়নিকাৰ মালিক সিয়ে হ'ব। সম্পত্তিৰ লোভতে সি চয়নিকাক বিয়া কৰাইছিল। কিন্তু চয়নিকা ইমান চতুৰ বুলি সি জনা নাছিল। হয়তো চয়নিকাই সমস্ত সম্পত্তি যে ভনীয়েকৰ নামত উইল কৰি থৈছিল এই কথা বিজয়ে নাজানিছিল। ফলত পত্নীৰ মৃত্যুৰ পিছত বিজয় বিপুল সম্পত্তিৰ অধিকাৰী নহৈ পথৰ ভিক্ষাৰীহে হ'ল। নিজৰ সম্পত্তিৰ ভিতৰত আছিল মাত্ৰ পূৰ্বৰ ব্যৱসায়ৰ জমা ৰখা কুৰি হাজাৰ টকা। মানুহজনে আকৌ এবাৰ কাহিলে। বিজয়ে তৃতীয় চিগাৰেটটো জ্বলালে। জুইশলা বাঁহটোত আৰু কাঠী নাই। বাঁহটো কোঠাৰ এচুকলৈ দলিয়াই দি সি বাহিৰলৈ ওলাই আহিল। পিছফালে এটা শব্দ শুনি বিজয়ে ঘূৰি চালে। বেঞ্চত শুই থকা লোকজন উঠিল আৰু ধীৰে ধীৰে কোঠাটোৰ এমূৰলৈ আগবাঢ়ি গ'ল।

বিজয়ে ছুটকেছটো বাওঁ হাতৰ পৰা সোঁ হাতলৈ ল'লে। ট্ৰেন আহিবলৈ তেতিয়াও এক ডেৰ ঘণ্টা বাকী। একাপ গৰম চাহ বা কফি পোৱাহেঁতেন। এই ঠাণ্ডাত একাপ গৰম চাহৰ বিশেষ প্ৰয়োজন। হুইস্কী এক পেগ পোৱা হ'লে কথাই নাছিল। হাতত ইমান টকা আছে, অথচ একাপ চাহ বা এপেগ হুইস্কীৰ কাৰণে হামৰাও কাঢ়ি মৰিবলগীয়া হৈছে।

মানুহজনে আকৌ এবাৰ কাহিলে। ছিগাৰেটৰ শেষ টুকুৰাটো দলিয়াই দি বিজয়ে পুণৰ ওৱেটিং ৰূমৰ ভিতৰত সোমাল। মানুহজন তেতিয়াও খিৰিকীৰ ফালে মুখ কৰি থিয় হৈ আছে। একান্তমনে ছিগাৰেট হুপিব লাগিছে। বিজয়ে এটা স্বস্তিৰ নিশ্বাস পেলালে। যাহওক মানুহজনৰ হাতত জুইশলা আছে। কথা পতাৰ ইচ্ছা থাকিলেও মানুহজনৰ গাম্ভীৰ্য্যই বিজয়ক বাধা দিলে। মূৰে গায়ে কম্বল থকাৰ কাৰণে মানুহজনৰ সম্পৰ্কে ধাৰণা কৰিবলৈ বিজয়ৰ টান লাগিল। এনেতে মানুহজন খিৰিকীৰ কাষৰ পৰা আঁতৰি আহি ধীৰে ধীৰে কোঠাৰ ভিতৰত পায়চাৰি কৰিবলৈ ধৰিলে। বিজয়ৰ উপস্থিতিৰ প্ৰতি মানুহজন কোনো ভ্ৰূক্ষেপেই নকৰিলে।

: আজি ট্ৰেনখন 'লেট' নেকি? বিজয়ে নিজেই প্ৰশ্ন কৰাদি কৰিলে।

মানুহজনে কোনো উত্তৰকে নিদিলে।

: আপুনি কলৈ যাব বাৰু? বিজয়ে মানুহজনক সুধিলে।

: ঘৰলৈ। অস্বাভাৱিক গম্ভীৰ স্বৰৰে লোকজনে উত্তৰ দিলে। কিছু সময় পুণৰ নিৰৱ।

: আপুনি ইয়ালৈ কলৈ আহিছিল? বিজয়ে সুধিলে।

: আচৰিত প্ৰশ্ন! দেখা নাই মই কলৈ আহিছোঁ? এইটো ৰেল ষ্টেচন নহয় জানো? এইবুলি মানুহজনে হো হোকৈ হাঁহিবলৈ ধৰিলে। সেই বিকট হাঁহিৰ শব্দটো ওৱেটিং ৰুমৰ চাৰিবেৰৰ মাজত পাকঘূৰণি খাই ৰ'ল কেইটামান মুহুৰ্ত্তৰ কাৰণে।

: কিয় হাহিছে? বিজয়ে বৰ ভয় খালে। মানুহজনে কোনো উত্তৰ নিদি গাৰ কম্বলখন বেঞ্চখনলৈ দলিয়াই দি আগৰদৰে পায়চাৰি কৰিবলৈ ধৰিলে।

: জুইশলাটো দিবনে? বিজয়ে পেকেটৰ পৰা এটা ছিগাৰেট উলিয়ালে।

মানুহজনে বিজয়ৰ ওচৰ চাপি পেকেটৰ পৰা জুইশলা বাঁহটো উলিয়াই বিজয়ৰ হাতত দিলে আৰু নিজেও এটা ছিগাৰেট মুখত লৈ জ্বলোৱাৰ অপেক্ষাত ৰল। বিজয়ে নিজৰ ছিগাৰেটটো জ্বলাই মানুহজনৰ ছিগাৰেটটো জ্বলাই দিয়াৰ উদ্দেশ্য জ্বলা কাঠীটো তেওঁৰ মুখৰ ওচৰলৈ আগবঢ়াই দিলে। জুইশলা কাঠীৰ সামান্য পোহৰত বিজয়ে মানুহজনৰ মুখখন দেখা মাত্ৰকে হাতৰ পৰা কাঠীটো পৰি গ'ল। বিস্ময়ত মুখখন মেল খাই গ'ল। ছিগাৰেটটো মুখৰ পৰা মজিয়াত পৰিল। শৰীৰৰ সমস্ত তেজ যেন বৰফতকৈও চেঁচা হৈ গ'ল নিমিষতে। সন্মুখত সেয়া থিয় হৈ আছে সত্যজিত! সত্যজিত! যাক অলপ আগতে সি হত্যা কৰি আহিছে।

সত্যজিতে হাঁহি মাৰি ক'লে— তই ভুল কৰিলি বিজয়। মই তোতকৈ অলপ বেছি চালাক। মই জানো, তই তোৰ পত্নী আৰু তোৰ বিজনেছ পাটনাৰক হত্যা কৰিছ। কিন্তু সেই ধৰণে তই মোক হত্যা কৰিব নোৱাৰ। লগে লগে সত্যজিতে থাপ মাৰি বিজয়ৰ হাতৰ পৰা ছুটকেছটো কাঢ়ি লৈ পুণৰ কবলৈ ধৰিলে, তোৰ দৰে হত্যাকাৰী এজনক মই এনেদৰে মাতি আনিছিলোঁ কিয় তই কি বুজিবি। আচল কথা মোৰ লাভ তোৰ বিছ হাজাৰ টকাৰ ওপৰত।

: সত্যজিত!—বিজয়ে চিঞৰি উঠিল। খবৰদাৰ বন্ধু মোক ফ'লো নকৰিবি। এইটোয়ে পিষ্টল দেখিছ, ইয়াত এইবাৰ আচল গুলী ভৰাই আনিছোঁ; নকল বুলি ভাবিলে বিপদ তোৰেই।

'গুড্ নাইট' বন্ধু।

— দীঘল দীঘল খোজ পেলাই সত্যজিত ওলাই গ'ল।

+

# সংকল্প

এম, চান, মহম্মদ আলী
একাদশ শ্ৰেণী

মনতো আজি উদাস উদাস যেন লাগিছে। এবাৰ নলবাৰীৰ পৰা এপাক মাৰি আহো বুলি নলবাৰীলৈ ৰাওনা হলো। কিন্তু নলবাৰী পোৱাৰ লগে লগে মোৰ মনত ভাব হ'ল, যেনিবা নলবাৰীত কিবা এটা ঘটিছে। কি ঘটিছে বাৰু? জানিবৰ বাবে মই ইচ্ছা কৰিলোঁ। আৰু আগলৈ খোজ ললো।

নলবাৰীৰ থানাৰ দুৱাৰ মুখেৰে অলপ দূৰ যাওতে মোৰ কানত পৰিল "ইনক্লাব—জিন্দাবাদ"।

মোৰ কলিজাখন ধপধপাবলৈ ধৰিলে। যেন কিবা বিপদ। লাহে লাহে আগবাঢ়িলো। অলপ দূৰ গৈ দেখিলো এঠাইত বহুতো মানুহ গোট খাইছে। মোৰ মনত ভাব হ'ল নিশ্চয় কোনোবা যাদুকৰ আহিছে। কিবা যাদুখেল দেখুৱাইছে। মই বেগাই খোজ ললো ভালৈ বুলি। কাষলৈ গৈ দেখিলো যাদু নহয় এখন সভা বহিছে।

আনহাতে কিছুমান ছাত্ৰ ছাত্ৰীয়ে সভাস্থলাত জয়ধ্বনি দিছে— ইনক্লাব—জিন্দাবাদ। অসমৰ পৰা বিদেশীক বহিষ্কাৰ কৰক। "ইত্যাদি ইত্যাদি। কিছুমানে হাতত পতাকাৰ দৰে কিবা দাণ্ডি লৈ আছে। তাত অসমৰ মেপ খন অকা আছে। আৰু তাত লিখা আছে "জয় আই অসম"। আৰু তলত লিখা আছে "সদৌ অসম ছাত্ৰ সন্থা"।

প্ৰথমে মই ভাবিলোঁ ইবিলাক পাগলৰ দল নেকি? খবৰ কৰি জানিব পাৰিলো সেইখন ছাত্ৰ সন্থাৰ পতাকা। সভা আৰম্ভ হ'ল। সভাত প্ৰায় সংখ্যক ছাত্ৰ-ছাত্ৰী আছিল। সভাত কেবাজনো ছাত্ৰ নেতাই ভাষণ দিলে। তাৰ পিচত মই তেওঁলোকৰ কথা বোৰ কিছু বুজিলো আৰু কলো—

মই সিহঁতক পাগল বুলি ভাবিছিলো; কিন্তু নহয়, সিহঁতে ভালকে কৈছে। কেৱল মইহে ভুল বুজিছো। সভাৰ আটায়বোৰ কথা এটি চাইদত বহি শুনি আছিলো। সিহঁতৰ কথাবোৰ আছিল এনে ধৰণৰ

আজি আমাৰ দেশত কিছুমান এনেকুৱা ধৰণৰ মানুহ আহি বাস কৰিছে, যিবিলাকক



আপোনালোকে চিনি নাপায় তেখেত সকলে চিনি নাপায়, আমি কোনেওঁ চিনি নাপাওঁ। সেই বিলাক মানুহক আমি কোনেও কাহানীওঁ দেখা পোৱা নাই। আনকি ভোটাৰ তালিকা সমূহতো সিহঁতৰ নাম নাই। সিহঁতৰ পূৰ্ব্বপুৰুষৰো তাত নাম নাই। কিন্তু বৰ্ত্তমান সিহঁত বিলাকে, বৰ্তমানৰ ভোটাৰ তালিকা খনত সিহতৰ নামবোৰ সোমাই লৈছে। আনহাতে আমাৰ বহুতো থলুৱা লোকৰ নাম সেই ভোটাৰ তালিকা খনৰ পৰা বাদ পৰিছে। এই বিলাক আচলতে আমাৰ বৰ্ত্তমান চৰকাৰ খনৰ চলনা, কাৰণ সিহঁতক চৰকাৰে আশ্ৰয় দি ৰাখিছে।

সিহঁত বিলাকে আনকি আমাৰ ৰাইজকো সিহতৰ গোলাম কৰিব বিছাঁৰিছে। গতিকে ৰাইজ, আমি আমাৰ দেশৰ পৰা যিকোনো প্ৰকাৰে বিদেশীক খেদিবই লাগিব। নহ'লে দুদিন পিছত আমি নিজৰ ঘৰতে আলহী নিজে হব লাগিব। সিহতৰ কথাবোৰ শুনি মোৰ একেবাৰে খঙে চুলিৰ আগ পাইছিল।

ভাব হয় যেনিবা সিহঁতক হানি হানি মাৰিম, আৰু কিছুমানক মাৰি পানীত পেলাই দিম। আমাৰ দেশত সিহঁতে আহি আমাক বাঘ হৈ খাব খোজে। মই খঙতে ইফাল সিফাল কৰিব ধৰিলো। কিন্তু ………

কিন্তু সেয়া পাপ হব, হিংসা কৰা হ'ব। ওপৰত্ত বহি থকাৰ মাজৰ পৰা এজন লোকে ক'লে। আমি হিংসা বিদ্বেষ ত্যাগ কৰিব লাগিব তেতিয়া হলে আমি আটায়ে একহৈ থিয় দিব পাৰিম। তেওঁৰ নাম আছিল শ্ৰীবসন্ত দাস। আন এজন ছাত্ৰ নেতাই কলে।

আমি সদায় অহিংসা নীতিৰে আগুৱাই যাব লাগিব। মহা মানৱ মহাত্মা গান্ধীয়ে তেখেতৰ অহিংসা নীতিৰে পৃথিৱীৰ শ্ৰেষ্ঠ শক্তিশালী বৃটিচৰ বিৰুদ্ধে সংগ্ৰাম কৰি অৱশেষত ১৯৪৭ চনৰ ১৫ আগষ্টৰ দিনা ভাৰতবৰ্ষ স্বাধীন কৰিছিল।

আমিওঁ মহাত্মা গান্ধীৰ সেই আদৰ্শকে ধৰি আগুৱাই যাম।

চৰকাৰে সিঁহতক আশ্ৰয় দি ৰাখিছে, কিন্তু সত্যক কিমান দিন ঢাকি ৰাখিব। যিমানেই চলনা নকৰাক কিয় এদিন নহয় এদিন সত্য প্ৰকাশ পাবই। সিহঁতৰ কথাবোৰ শুনি মোৰ মনতো গভীৰ হৈ পৰিল সভাৰ শেষত সকলোৱে দিহা দিহি গুছি গ'ল। ময়ো ঘৰলৈ যাওঁ বুলি ৰাওঁনা হলো আৰু কৈ উঠিলো—

বোধাহত তোমালোকৰ কথা বোৰ শুনিলো আৰু কিছু বুজিলো। তোমালোকে ভাল কামকে কৰিচাহক।

ঈশ্বৰে তোমালোকৰ মঙ্গল কৰক। মই ওলাই আহিলো। আহি থাকোতে বাটত কথাবোৰ ভাবিব ধৰিলো এই বিদেশীবোৰ আহিল কেনেকৈ আনিলেই বা কোনে? মনত পৰিল তাহানিৰ বদনৰ কথা। বদনে দেশত মান আনিছিল আৰু দেশত মানমেমাই হাঁহাকাৰৰ সৃষ্টি কৰিছিল। আকৌ আজি। আজিও নিশ্চয় দেশত বদন ওলাল। এইবাৰ আকৌ আমাৰ সোণৰ দেশ বিদেশীৰ হাতত তুলি দিব ওলাইছে। কিন্তু, কিন্তু স্বদেশত বিদেশীক আশ্ৰয় দি জানো বদন শাস্তিৰে গুৰ পাৰিছে?

হেৰ বদন। জোৰপুৰি হাত পালেহি। এতিয়াও সময় আছে, আই বোপাই ভাই ভনীয়েৰাক চিনিবলৈ যত্ন কৰ। আয়ে বদনক কৈ গ'ল।

হেৰ! উঠা চোন! আই আহিছে। আমাক মাতিব লাগিছে। উঠা চোন

ৰবাহে! এই ৰাতিখন দিগদাৰি নকৰিবি। হেৰ বদন! তই জানো নুঠা? সিহঁতক তই আনি মোৰ চোতালত আশ্ৰয় দিছ। সিহঁতক তই খেদি দিয়াহি। সিহঁতৰ খোজৰ ভৰত চোতালখন তল ওপৰ কৰিব লাগিছে। সিহঁতৰ অত্যাচাৰ মই সহিব নোৱাৰা হৈছো। আয়ে কান্দি কান্দি কয়।

হেৰ! উঠা চোন! আয়ে কেনেদৰে কান্দিব লাগিছে। আমাক মাতি মাতি সহাৰি নেপাই আয়ে নিৰবে কান্দিব লাগিছে। বহু দেৰি হ'ল। আয়ে অকলে বাহিৰত বৈ আছে। এইদৰে শুই থাকিলে আয়ে আমাক কি বুলি কব? উঠাচোন।

আস! টোপনিৰ মানুহ আমনি নকৰিবি চোন হঠাৎ বদনে চক্-মক্ কৈ সাৰ পালে আৰু মাত লগালে আই; আই! অ .... .... আইতো নাই কোন কাহানিবাই মোৰ আই বোপাই মাৰ গৈছে। শ্ৰীমতীয়ে মাতিছিল। কিন্তু তেওঁতো যোৱা কালিয়ে মা-কৰ ঘৰলৈ গৈছে। তেনে স্থলত.... .... .... বদনে আৰু ভাবিব নোৱাৰিলে। পুণৰ বিচনাত পৰিল আৰু লগে লগে ঘোৰ টোপনি আহিল। হেৰ বদন! তই নুঠিলী নহয়। তই মোক এবাৰ মাত দিব নোৱাৰিলি। বুজিলো তোৰ মাতৃ ভক্তি। তই মোৰ সন্তান নহৱা? তই মোৰ সকলোবোৰ পাহৰি গলি! তই জানো মোৰ বুকুত ওপজা ফল-মূল খাই জীয়াই থকা নাই? এই সকলোবোৰ তই একে ঢোকে গিলি পেলালি। মৰতত থাকি তই স্বৰগৰ সপোন দেখিছা? থাক এইদৰে কিমান পাৰ তই সপোন দেখি থাক।



কিন্তু শুনা বদন। তোৰ সেই সৰু ভাই ভনীয়েৰা শাওঁনা, আঘোনা, গীতাহত আজি আৰু সৰু হৈ থকা নাই। সিহঁত আজি ডাঙৰ হৈছে। বহুতো বুজা হৈছে। সিহঁতে নিশ্চয় তোৰ বিৰুদ্ধে প্ৰতিবাদ কৰিব।

এৰা সিহঁতে আজি তোৰ বিৰুদ্ধে প্ৰতিবাদ কৰিবই; নকৰিব কিয়? সিহঁতে আজি তোৰ বিৰুদ্ধে, সংগ্ৰাম কৰিবই. নকৰিব কিয়? কিমানজন অসমীয়াক তই চাকৰি দিছ? কিমানজন অসমীয়া দুখীয়াক তই সহায় কৰিছ? চাকৰি আৰু সহায় কৰাৰ বিপৰিতে তই কি কৰিছ? সিহঁতক পৈতৃক সম্পত্তিৰ পৰা তই বঞ্চিত কৰিব বিচাৰিছ ৰক্ষণা বেক্ষণ দিছ। কাৰণ সিহঁতে তো... টকা ভেট্টি দিব পাৰে। তই যি বিচাৰ... সিহঁতে তোক তাকে দিব পাৰে। ... শাওঁনা, আঘোনাহঁতে তোক একো ... নোৱাৰে তই ভাবিছ— সকলো মগনী... মৰক, মোৰ পেততো ভৰক। কিন্তু তো... আশা পুৰণ নহব বদন। মোৰ বুকুত বহু... ইতিহাস লিখা আছে। সেই ইতিহাসে ন... পুৰুষ সকলক সোঁৱাৰাই দিব। লাচি... পিয়লি, মণিৰাম, গোমধৰ, কুশল কোঁৱৰ... মুকুন্দ, লক্ষ্মীবাই, জয়মতী মূলা, কনকলতা আজি মৰিও অমৰ। আৰু তই আজি জীয়াই থাকিও মৰি আছ।

শুনা বদন! এদিন নহয় এদিন তই এই কাকতি ফৰিং বিলাক মোৰ চোতালৰ পৰা খেদি দিবই লাগিব। নহঁলে সেই শাওঁনা, আঘোনা ন-পুৰুষ সকলে তোক ক্ষমা নকৰিব। তই বংশৰ কলংক; জাতিৰ কলংক; দেশৰ কলংক। চক মককৈ বদন সাৰ পালে। মিছা কথা! কোন বংশৰ কলংক; জাতিৰ কলংক; দেশৰ কলংক; ? কোনে কৈ গলে? অ' অলপ আগতে আয়ে মতা বুলি শ্ৰীমতী কৈছিল? শ্ৰীমতীৰ উপস্থিতি অনুভাৱ কৰিছিলো। কিন্তু শ্ৰীমতীতো ঘৰত নাই। তেওঁ মাকৰ ঘৰলৈ গৈছে। তেনেস্হলত.... .... .... মই সপোন দেখিলো নিশ্চয়? এৰা বেলিওঁতো বহুত হ'ল। বেৰৰ ফুটাৰে পোহৰ ভিতৰত পৰিছে। এবাৰ বাহিৰৰ পৰা আহোঁ। এই বুলি বদনে দুৱাৰ খন খুলিছে মাথোন

ইফালে শাওনা, আঘোনাহতে অসমৰ ইমুৰৰ পৰা সিমুৰলৈকে চিঞৰি চিঞৰি কবলৈ ধৰিছে— হেৰ অসমৰ নতুন পুৰুষ সকল; তোমালোক জানো এতিয়াওঁ সাৰ পোৱা নাই? দেখা নাইনে অসমৰ আকাশত সোঁৱা বিদেশী কাকতি ফৰিং জাকে জাকে আহি আকাশখন ঢাকি ধৰিছে। আইৰ কেছা শষ্য খাবলৈ পাই সিহঁতে অসমত খুপনি পুতিছে। দুদিন পিছত আমি নিজৰ ঘৰতে নিজে আলহি হব লাগিব। আহক আমি আটায়ে দেশৰ পৰা সেই কাকতি ফৰিং বিলাক আতৰাই দিওঁ। "আহ ঐ .... .... আহ। — ওলাই আহ। খেদ ঐ খেদ! বিদেশী খেদ।" ইত্যাদি। ডেকাহঁতৰ আহ্বান শুনি ঘৰৰ ভিতৰত কোনো থাকিব নোৱাৰা হল। সকলো ওলাই আহিল ৰাস্তা লৈ, দেশৰ পৰা বিদেশী খেদিবলৈ। কিন্তু বদন? বদন দুৱাৰ বাহিৰ নহ'ল। জাতি, ধৰ্ম, ভাষা, নিৰ্ব্বিশেষে সকলো ওলাই আহিল ৰাস্তালৈ, আৰু আটায়ে সংকল্প ললে "অসম মৰিলে আমিওঁ মৰিম, অসম তৰিলে আমিও তৰিম। মৰিলে—স্বৰ্গ, তৰিলে দেশ। .... .... .... ইত্যাদি। সেই দিনাৰে পৰা মোৰ মনতো উচ-পিচ কৰিবলৈ ধৰিলে। নেতা সকলৰ পুণৰ আহ্বান শুনি ঘৰত থাকিব নোৱাৰিলো আৰু ৰাস্তালৈ ওলাই আহিলো। মোক দেখি এজন ছাত্ৰ নেতাই লৈ গৈ হাতত এখন ডাঙৰ পতাকা তুলি দিলে। ময়ো হাঁহিমুখে পতাকাখন ওপৰলৈ তুলি ললো?

# ফিউদৰ দষ্টয়েভিস্কি- জীৱন আৰু কৰ্ম আলেখ্য

সুৰেণ দাস মহাবিদ্যালয়, হাজো।
মঃ ৰফিকুল ইছলাম।
উচ্চতৰ মাধ্যমিক বিদ্যালয়।

কোনোবা সাহিত্য প্ৰেমীয়ে দষ্টয়েভিস্কিৰ নাম শুনা নাই বুলিলে, কোনোবা ৰসগ্ৰাহী পাঠকে crime and puuishment বা brothers karamazov পঢ়া নাই বুলিলে কাৰো বিশ্বাস নহয়, হ'ব নোৱাৰে। আমিও বিশ্বাস নকৰো। গতিকে ৰসগ্ৰাহী পাঠকক ফিউদৰ দষ্টয়েভিস্কিৰ লগত চিনাক্ত কৰি দিয়া আমাৰ উদ্দেশ্য নহয়। কোনো গৱেষকক এই বিষয়ত সহায় কৰাৰ কিঞ্চিতমানো দুঃসাহস আমাৰ নাই। তথাপি ব্যক্তিগত আকৰ্ষণক উলাই কৰা নচলে। আমাৰ পাঠক সেই সকলহে যিসকলে দষ্টয়েভিস্কিক ভালকৈ নাজানে, অথচ জনাৰ অত্যন্ত হেপাহ। নকলেওঁ হ'ব যে আমিওঁ সেইসকল পাঠকৰে শ্ৰেণীভূক্ত।

সকলো লেখকৰ সৃষ্টিতকৈ তেখেতৰ পাৰিপাৰ্শ্বিক পৰিবেশে উল্লেখনীয় ভাবে প্ৰভাৱান্বিত কৰে। দষ্টয়েভিস্কিকো কৰিছিল। আৰু সেই পৰিবেশ হ'ল উনৈশ শতিকাৰ দ্বিতীয় যুদ্ধৰ ৰুচদেশৰ সামগ্ৰিক পৰিবেশ। অন্ধকাৰ ছন্ন, দুৰ্গন্ধ। চাৰিওফালে দাসত্ব দৰিদ্ৰতা পোষণ, অপ্ৰীতি অসূয়াৰ শ্বাসৰোধী বাতাবৰণ। পৰিবৰ্ত্তনৰ নৱ প্ৰচেষ্টা আমূল পৰিবৰ্ত্তন। উক্ত পৰিবেশতেই শিল্প কলাই অক্লান্ত শ্ৰমেৰে সৃষ্টি কৰি গৈছিল মহৎ আৰু বিশ্ব বিশ্ৰুত গ্ৰন্থৰাজি।

যোল্ল বছৰ বয়সত মাতৃ আৰু ওঠৰ বছৰ বয়সত পিতৃ বিয়োগ (পিতাকক আততায়ীয়ে হত্যা কৰে) হোৱা লেখকজনৰ ব্যক্তিগত জীৱন আছিল ঘাত প্ৰতিঘাত পূৰ্ণ। ১৮৪৬ চনত সৈন্য বাহিনীৰ চাকৰি এৰি আৰম্ভ কৰে এক নতুন যাত্ৰা। প্ৰথম পদক্ষেপ poor folk 'গগল'ৰ লিখনিৰ প্ৰভাৱান্বিত উক্ত সৃষ্টিয়ে দষ্টয়েভিস্কিক সাফল্যৰ প্ৰথম ভাগত পদাৰ্পণ কৰোৱায়। তাৰ পিছত অবিৰত যাত্ৰা— The Double, The land lady (চুটি গল্প) Nyetochka-Nyezvanova। কিন্তু সাময়িক ভাবে হলেও গতি ব্যাহত হয় আ... পৰে কাৰাদণ্ড। দোষ ৰাজনৈতিক ভাবাদৰ্শ। সৰ্বশক্তিমান একচ্ছত্ৰী 'জাৰৰ' কোপদৃষ্টি। ইয়াৰ পিছত আহে ছাইবেৰিয়াত নিৰ্ব্বাসন। কিন্তু ছাইবেৰিয়া লেখকৰ নীৰৱ সহায়কহে হয় কিয়নো



siberia was a unique training school for a novelist.

নিৰ্ব্বাসন কাল শেষ হোৱাৰ তিনিবছৰ পিছতহে তেওঁক ৰাচিয়ালৈ আহিবলৈ অনুমতি দিয়া হয়। কিন্তু বন্দী জীৱনৰ শেষ নাই। এইবোৰ আজীৱন বন্দীত্ব দৰিদ্ৰতা আৰু ভগ্ন-স্বাস্থ্যৰ। এই সময় চোৱা আছিল লেখকজনৰ বাবে অতি দুৰ্যোগ পূৰ্ণ। প্ৰকাশকক দিবৰ কাৰণে পাণ্ডুলিপি কৰিব লগা হৈছিল। তথাপি ধাৰ বাঢ়িহে গৈছিল। কিন্তু কলম থমকি ৰোৱা নাছিল। সৃষ্টি হৈছিল তেওঁৰ প্ৰথম পূৰ্ণ দৈৰ্ঘ উপন্যাস। The house of the dead আৰু The insulted and Injurde.

দুৰ্দশাৰ অন্ত নাই। ইতিমধ্যে ৪৫ বছৰ অতিক্ৰম কৰা ধুমুহা বিধ্বস্ত এটা জীৱন। এইবাৰ প্ৰথম পৰিবাৰৰ মৃত্যু (ছাইবেৰিয়াৰ পৰা ৰুছিয়ালৈ অলপ আগতে তেওঁ বিবাহ পাশত আৱদ্ধ হৈছিল) ঠিক এনে সময়তে তেওঁৰ জীৱনলৈ নতুন প্ৰভাত কঢ়িয়াই আনে আন্না কাৰেনিনাই। ১৮ বছৰীয়া এগৰাকী যুৱতী আন্না কাৰেনিনা এটা নাম যিটো নাম সাঙোৰ নোখোৱাহেতেন হয়তো আজিৰ বিশ্ব বিশ্ৰুত দষ্টয়েভিস্কিৰ জন্ম নহলেইহেতেন। লিখকে কৈ যায় আৰু আন্নাই টাইপ ৰাইটৰ শ্ৰুতলিপি লিখি যায়। মাত্ৰ তিনি সপ্তাহতে শেষ কৰে। The gonlcler নতুন যুগৰ।

ফিউদৰ দষ্টয়েভিস্কি— জীৱন আৰু কৰ্ম আলেখ্য। সূচনা হয় আৰু আন্নাৰ লগত হোৱা বিবাহে ইয়াক আৰু নতুন ৰূপ দিয়ে। বিবাহিত জীৱনৰ ১৪টা বছৰ এটা সোণালী যুগ যাৰ ফলশ্ৰুতি Crime and punishment, The idiot the possesed আৰু Brothers karamazov.

দষ্টয়েভিস্কিৰ ৬০ বছৰীয়া জীৱনটো অন্ত হয় ১৮৮১ চনত। কিন্তু ইতিমধ্যেই বিশ্ব সাহিত্যৰ বহল ক্ষেত্ৰত তেওঁ অমৰ হৈ ৰৈ গ'ল।

দষ্টয়েভিস্কিৰ প্ৰত্যেক সৃষ্টিয়ে আছিল একো একোদৰ্শন। জীৱন দৰ্শন। crime and punisment ত হত্যাকাৰীৰ বিবেক দৰ্শন। সেয়া হ'ল শাস্তি - হত্যাৰ উপযুক্ত শাস্তি। the idiot ত কণ্টকাৰীৰ্ণ বাস্তৱতাৰ ওচৰত মানৱতা ত্যাগ, সাধুতা অৰ্থহীন হৈ পৰিছে। নৈতিকৰ তুলাচনীয়ে জুখি পশ্চিমীয়া চিন্তাধাৰাক প্ৰত্যাহ্বান জনোৱা হৈছে। the possesed বিপ্লৱৰ ভয়াবহতাৰ শৈল্পিক চিত্ৰন। ইয়াত বিপ্লৱৰ ধ্বংশমুখীতা আৰু চৰকাৰী বিষয়াৰ মূৰ্খামি, অজ্ঞতা আৰু নতুন ভাবধাৰাৰ প্ৰতি বৈৰাগ্য আদিৰ সুক্ষ্ম দৃষ্টিৰে বিশ্লেষণ কৰি তাৰ মাজত সৰ্ব্বসাধাৰণ কেনেকৈ ধ্বংসস্তূপত পৰিণত হয় তাৰ এটা কলা সুলভ বৰ্ণনা দিয়া হৈছে। সৰ্ব্বশেষ Brother karamazov সৰ্বোৎকৃষ্ট সৃষ্টি। মানৱ চৰিত্ৰৰ বিচিত্ৰ চিত্ৰন। মূল বক্তব্য একেশাৰীত কবলৈ হ'লে— "The useful thing is that beauty is mysterious as well as terrible God and Devil are brighting there and the battlefield is the beart of man.

The GRAND INQUISITOR

নামৰ অধ্যায়টোত খুব সম্ভৱ এইটোৱে কিতাপ-খনৰ আটাইতকৈ প্ৰখ্যাত অধ্যায়। Ghrift ক পৃথিৱীলৈ নমাই অনা হৈছে। কিছু কিছু ধৰ্মীয় দৃষ্টিভঙ্গীক প্ৰত্যাহ জনোৱা হৈছে। প্ৰশ্ন সোধা হৈছে can man live by, christ's teachings …… why much man choose between freedom and bread? ইয়াত ঈশ্বৰক অশ্বীকাৰ কৰা হৈছে। অৱশ্যে কোনো কোনো অধ্যায়ত ঈশ্বৰক প্ৰাধান্যও দিয়া হৈছে। লিখকৰ কৃতিত্ব ইয়াতেই যে সমগ্ৰ কাহিনীটোত পাঠকৰ বাবে karamazov পৰিয়াল একে প্ৰৱল আতংক, কাৰণ প্ৰত্যেক চৰিত্ৰই যেন পাঠকৰ অন্তৰৰ নগ্ন ভাৱে উদঙাই দিছে।

দষ্টয়েভিস্কিৰ সমগ্ৰ সৃষ্টিয়ে চাৰিটা R ৰ সমাহৰ X Revelation of Man's secret heart, Revolution, Russia আৰু Religion.

দষ্টয়েভিস্কিৰ মনস্তাত্বিক বিশ্লেষণ অতি সাংঘাতিক। ফ্ৰয়দীয় মনস্তত্ব বিশেষকৈ অৱচেতন মনৰ গৱেষণাত দষ্টয়েভিস্কিৰ চিন্তাধাৰাৰ প্ৰভাৱ সুস্পষ্ট বিশেষকৈ Death Instinet আৰু Beyand the pleasure principle ত এই প্ৰভাৱ অনস্বীকাৰ্য্য।

আধুনিক মনস্তত্ব বিজ্ঞানৰ জগততো দষ্টয়েভিস্কিৰ আলোকপাত উল্লেখনীয়। প্ৰায়বিলাক চৰিত্ৰতে 'দ্বৈত সত্বা' (split personality) ৰ স্পষ্ট মুদ্ৰণ। একেটা চৰিত্ৰকে একে সময়তে শুভ আৰু অশুভ দুই ভিন্ন চিন্তাধাৰাই ক্ৰিয়া কৰিছে।

দ্বিতীয় R-Revolution তেওঁৰ সকলো গ্ৰন্থতে বিস্তৃত। বিপ্লৱৰ ভৱিষ্যত বাণী আৰু ফলশ্ৰুতি সকলো কাহিনীৰ অন্তৰ্গত।

তৃতীয় R=Russia। তেওঁৰ সমগ্ৰ সত্বাকে আবুৰি আছে Russia ই। তেওঁৰ কাৰণেই কচদেশ সৰ্বাংগ সুন্দৰ। In his eyes the soul of *R*ussian peasant was beautiful and the soil of Russia wattereb by the tears of those who suffered would spring the flower of a new world. এয়া আছিল দষ্টয়েভিস্কিৰ দেশপ্ৰেম যাৰ পৰিসীম নাছিল।

ফিউদৰ দষ্টয়েভিস্কি: জীৱন আৰু ক… আলেখ্য। চতুৰ্থ *R* *R*eligion। তেওঁ নিঃসন্দেহে সকলো মহৎ উপন্যাসিকতকৈ বেছি ধাৰ্মিক আছিল। কিন্তু বিশ্বাস নকৰিছিল christ lives in the arthodox church alone"। সেয়ে কৈছে নৰক হৈছে প্ৰেমৰ আকোৱালি ল'ব নোৱাৰাৰ অক্ষমতাৰ শাস্তি।

দষ্টয়েভিস্কিৰ উপন্যাসৰ কলাগত দুৰ্বলতা নথকা নহয়। কিন্তু উপন্যাসিক হিচাপে তেওঁক সুউচ্চ স্থান দিবই লাগিব, এই কাৰণে যে তেওঁৰ সৃষ্টিৰ ভাৱাদৰ্শই মানৱ সমাজৰ দৃষ্টিভঙ্গীক বৈপ্লৱিকতাৰে ঢোৱাই গ'ল। তেওঁৰ লিখনিয়ে উদঙাই যোৱা ক্ষত-বিক্ষত আম…



অন্তৰবোৰক জানো কেতিয়াবা অস্বীকাৰ কৰিব পাৰিব?

শেষত, The Das to yeusky heart is Universal. And the people that he game live to a century ago are living today and will live on for centuries to came their blood centuries to came. Their blood is warm, red and their hearts beat on.

+



* প্ৰবন্ধ *

# কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা

শ্ৰীৰুণু ডেকা
বি. এ, ১ ম বাৰ্ষিক

জীৱনৰ আৰু জগতৰ অনু-পৰমানুৰ মাজেদি উদ্‌ভাসিত 'ব্ৰহ্মৰূপী সনাতন' নাইবা 'চৈতন্য সনাতন'ৰ ব্যাপক আৰু গভীৰ অধ্যয়ন আৰু সাধনাই হ'ল পৃথিৱীৰ যুগ স্ৰষ্টা মহাপুৰুষ সকলৰ আজীৱন ব্ৰত। জীৱনৰ হাজাৰ বাধা বিঘিনি, ধুমুহা-ঢেৰেকনিয়ে তেওঁলোকক এই পৰম সাধনাৰ লক্ষ্যপথৰ পৰা বিচলিত কৰিব নোৱাৰে। আনহাতে এই 'ব্ৰহ্ম' নাইবা চৈতন্য'ৰ অনন্ত ৰহস্য উদ্‌ঘাটন কৰ্মত ব্ৰতী সকলেই প্ৰকৃতাৰ্থত শিল্পী। সকলো শিল্পী কৰ্মই মূলতঃ সত্য-শিৱ সুন্দৰৰ আৰধনা। এই আৰধনাৰ পবিত্ৰ ভুমি হ'ল— 'জনতা' বা 'নৰনাৰায়ণৰ হৃদয়'। ভেড়া ৰখীয়াৰ মাজত যীশু খ্ৰীষ্টই গৰখীয়াৰ মাজত শ্ৰীকৃষ্ণই আৰম্ভ কৰা জীৱন হ'ল জনতাৰ সেৱাৰ অৰ্থে জনতাৰ লগত বিলিন হোৱাৰ পৰম প্ৰস্তুতি। যুগ স্ৰষ্টা ঐশ্বৰিক পুৰুষ সকলে ব্ৰহ্মচিন্তা আৰু সাধনাৰ ব্ৰতত সফল কাম হৈ জনতাৰ হৃদয়ত 'ঈশ্বৰৰ পুত্ৰ' 'ঈশ্বৰৰ পূৰ্ণ অৱতাৰ' আদি আখ্যাৰে স্বীকৃতি লভিবলৈ সমৰ্থ হয়। সমস্ত ধৰ্মীয় অনুশাসনৰ বিভিন্নতাৰ উৰ্দ্ধত শিল্পী প্ৰতিভাৰ সম্যক বিচাৰ কৰি চালে দেখা যায় সকলো শিল্পীয়ে স্থান কালৰ সীমাৰেখাৰ অতীত সত্য-শিৱ-সুন্দৰৰ সাধনাত ব্ৰতী হৈ নিজৰ অজ্ঞাতেই চিৰসুন্দৰৰ চিৰ মংলময় সৃষ্টি কৰ্ত্তাৰ মন্দিৰত প্ৰৱেশ কৰে গৈ। সেয়েহে শিল্পীৰ পৃথিৱীৰ সাধকে 'প্ৰথমে প্ৰণামো ব্ৰহ্মৰূপী সনাতন' (শ্ৰীশঙ্কৰদেৱ), 'মোৰে জীৱনৰে সখা কৃষ্ণ' (জ্যোতিপ্ৰসাদ) 'কীৰ্ত্তন-দশম-নামঘোষা হওক আমাৰ শৌৰ্য্য' (বিষ্ণুৰাভা)' আদি মহান বানীৰে চিৰ সুন্দৰক আকোৱালি লবলৈ পৰম প্ৰয়াস কৰে! সেয়ে শিল্পীৰ পৃথিৱীত বিষ্ণুপ্ৰসাদ ৰাভা এজন যুগজয়ী মহান শিল্পী।

১৯০৯ চনত ঢাকাত তেওঁৰ জন্ম হয়। দেউতাকৰ নাম আছিল চৰ্দাৰ বাহাদুৰ গোপাল চন্দ্ৰ ৰাভা। ঢাকাত যদিও বিষ্ণুৰাভাৰ জন্ম হয়; তেওঁলোকৰ আচল ঘৰ আছিল তেজপুৰত। গতিকে ঢাকাত ডাঙৰ দীঘল হয় আৰু শিক্ষা আৰম্ভ কৰে। তাত তেওঁ সাত বছৰ বয়সলৈকে শিশু জীৱন যাপন কৰে। তাৰ পিছত তেওঁ পুনৰ তেজপুৰলৈ উভতি আহে। তেজপুৰত চৰকাৰী উচ্চ বিদ্যালয়ৰ পৰা প্ৰৱেশিকা পৰীক্ষাত ১৯২৫ চনত সুখ্যাতিৰে উৰ্ত্তীৰ্ণ হয়।

প্ৰৱেশিকা পৰীক্ষাত তেওঁ দৰং জিলাৰ ভিতৰত সৰ্ব্বোচ্চ স্থান অধিকাৰ কৰে আৰু "কুইন এম্প্ৰেছ" পদক লাভ কৰে। তাৰ পাছত কলিকতাৰ চেণ্টপাম কলেজৰ পৰা আই. এছ. চি পাচ কৰে ১৯২৮। ১৯২৮ চনত কলিকতাৰ ৰিপন কলেজত পদাৰ্থ বিজ্ঞানত অনাৰ্চলৈ বি, এছ, চি ত নাম লগায়। ৰাজনৈতিক কাৰণত ৰিপন কলেজৰ পৰা আহি কোচ বিহাৰৰ ভিক্তোৰিয়া কলেজত বি. এছ, ছি চতুৰ্থ বাৰ্ষিকত নাম লগায় আৰু বাছনি পৰীক্ষাত পদাৰ্থ বিজ্ঞানত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান অধিকাৰ কৰে। ইতিমধ্যে লণ্ডনৰ ৰয়েল একাডমীত পঢ়িবলৈ চৰকাৰী মনোনয়ন পায়ঃ কিন্তু পিতাকৰ হঠাৎ মৃত্যু হোৱাত লণ্ডন যাত্ৰা বন্ধ হয়। তাৰ পিছত আকৌ ভিক্তোৰিয়া কলেজত ইংৰাজীত অনাৰ্চ লৈ প্ৰথম শ্ৰেণীৰ নম্বৰ পাই প্ৰথম স্থান লাভ কৰে। উল্লেখযোগ্য যে শেক্সপীয়েৰৰ উত্তৰ কাকতত মিৰাণ্ডা সম্পৰ্কে লিখা তেওঁৰ প্ৰশ্নোত্তৰে পৰীক্ষক মুগ্ধ কৰে। আৰু সেই কাকতত সৰ্ব্বোচ্চ নম্বৰ পায়। ইতিমধ্যে এনাৰ্কিষ্ট আন্দোলনত জোৱাৰত বিষ্ণুৰাভাক যুক্ত। থকা বুলি বৃটিছ চৰকাৰে কোচবিহাৰৰ পৰা তেওঁক বহিস্কাৰ কৰে। ৰাভাৰ আৰু বি, এ, ফাইনেল দিয়া নহল। উল্লেখযোগ্য যে এই আন্দোলনৰ সহায়তে ৰাভাই কলেজত জাতীয় পতাকা উত্তোলন কৰে আৰু বগা ছালৰ কলা তোষামোদকাৰীক তীব্ৰ গৰিহনা কৰি,

ৰাজ্যে আছে দুইটি পাঠা
একটি কালো একটি সাদা
ৰাজ্যেৰ যদি মংগল চাও
দুইটি পাঠাই বলি দাওঁ।

বুলি কবিতাৰ পোষ্টাৰ মাৰে আৰু ই ছাত্ৰ সমাজত বিৰাট আলোড়নৰ সৃষ্টি কৰে। কলেজৰ পৰা বহিস্কাৰ হোৱাৰ প্ৰধান কাৰণ এইটোৱে আছিল। ছাত্ৰ অৱস্থাত তেওঁ অতি চোকা বুদ্ধিৰ লৰা আছিল। কলেজীয়া জীৱনত ৰাভা আছিল এজন সুন্দৰ খেলুৱৈ, নাট্যকাৰ, গীতিকাৰ আৰু এজন সুন্দৰ সাহিত্যিক।

কোচ বিহাৰত থকাৰে পৰা তেওঁ স্বদেশী আন্দোলনত আকৃষ্ট হৈ পৰে আৰু ক্ৰমে তেওঁ তাত ছাত্ৰ আন্দোলনৰ নেতা হৈ পৰে।

মাৰ্ক্সবাদ লেলিমবাদত বিষ্ণু ৰাভাই দীক্ষা লৈছিল। ৰাভাৰ মাৰ্ক্সবাদ গ্ৰহণ অসমৰ সাম্য-বাদী আন্দোলনৰ এটা ডাঙৰ চিন। বিষ্ণু ৰাভাৰ গাত অসমৰ কেঁচা মাটিৰ কেঁচা গোন্ধ পোৱা গৈছিল। অসমৰ সেউজীয়া বং জিলিকি উঠিছিল ৰাভাদেউৰ গাত।

১৯৩৬ চনত বিষ্ণু ৰাভাই বামপন্থী ৰাজনৈতিক আন্দোলনত প্ৰথম পৰিচয় ঘটে বিপ্লৱী কমিউনিষ্ট পাৰ্টিৰ নেতৃত্বত হোৱা সেই সময়ৰ বেলতলাৰ কৃষক আন্দোলনৰ সন্ধিধ্যলৈ আহি। ১৯৪৮ ৰ পৰা ৫১ চনলৈ এই চাৰি বছৰ কাল অসম চৰকাৰ এজন পলাতক লৈ ঘোষিত হয়। গাঁৱে গাঁৱে ৰাভাৰ সন্ধান পোৱাৰ আশাত নিৰ্ম্মম নিষ্ঠুৰ ভাৱে উৎপীড়ন চলালে চৰকাৰে। পুলিচৰ সভাত জনতাৰ সশস্ত্ৰ সংগ্ৰামৰ গল্প মুখে মুখে কিংবদন্তি ৰূপে পৰিচিত। তাৰ ভিতৰত সকলোতকৈ ডাঙৰ কিংবদন্তি হ'ল বিষ্ণুপ্ৰসাদ ৰাভা। সেই সময়ত বিষ্ণু ৰাভা আছিল বহুতৰ বাবে। [illegible] বাবে ৰাজদ্ৰোহী অপৰাধী [illegible] বছৰৰ গৰীব খেতিয়কৰ ঘৰে [illegible] আত্মগোপন

কৰি থাকিও অৱশেষত সাধাৰণ অসতৰ্কতাৰ কাৰণে ১৯৫২ চনত চৰকাৰৰ হাতত ধৰা পৰে। এই চাৰি বছৰে ৰাভাই খোৱাঙৰ গাওঁবোৰত সাধাৰণ ব্যক্তিৰ দৰে নিজকে মিলাই চৰকাৰৰ চকুত ধুলি মাৰি চলি আছিল। ৰাভা ধৰা পৰাৰ পিছৰ পৰাহে চৰকাৰী মহলত অলপ শান্তি আহিল। কিন্তু আচৰিত কথা হ'ল পুলিচৰ ভৰ্‌ৰালত সিমানবোৰ হাত কেড়েয়া আছিল কোনোপাতেই ৰাভাৰ হাতত খাপ নাখায়। ইমান শকত আছিল ৰাভাৰ হাত। ককালত বান্ধিহে পুলিচ বাহিনীয়ে শান্তি পালে।

সময় বাগৰেঃ বুৰঞ্জীয়ে গতি সলনি কৰে। বিপ্লৱী শিল্পী বিষ্ণু প্ৰসাদ ৰাভা হ'ল মুক্ত। শিল্পী জনাৰ মুক্তি হোৱা বুলি শুনি খোৱাঙৰ ৰাইজ আনন্দত মতলীয়া হ'ল। খোৱাঙৰ ৰাইজে শিল্পী জনাৰ সম্বৰ্দ্ধনাৰ্থে এখনি সভাৰ আয়োজন কৰিলে। সভাত ৰাভাই নিজৰ মনৰ কথা জনাবলৈ ইচ্ছা কৰি মঞ্চত উঠিল। মঞ্চত উঠাৰ লগে লগে ৰাইজে অনুৰোধ কৰিলে গান গাব লাগে। কিন্তু ৰাভাই মুখত এমো-কোৰা হাঁহিৰে কবলৈ ধৰিলে, তেওঁ কেনেকৈ ৰাইজৰ মাজত নিজকে চৰকাৰৰ দৃষ্টিৰ পৰা আতৰাই ৰাখিছিল। চৰকাৰে তেওঁক ধৰিবলৈ কৰা বহুতো চেষ্টাৰ বিষয়ে কৈ শেষত কৈছিল: অতদিনে ৰাইজৰ মৰম-চেনেহৰ অটল গহ্বৰত ডুবগৈ আছিলো, চৰকাৰে মাছৰোকা চৰাই মাছ যপিয়াই ধৰাৰ দৰে মোক যপিয়াব খুজি হাঁহিয়াতৰ পাত্ৰ হৈছিল।

১৯৫৩ চনত বিপ্লৱী ৰাভাৰ মনৰ গতি সলনি হয়। জেলৰ পৰা ওলাই আহি ৰাভাই কোনো এটা পাৰ্টিৰ সদস্য হবলৈ মন কৰিলে আৰু বাছি ললে বিপ্লৱী কমিউনিষ্ট পাৰ্টি। পিছত এই পাৰ্টিত থাকি ৰাজনৈতিক জীৱন ভালকৈয়ে যাপন কৰিবলৈ লয়।

১৯৬২ চনত যেতিয়া চীন-ভাৰতৰ সংঘৰ্ষ লাগিছিল, তেতিয়া এই সংঘৰ্ষত বিষ্ণু ৰাভা জৰিত থকা বুলি সন্দেহ কৰি তেওঁক চৰকাৰে বন্দী কৰে। এই সংঘৰ্ষতো চৰকাৰৰ পুলিচে ৰাভাক প্ৰকাশ্য ৰাজপথৰ মাজেদি জৰীৰে ককালত বান্ধি তেজপুৰৰ বৰহমপুৰ জেললৈ যায়; আৰু বৰহমপুৰ জেললৈ নি তেওঁক বন্দী কৰি ৰাখে। এনেকুৱা পৰিবেশৰ মাজতো ৰাভা দুখিত হোৱা নাছিল। আনকি নিজৰ সংসাৰৰ প্ৰতিও তেওঁৰ মায়া মোহ নাছিল। জেলত থাকিয়ে তেওঁ এখন একাংকিকা নাট, কেইটিমান গান আৰু ৰবীন্দ্ৰ নাথৰ এটি প্ৰতিকৃতি অংকন কাৰীয়ে শিল্পী মনৰ পৰিচয় ফুটাই তুলিছিল। জেলত থাকিয়ে ১৯৬০ চনতে যুগুত কৰা "প্ৰাগজ্যোতি কলা পৰিষদ" আচনিৰ কথা সোঁৱৰাই ৰাভাই নিজৰ মনৰ কথা ব্যক্ত কৰি মুখ্য মন্ত্ৰীলৈ এই দৰে লিখিছিল—

"In stead of our programme of the tours in different eities in India and abroad. I have to try like a jail brid from one jail to another -- any how donot look heart after my release I shall be busy for the fulfilment of our plan."

আৰু শেষত ১৯৬৩ চনৰ ২৪ আগষ্টৰ দিনা চৰকাৰে তেওঁক বৰহমপুৰ জেলৰ পৰা এৰি দিয়ে।

ৰাভাই চেষ্টা কৰিছিল সদায় লুইতপৰী তথা সকলো শিল্পীকে শিল্পী হিচাবে জীয়াই ৰাখিবলৈ। যদিও ইয়াৰ বাবেই সহিব লাগিছিল অনেক দুখ-দুৰ্গতি আৰু যাৰ বাবে যাব লাগিছিল জেললৈ। নিজৰ কেচুৱা লৰা ছোৱালী এৰি তেওঁ পলাই ফুৰিব লাগিছিল। তেতিয়াও বুজিব পৰা নাছিল অসম চৰকাৰে, বুজিব পৰা নাছিল শিল্পী মনৰ বিদ্ৰোহী ৰাভাৰ মন ভাৰত চৰকাৰে। বৰলুইতৰ বুকুত এনে চাপৰি নাই যত বিষ্ণু ৰাভাৰ পৰশ পৰা নাই। লুইতপৰীয়া এনে এখন গাওঁ নাই যলৈ বিষ্ণু ৰাভা যোৱা নাই। শদিয়াৰ পৰা ধুবুৰীলৈ অসমীয়া ৰাইজৰ নামঘৰ মঠ-মন্দিৰ, ভোজঘৰ, বিয়াঘৰ সকলোতে বিষ্ণু ৰাভাই নিজকে মিলাই আৰু বিলাই দিছিল। ৰাজদ্ৰোহী বিষ্ণু প্ৰসাদে আত্মগোপন কৰি থকা সময়টোৰেই তেওঁৰ শিল্পী সাধনাৰ বাবে চৰম উপলব্ধিৰ সময়। প্ৰায় আজীৱকাল পলাতক হিচাবে অতিবাহিত কৰা বিষ্ণু ৰাভাই তেওঁৰ শিল্পী জীৱনৰ আদৰ্শ গুৰু হিচাবে নিৰ্ব্বাচন কৰি লৈছিল— 'সুন্দৰ' 'ডেকাগিৰি' শ্ৰীশঙ্কৰ দেৱক। তেওঁৰ উপলব্ধিৰ শিক্ষা আছিল চিৰ প্ৰৱাহিত বৰলুইত বদি বিশাল ঐতিহ্য মণ্ডিত অসমীয়া সংস্কৃতিৰ আকাশী গংগা : তাক মৰ্ত্তলৈ নমাই আনি প্ৰতিষ্ঠা কৰোতা জন হল— শ্ৰীশঙ্কৰদেৱ। অসমীয়া সংস্কৃতিৰ দুষ্কৃতিৰ কৰাল গ্ৰাসৰ পৰা মুক্ত কৰিবলৈ হলে, এখনি নিকা সমাজবাদী সমাজ প্ৰতিষ্ঠা কৰিবলৈ হলে, সংস্কৃতি ৰক্ষাৰ ৰণত জয়ৰ পতাকা উৰুৱাবলৈ হলে, গুৰু গুৰীয়াল হিচাপে শ্ৰীশঙ্কৰদেৱক যে গ্ৰহন কৰিবই লাগিব— এই সত্যটি বিষ্ণু ৰাভাই মৰ্মে মৰ্মে উপলব্ধি কৰিছিল। বিষ্ণু ৰাভাৰ এই উপ-লব্ধি সুৰ হৈ নিগৰি ওলাই অসমৰ আকাশে বতাহে মুখৰিত হৈছিল : ডেকা দলক "আগবাঢ়ি যাও বল" বুলি আহ্বান জনাইছিল :

দুৰ্গম নদ পাহাৰ গিৰি
লংঘিছিলে ডেকা গিৰি
সুন্দৰ শঙ্কৰে ল'ৰি কৰিছিল তল
দেখুৱাইছিল জগত জুৰি অসীম বাহুৰ বল
.... .... .... ... ... ....
.... .... .... .... .... ...
.... .... .... .... .... ....

কীৰ্ত্তন দশম নামঘোষা হওঁক আমাৰ শৌৰ্য্য
নাট গীত নাম বৰগীত হওঁক ৰণৰ তুৰ্য্য
আই তেওঁৰ এই অসমৰ হওক অসীম বীৰ্য্য
অসমীয়া ! সমনীয়া ! আগবাঢ়ি যাও বল
অ' আগবাঢ়ি যাও বল ... .... ।

সংস্কৃতিৰ এই মহাৰনত পৈশাচিক ৰন হুংকাৰ নাই, বন্দুক বাৰুদৰ কাণ তাল মৰা "আৱাজ" নাই, মৰাক মাৰিবৰ কটাক কাটিবৰ সংকল্প নাই, আছে নামৰ বৰগীতৰ অসুৰ বিনাশী সুৰ, কীৰ্ত্তন দশম নামঘোষাৰ পদ পয়াৰৰ অন্তৰালত থকা গভীৰ আধ্যাত্ম দৰ্শকৰ মানৱতাৱাদী প্ৰেম আৰু সকলো প্ৰয়োজনৰ কল্পতৰু হিচাবে এখন নিকা সমাজবাদী সমাজ গঢ়াৰ বাস্তৱ পৰিকল্পনা।

বোলছবিৰ ফালৰ পৰাও ৰাভা আছিল এজন উৎসাহী কৰ্মী। নাট আৰু বোলছবিৰ ফালৰ পৰা তেওঁক সহায় কৰিছিল আমাৰ

# পঙ্গু

শ্ৰীপ্ৰবীন চন্দ্ৰ মেধি
উচ্চতৰ মাধ্যমিক প্ৰথম বাৰ্ষিক (কলা)

জগত তেতিয়া নৈশ নিদ্ৰাত লাল কাল। চাৰিওফালে নিৰাৱিল নিস্তব্ধতা বিৰাজ কৰিছে। পূৰ্ণিমাৰ পূৰ্ণমাক আৱৰি থকা পুঞ্জীভুত কলা মেঘ চপৰা নাইকিয়া হৈ গ'ল। লগে লগে জোনৰ স্নিগ্ধ জ্যোৎস্নাই নিদ্ৰামগ্ন পৃথিৱীখনক ৰূপালীম কিৰণেৰে আলোকিত কৰি তুলিছে। ডাক্তৰৰ অক্লান্ত পৰিশ্ৰম, সুণীল আৰু বিয়াজৰ কৰুণ প্ৰাৰ্থনাই সুফল ধৰিলে। ইযাতে অৰুণে "অলপ পানী" বুলি তৃষ্ণাই কণ্ঠে কৈ উঠিল। নাৰ্চ জনীয়ে দৌৰি গৈ গ্লুকজৰ বাত্তিটো আনি এচামুচ পানী খুৱাই দিলে। সকলোৰে মনত আনন্দৰ ক্ষীন আভাষ জিলিকি উঠিল।

লাহেকৈ লাইত জ্বলি থকা ৰুমটোত অৰুণে এবাৰ চকু দুটা ঘূৰালে। অলপ দূৰত্তে নাৰ্চ এজনীয়ে কাৰোবাক কিবা খুৱাব ধৰা অৰুণৰ চকুত পৰিল। তাৰ ঠিক পশ্চিমফালে কেইজন মান ৰোগীয়ে যন্ত্ৰনাত চটফটাই থকা সি দেখিলে। চাৰিফালে একে শোকাকুল পৰিবেশ। সি সপোন দেখিলে নেকি? ... হৈছিল কি? একো বেমাৰ হোৱাও দখোন ... নপৰে। মনতে সি প্ৰশ্ন কৰিলে। পিছত ... পাৰিলে যে সেই খন মেডিকেল। তেতে... ইয়াত কিয়? অলেখ প্ৰশ্নই তাক জুমুৰি ধৰি...

তাৰ অজ্ঞাততে তাৰ হাতখন গৈ ... উঠিল। কিন্তু তাৰ মনটো আচন্দ্ৰাই ... দিলে। তাৰ মুৰত এয়। বেণ্ডেজ ... কিবা সুধিম বুলি সি ডাক্তৰৰ ফালে ... ভৰি দুখন কোচাব যত্ন কৰিলে। কিন্তু ... যত্ন ব্যৰ্থ হ'ল। ভৰিত যে কি এক অস... যন্ত্ৰণা, তাক সি একো বুজি নাপালে।

এমাহ পাৰ হ'ল। ডাক্তৰৰ অক্লান্ত পৰি... আৰু সুনীল বিয়াজৰ বান্ধৱ সুলভ ... শুশ্ৰুষাত অৰুণ কিছু সুস্থ হৈছে। যদিও বৰ... সি ডাক্তৰৰ তত্ত্বাবধানতে আছে। ঔষধবোৰে যদিও তাক সুস্থ কৰিলে তথাপি... এখন সি হেৰালে চিৰদিনলৈ।



বিচনাত বাগৰি বাগৰি আমনি লগাত সি বৰ অশ্বস্তিবোধ কৰিলে। বাহিৰৰ বাৰাণ্ডাত পাৰি থোৱা চকীখনত বহি অৰুণে আকাশৰ ফালে এবাৰ চালে। এজাক ৰাজহাঁহ অৰ্ধ চন্দ্ৰাবৃত্তিৰে ওপৰেৰে উৰি গৈছে কোনোবা অজান সৰোবৰ উদ্দ্যেশি সমুখৰ ৰাষ্টাটোৰে এজাক গাভৰু ছোৱালী পাৰ হৈ গৈছে। সিহতৰ প্ৰত্যেকেই যেন ৰং আৰু তুলিকাৰে সপোন আৰু কল্পনা ৰাজ্য এখনত আপোন লয়লাস ভঙ্গীৰে নাচিফুৰা একোটি চিত্ৰ বিচিত্ৰ পখিলা। আৰু সি!

মেঘাচ্ছন্ন দিগন্তৰ ক্লান্ত পৃথিৱী। বিমলিন আকাশৰ মৃদু বেথাৰে সমীৰৰ অৱশ নাচোন। প্ৰলুব্ধা হৰিণীৰ দৰে নিশ্চল এন্ধাৰ মিহলি ক্ষীন পোহৰৰ ভাষা। তাতকৈ নিশ্চল আজি আধুনিক সমাজত উচ্চ শিখৰত প্ৰতিষ্ঠিত অৰুণৰ ৰঙীন পৃথিৱী অবুজ বেদনাৰ হেজাৰ হেজাৰ জোৱাৰেৰে। এই পৃথিৱীৰ বেদনাই তাৰ দুচকুত নিল্লৰ্জ্জ বিহ্বলতাৰ ছৱি আকি দিছে নিৰ্ব্বিবাদে। সি বাধা দিব পৰা নাই তথাপি চকুলো সৰি পৰা নাই। মনে তাৰ কান্দিছে তথাপি পৃথিৱীয়ে জনা নাই। কিন্তু তাৰ জীৱনৰ উদ্দেশ্য বা কি? তাৰ আশাৰ সাগৰত নিৰাশাৰ বালিচৰ পৰিছে। কেনেকৈ যাব, তাৰ গন্তব্য পথত; কেনেকৈ আগবাঢ়ি যাব সমুখৰ শিলা সদৃশ প্ৰাচীৰখন ভেদ কৰি? হেজাৰ প্ৰশ্নই তাৰ মনত খুদুৱনী লগাই মোকা বা মোৰ সৃষ্টি কৰিছে। এদিন তাৰ নাছিল কি? তাৰ জীৱনতো দেখোন সেইদিনা আনন্দৰ মন্দাকিনী কৈছিল, কিন্তু কিয় আজি তাৰ এই দূৰ্দ্দশা?

স্নাতকৰ দ্বিতীয় বৰ্ষৰ ছাত্ৰ অৰুণে ভৱিষ্যৎ জীৱনটোক গঢ় দিবলৈ সোমাই পৰে সি কলেজৰ পাঠ্য পুথিৰ মাজত। সেই শ্ৰেণীৰে সুনীলৰ লগত তাৰ বন্ধুত্ব অতি গাঢ় আছিল। এদিন অৰুণ সুনীলৰ ঘৰলৈ গ'ল। অৰুণ আৰু সুনীল দুয়ো সুনীলৰ Reading ৰুমত বহিল। সুনীলে ঘৰত ইতিমধ্যে চাহৰ অৰ্ডাৰ দিছে। কিছু সময় পিছত সুনীলৰ ভনী কিৰণময়ীয়ে এখন "ট্ৰে"ত চাহ দুকাপ দি তাই অলপ দুৰত থিয় হৈ থাকে। অৰুণে চাহ হাতত লৈ কিৰণৰ ফালে অপলকনেত্ৰে চাই থাকিল।

কিৰণ বৰ্ত্তমান নৱম মান শ্ৰেণীত পঢ়া এজনী ছাত্ৰী। বছৰে বাগৰ লয়, গছ লতিকাই নতুন পাত ধৰে। পৰিবৰ্ত্তনশীল জগত খনত সকলো পৰিবৰ্ত্তন হৈ আছে। বয়সৰ লগে লগে কিৰণে পূৰ্ণ যৌৱন লাভ কৰি এজনী ষোড়শী গাভৰু হৈ উঠিছে। কিৰণ নামত যেনে কিৰণময়ী ৰূপতো তেনে দীপ্তিময়ী, আৰু গুণতো তেনে আলোকময়ী। অৰুণে এবাৰ ভালদৰে লক্ষ্য কৰিলে তাইৰ শিথিল দেহাটো মোহনীয় অৱয়বটো তাইৰ ককাললৈ বৈ পৰা সুদীৰ্ঘ চুলিটাৰী, কাজলৰ ৰেখা দিয়া নীলা চঞ্চল হৰিণী সদৃশ চকুজুৰি। কিৰণৰ সেই মনোমহা ৰূপটোৱে ক্ষন্তেকৰ কাৰণে হলেও অৰুণৰ অন্তৰবীনত এটি অবুজ স্বৰৰ সুললিত লহৰ তুলিছে। সি তাইক সুধিলে—

:—তোমাৰ নামটো কি ভন্টি?

:—"কিৰণময়ী" লাজে লাজে তাই উত্তৰ দিলে।

:—এইবাৰ কোন শ্ৰেণীত পঢ়িছা? আকৌ সুধিলে।

: নৱম মান শ্ৰেণীত।

"চাহ খাওঁক মিঃ অৰুণ" সুনীলে কলে।

অৰুণে চাহ খাই মনতে কিবা ভাবি আছে। দেখিছে মিঃ সুনীল, " ১৯৭৯ চনৰ পৰা আৰম্ভ কৰি আজি ১৯৮৩ চনলৈ ভাৰত চৰকাৰে অসমৰ অসমীয়া হোজা সকলৰ ওপৰত কিমান নিৰ্মম আৰু পাশৱিক অত্যাচাৰ চলালে। চৰকাৰে কলে আলোচনাৰ জৰিয়তেহে এটা শুদ্ধ সমাধান ওলায়। কিন্তু আন্দোলনকাৰী সকলে বাইশ বাৰ দিল্লীলৈ গয়ো এটা সন্তোষ জনক সমাধান উলিয়াব পৰা নাই। ইয়াৰ কাৰণ কেন্দ্ৰীয় চৰকাৰৰ আকোৰ গোজ মনোভাৱ। আৰু চাওঁক প্ৰধান মন্ত্ৰীৰ policy. আলোচনা কৰিম বুলি মাতি নি কেনেকৈ মিত্ৰ ভাৱে শত্ৰুতা আচৰণ কৰিলে। দিল্লীৰ পৰা আন্দোলনকাৰী সকলে বিমান যোগে অসমলৈ উভতি আহোতে বেঁতাৰ যোগে কিবা কৈ কোকঝাৰ বিমান কোঠত সেই আৰক্ষীচকীৰ সামৰিক বাহিনীৰ হতুৱাই ৰাষ্ট্ৰীয় নিৰাপত্তা আইনত অসমৰ আন্দোলনকাৰী নেতাসকলক গেপ্তাৰ কৰিলে। তাৰ পিছত ছয় জানুৱাৰীৰ দিনা অসমৰ অবৈধ নিৰ্ব্বাচনৰ তাৰিখ ঘোষণা কৰিলে। দেশৰ পৰিস্থিতি কি হয়— তাক ভগৱানেহে জানে। এই বুলি অৰুণে কথা সামৰিব নোপাওতেই কিৰণে তামোল লৈ আহিল। তামোল খাই অৰুণ ঘৰলৈ উভতিল।

সচাকৈয়ে কিৰণৰ সেই " ৰোমাঞ্চকৰ " কমনীয় কান্তি"ত অৰুণ বিমোহিত হ'ল। অৰুণ ঘৰলৈ আহোতে নিশা আঠমান বাজিল। নিশা ভাত খাই সি শুইছে—, কটা! তাৰটো টোপনি অহা নাই। কিবা এক অবুজ আবেগে যেন তাৰ শৰীৰ দেইপুৰি মাৰিছে। এইদৰে গোটেই নিশাটোৱে কিৰণৰ সপোন দেখি দেখিয়েই উজাগৰে কটাই দিলে। অজানিতে তাৰ মনলৈ এচাটি প্ৰেমৰ মৃদু সমীৰ বৰলৈ ধৰে। সেই সমীৰৰ সুকোমল পৰশ লাগি সঁচাকৈয়ে অৰুণে প্ৰতিদিনে সুনীল হতৰ ঘৰলৈ অহা যোৱা কৰিবলৈ ধৰিলে। কিৰণেও অৰুণলৈ অন্তৰৰ সকলো দৰদ ঢালি চিঠি লিখিবলৈ ধৰিলে। সিও প্ৰত্যুত্তৰ দিয়ে। এইদৰে সপ্তাহৰ ভিতৰত দুই তিনিখন চিঠি আদান প্ৰদান হবলৈ ধৰিলে। মুঠতে সূৰ্য্যই ৰশ্মিক এৰি চলিব নোৱাৰাৰ দৰে অৰুণেও এখন্তেক কিৰণক এৰি স্থিৰেৰে থাকিব নোৱাৰা হ'ল। এনেকৈ সিহতৰ মানসিক এলবামত পৰস্পৰৰ ছবি ভাহি উঠিছে। এনেকৈ দুয়ো চিঠি লিখোতাই একোটা বিনিদ্ৰ ৰজনী কটায় দিয়ে।

ইফালে অসমৰ অবৈধ নিৰ্ব্বাচনৰ তাৰিখ চমু চাপি আহিল। কিন্তু নিৰ্ব্বাচনৰ পিছত বন্দী নেতা সকলক মুক্তি নিদিলে। দেশত আন্দোলন তীব্ৰৰ পৰা তীব্ৰতৰলৈ ঢাল খালে। অসমৰ শদীয়াৰ পৰা ধুবুৰীলৈ এটাই মাত্ৰ ধ্বনি বাজি উঠিছিল,— "আগত সমাধান পিছত নিৰ্ব্বাচন"। কিন্তু চৰকাৰে তাক মানি নললে। যাৰ মুখত সেই ধ্বনি শুনিছিল তাকে চৰকাৰৰ দাস সেই সামৰিক বাহিনীয়ে গ্ৰেপ্তাৰ কৰিব ধৰিলে। আনকি নিশাৰ নিশা চৰাইৰ দৰে সেই বাহিনীবোৰ গাৱে ভুৱে সোমাই নিদ্ৰাৰত নিৰীহ জনতাকো গ্ৰেপ্তাৰ কৰিব ধৰিলে। ফলত অসমীয়া জনগণে বিনিদ্ৰ ৰজনী কটাবলৈ বাধ্য হ'ল। এয়া কেন্দ্ৰীয় চৰকাৰৰ পাশৱিক অত্যাচাৰৰ জ্বলন্ত দৃষ্টান্ত। এফালে অসমীয়া নিৰীহ জনতা আনফালে চৰকাৰী প্ৰশাসন যন্ত্ৰ।

সেই সময়তে অসমীয়াৰ দুখ দেখি কিৰণে এখন চিঠি লিখে অৰুণলৈ, খুব উত্তেজক ভাষাৰে।

কল্যাণীয় অৰুণ দা,

লিখনীৰ বুলনিতে বৈপ্লৱিক অভিনন্দন আগে তথা মৰমৰ পাপৰিবোৰ তোমালৈ মৃদু মলয়াৰ আগে আলফুলকৈ উটুৱাই দিলো। তুমি যেন ইয়াক বুটুলি লোৱা। অৰুন দা, আমি সচা-কৈয়ে ভীৰু। আমাৰ দৰে এই চপল ডেকা গাভৰু থকা স্বত্বেও অসমী আইয়ে এক মুক পৰাভৱ মানি লব লগাত পৰিছে। অসমী আইৰ চিৰ সেউজী কোলাত পংকিলতাৰ কালিমা সানিব অহালোকক সচাকৈয়ে আমি বাধা দিব পৰা নাই। গতিকে আমাৰ অসম মাতৃৰ সতীত্ব নষ্ট হব নিদি লাচিত মুলাৰ আহিলৈ আগুৱাই যাব লাগিব। কৰিয়ে কৈছে—

" যি জীৱনত দেশ সেৱনত
আত্মাহুতিৰ অনল শিখা
সেই জীৱনত নাই অৱাবত
প্ৰয়োজনৰ উচ্চ দাবী ভাই"।
আকৌ দেশৰ সেৱাত কৰ্ম ধাৰাত
জীৱনটো তোৰ উছৰ্গিলে ভাই
জন্ম দাতৃ মাতৃৰ তোৰ
জন্ম দিয়া বাৰটো শুজা যায়"।

হিতেশ্বৰ বৰুৱাই কৈছে স্বদেশৰ স্বাধীনতা তাৰ অৰ্থে যিটো জীৱন উৎসৰ্গ কৰি মৰে সমৰত—

মৃত্যু হয় তাৰ শান্তি মহানিদ্ৰাতাৰ
অনন্ত বিশ্বাসমাযো বিশ্বজনীৰ" ॥

ইতিৰে—

তোমাৰ মৰমৰ ভিক্ষাৰিণী
"কিৰণ"

কিৰণৰ এই উত্তেজক ভাষাই অৰুণৰ শৰীৰৰ প্ৰতি শিৰাই উপ শিৰাই, হৃদয়ৰ ৰন্ধ্ৰে ৰন্ধ্ৰে তপত তেজ সঞ্চালিত কৰিলে। আগতকৈ আকৌ নৱ উদ্যমেৰে, বেছি জোৰেৰে অৰুণ আন্দোলনত নামি গ'ল।

সেই সময়তে দুৰবৃত্ত কিছুমানে দলং আদিত জুই দি নানা অপ্ৰীতিকৰ ঘটনা সংঘটিত কৰিব ধৰিলে। দেশৰ সুস্থ বাতাৱৰণ নষ্ট হৈ গ'ল। মাথো দুবৃত্ত সকলে দুস্কাৰ্য্য কৰি গ'ল। কিন্তু বিধিৰ বিপাক one doth the blame another bears the shame. কেৰ্কেটুৱাই তামোল খায়, নেউলক বান্ধি কিলায়। ভস্মীভূত হোৱা দলং এখনৰ ওপৰেৰে অৰুণ গৈ আছে। পিছৰ পৰা চি.আৰ.পি. আহি দলং পোৰা দোষত অৰুণক গেপ্তাৰ কৰি লৈ গ'ল। কিন্তু অনেক জনৰ চেষ্টাত সি সেই বাৰলৈ মুক্তি পালে।

অসমত অবৈধ নিৰ্ব্বাচন বন্ধ কৰিব নোৱাৰিলে। নিৰ্ব্বাচন হৈ গ'ল। যি সকলে সেই নিৰ্ব্বাচনত অংশ গ্ৰহণ নকৰিলে, সেই সকল নিৰীহ অসমীয়া জনতাৰ ওপৰত চৰকাৰে নিৰ্মম ভাৱে পাশৱিক অত্যাচাৰ চলাবলৈ ধৰিলে। হাজাৰ হাজাৰ লোকক নিষ্ঠুৰ ভাৱে হত্যা কৰিলে। হাজাৰ হাজাৰ লোক, গৃহ হাৰা হ'ল। হাজাৰ হাজাৰ স্ত্ৰী স্বামী হাৰা হ'ল।

এই বিভংস কাণ্ডই ভাৰতীয় সংবিধানত কুঠাৰঘাত কৰিলে। বিশ্বৰ ইতিহাসত ভাৰতৰ ইন্দিৰা চৰকাৰে কেলেংকাৰী অধ্যায় ৰচনা কৰিলে।

তথা কঠিত চৰকাৰৰ এই অত্যাচাৰী শাসন ব্যাৱস্থা কাৰো সহ্য নহয়।

এদিনৰ কথা। অৰুণে ভাৰতীয় সংবিধানৰ বহুত যুক্তিৰ চিন্তা কৰি ৰাষ্টাত চাইকেলেৰে গৈ আছে। সি ভাবিলে, "আজি অসমৰ আন্দোলনকাৰী ছাত্ৰ ছাত্ৰী সকলৰ কোনোৱেই একৈশ বছৰ প্ৰাপ্ত নহ'ল নে? সিহঁতে ভোট দিয়াৰ পৰা বঞ্চিত হ'ল কিয়? এয়ে নেকি সংবিধানৰ প্ৰদত্ত মৌলিক অধিকাৰ? এয়ে নেকি নাগৰিকত্ব? কেৱল কিছুমান সুবিধা বাদীৰ ভোটেৰেহে সেই অবৈধ গণতান্ত্ৰিক অসাংবিধানিক চৰকাৰ খন গঠন হ'ল। গতিকে সিহঁতৰ শাসন কৰা নৈতিক স্বত্ব আছে নেকি? আদি বহুত যুক্তি সি বিছাৰি উলিয়ালে। কিন্তু দেৱৰ নিৰ্বন্ধ। কালৰ কুটীল গতি। অৰুণে চাইকেলেৰে গৈ থাকোতেই পিছৰ পৰা অহা চি.আৰ.পি.ৰ গাড়ীখনে তাক খুন্দা মাৰি বগৰাই দিলে। সি অচেতন হৈ পৰি থাকিল।

+



সৌভাগ্য ক্ৰমে তাৰ বন্ধু সুনীল আৰু বিয়া[illegible] তাত উপস্থিত হ'ল। সিহঁতে নি চৰকা[illegible] মেডিকেল খনত ভৰ্ত্তি কৰালে।

এই ঘটনা শুনি কিৰণ আৰু স্থিৰে[illegible] থাকিব নোৱাৰিলে। তাই নিজে নিজৰ বুকু[illegible] চুৰি সুমুৱাই দি Suicide কৰিলে। [illegible] নাভাবিলে যে ঈশ্বৰৰ কৃপাত কিজানি [illegible] ভালে হয়। অস্থায়ী মানৱ জীৱনৰ অভি[illegible] হৈ থকা চিত্ৰ বিচিত্ৰ নাট খনৰ যৱনিকা পেলা[illegible] দিলে মৃত্যুৰ কৰুণ পৰ্দাই।

ডাক্তৰৰ অক্লান্ত পৰিশ্ৰম আৰু সুনী[illegible] বিয়াজৰ অবিশ্ৰান্ত চেষ্টাৰ ফলত অৰুণ সু[illegible] হ'ল যদিও ভৰি এখন সি চিৰদিনৰ বা[illegible] হেৰালে।

ৰাৰাণ্ডাৰ চকীত বহি সি তাৰ জীৱ[illegible] অতীত ইতিহাস খন স্মৰন কৰিলে। [illegible] স্মৃতিত ভাহি উঠিল— অতীতৰ জাজ্বল্য [illegible] দিনবোৰ। চুফালেদি দুধাৰি চকুলো [illegible] আহিল। সলোতক নয়নে সি দেখিলে, [illegible] লৰা কেইজন মানে পঙ্গু মানুহ এজনক [illegible] লৈ ফুৰিছে। দৃশ্যটো দেখি সি ভীতি [illegible] হ'ল। কাৰণ সিওঁ যে এজন পঙ্গু।



# অসমত সুস্থ কথাছবি আৰু দুৰ্ঘৰাকী পৰিচালক

আছানউল্লাহ আহমেদ
সম্পাদক আলোচনী বিভাগ

হিন্দী কথাছবি জগতত দেখা দিয়া দৰে অসমীয়া ছবি জগতভো বৰ্ত্তমানে কথাছবি নিৰ্মাণৰ ক্ষেত্ৰত দুটা স্পষ্ট ভিন্ন ধাৰাৰ বিকাশ হোৱা দেখা গৈছে। তৰল ঘটনাক ভিত্তি কৰি সস্তীয়া উপাদান কিছুমানক লৈ নিৰ্মাণ হোৱা কথাছবিবোৰৰ সমান্তৰাল ভাবে নিৰ্মাণ হৈ আহিছে সম্পূৰ্ণ সুস্থ আৰু কলাসন্মত বাস্তৱধৰ্মী কথাছবিবোৰ। যৌনতা. নাচগান, মাৰপিট, অনৰ্থক চকুপানী, অবাস্তৱ মহান উদাৰতা, অলৌকিকতা আদিৰ নিচিনা কিছুমান সস্তীয়া উপাদানেৰে নিৰ্মাণ হোৱা কথাছবিবোৰৰ মূল লক্ষ্য হল দৰ্শকক কেইঘণ্টামানৰ বাবে মায়াজালেৰে অন্ধকাৰ প্ৰেক্ষাগৃহত বন্দী কৰি ৰখা, আচল কথাত এইবোৰ কথাছবিৰ নিৰ্মাতা সকলৰ প্ৰধান উদ্দেশ্যই হ'ল দৰ্শকক কল্পনাৰাজ্যলৈ ঠেলি পঠিয়াই, তেওঁলোকৰ মনত সুপ্ত হৈ থকা ভাববোৰক জাগ্ৰত কৰি লাখ লাখ টকা উপাৰ্জন কৰা। এইবোৰ কথাছবিৰ সামাজিক মূল্য বা প্ৰয়োজনীয়তা অতি নগন্য বিধৰ। কিছুমান ধুৰন্ধৰ কলা বেপাৰী আৰু কলা টকাৰ লেন দেন কাৰীয়ে বাস্তৱবৰ্জিত কাহিনীৰ অবলম্বনত নিৰ্মাণ কৰি উলিওৱা এনেহেন ব্যৱসায়ীক, নিৰ্দিষ্ট ফৰ্মুলা মাৰ্কা, ছিনেমাৰ দ্বাৰা দুখীয়া জনগণক লুটি পুটি খোৱাৰ উপৰিও জনসাধাৰণক বিশেষকৈ উঠি অহা যুৱক যুৱতী চামক বিপথগামী কৰিছে। অতি দুখৰ কথা এইযে বৰ্ত্তমানে অসমৰ প্ৰায় ভাগ যুৱক যুৱতী 'ফৰ্মুলা মাৰ্কা" ছিনেমাৰ ভক্ত হৈ পৰিছে। আনহাতে উল্লেখযোগ্য কথা এই যে ব্যৱসায়ীক, ফৰ্মুলাধাৰী কথা ছাবিবোৰৰ দৰ্শকৰ সংখ্যাওঁ ক্ৰমশ বৃদ্ধি পাই আহিছে। ইয়াৰ কাৰণ বোধহয় বৰ্ত্তমানৰ যান্ত্ৰিক সভ্যতাই মানুহৰ জীৱনলৈ অনা তিক্ততা আৰু যান্ত্ৰিক জঠৰতা; এইবোৰৰ পৰা অন্ততঃ কেইঘণ্টামান আঁতৰি থাকি মনটোক জীপাল কৰি ৰখাৰ প্ৰবনতাই মানুহক লৈ যায় এন্ধাৰ প্ৰেক্ষাগৃহৰ বুকুত থকা সস্তীয়া, ৰঙীন সপোনৰ ৰাজ্যখনিৰ ওচৰলৈ। আনহাতে পৰিচালকৰ নেৰা নেপেৰা অক্লান্ত পৰিশ্ৰমৰ ফলত নিৰ্মাণ হোৱা কলাসন্মত সুস্থ ভাবধাৰাৰ বাস্তৱধৰ্মী কথাছবি সমূহৰ মূল লক্ষ্য হ'ল সমাজ বা ব্যক্তিৰ হা-

হুমুনিয়াহ আৰু সমস্যা বাজিক বাস্তৱ সন্মত ভাবে আৰু কলাগত ধৰ্ম অক্ষুন্ন ৰাখি দৰ্শকৰ সমুখত উপস্থাপন কৰা। দৰ্শকক বাস্তৱ জগত খনৰ লগত সু-পৰিচিত কৰি দিয়াই এনে ধৰণৰ কথাছবিৰ মূল উদ্দেশ্য। এই ধৰণৰ ছবি নিৰ্মাণৰ আঁৰত থাকে পৰিচালকৰ সুস্থ মস্তিষ্কৰ অক্লান্ত পৰিশ্ৰম। আনহাতে চিন্তণীয় বিষয় হ'ল: কলাসন্মত ছবি ব্যৱসায়িক ছবিৰ দৰে বৰ্দ্ধিত হাৰত নিৰ্মাণ হোৱা দেখা নাযায়, কিন্তু এইটো স্বীকাৰ্য্য যে কলাসন্মত ছবিৰ মানদণ্ড বহুত ওখ খাপৰ। ইয়াৰ সামাজিক প্ৰয়োজনীয়তা ও বহুত বেচি।

কলাসন্মত অসমীয়া কথাছবিৰ নাম ললেই মনলৈ আহে পোনতে পদুম বৰুৱাৰ কথা। 'জয়মতী'ৰ পিছত অসমত সুস্থ আৰু কলাসন্মত চলচ্চিত্ৰ নিৰ্মাণৰ ক্ষেত্ৰত "গভা চিলনীৰ পাখি" আছিল প্ৰথম সাৰ্থক প্ৰচেষ্টা। 'গভা চিলনীৰ পাখি'ত অসমৰ গ্ৰাম্য সমাজখনৰ বিভিন্ন দিশ আৰু অসমীয়া নাৰীমনৰ অন্তঃজগত খনক কলা সন্মত ভাবে উপস্থাপন কৰাত পৰিচালক বৰুৱাই বহখিনি সফলতা লাভ কৰিছে। ব্যক্তিগত আশা আকাংক্ষাৰ ব্যৰ্থতাৰ এটি অতি সাধাৰণ তাৎপৰ্য্যহীন কাহিনীক পৰিচালক পদুম বৰুৱাই এখন সফল কলাসন্মত ছবিলৈ ৰূপায়িত কৰাত সফলতা লাভ কৰা বুলি কব পাৰি। পদুম বৰুৱাৰ পিছত অসমৰ সুস্থ চলচ্চিত্ৰ জগতৰ কেইজনমান সফল পৰিচালক হ'ল ড° ভবেন্দ্ৰ নাথ শইকীয়া, জাহনু বৰুৱা, মৃদুল গুপ্ত, ধীৰু ভূঞা, চাৰুকমল বৰুৱা ইত্যাদি। 'সন্ধ্যাৰাগ' আছিল ড° শইকীয়া পৰিচালিত প্ৰথম কথাছবি। তেখেতৰ নিজৰ সৃষ্টি 'বানপ্ৰস্থ' নামৰ চুটি গল্পটিৰ আধাৰত ড° শইকীয়াই 'সন্ধ্যা ৰাগ' নিৰ্মাণ কৰি উলিয়াইছে। নিঠৰুৱা পোহাৰীৰ জীয়েক চাৰু আৰু তৰুয়ে একমাত্ৰ জীয়াই থকাৰ তাড়নাতেই চহৰলৈ গুচি গৈছিল, কোনোবা সম্ভ্ৰান্তলোকৰ ঘৰত চাকৰণী হিচাপে থাকিবলৈ গাভৰু বয়সত গাৱলৈ উভতি আহি দুই বাই-ভনীয়ে এক আহুৱা বিষম পৰিস্থিতিৰ মুখা মুখী হয়। চাকৰণী হলেওঁ, চহৰীয়া পৰিবেশত ডাঙৰ দীঘল হোৱা বাবে গাৱত থকা জীৱীকাৰ উপায়বোৰত নিজকে নিয়োজিত কৰাত অসুবিধা আহি পৰিল: দুয়োৰো জীৱন হৈ পৰে আগতকৈ ও দুৰ্বিসহ। অৱশেষত একমাত্ৰ পেটৰ বাবেই, জীয়াই থকাৰ তাড়নাত, সন্তানৰ বাপেক হোৱাৰ ক্ষমতা নথকা পুৰুষ মতি ড্ৰাই ভাৰৰ লগত জীৱন কটোৱাৰ দৰে সিদ্ধান্ত ল চাৰুৱে। তৰু আৰু মাক পুতলীও ওলায় চাৰু লগত যাবলৈ সন্ধ্যাৰাগ অসমৰ গ্ৰাম্য অঞ্চ জৰাজীৰ্ণ আৰু পুতৌ লগা নিছলা অৱস্থ কলাগত আৰু সুস্থ চিত্ৰৰূপ। উপস্থাপন ৰীতি, অভিনয়, ফটোগ্ৰাফী আদি প্ৰায়বোৰ দি তেই কলাগত ধৰ্ম আৰু বাস্তৱধৰ্মীতা অক্ষুন্ন ৰ পৰিচালক শইকীয়া সফল হোৱা বুলি কব পা কাৰ্লভিভেৰী আন্তৰ্জাতিক চলচ্চিত্ৰ মহোৎ 'সন্ধ্যাৰাগ' আমন্ত্ৰিত হৈছিল। ড° শইক পৰিচালনা কৰা দ্বিতীয় কথাছবি 'অগ্নি পৰিচালকৰ নিজস্ব গল্প 'প্ৰহৰী'ৰ নিৰ্মিত হৈছে। নিম্ন মধ্যবিত্ত পৰিয়াল অভাৱ, দুখ দৈন্যতা, আশা আদিৰ সুস্থ কলাগত চিত্ৰৰূপ 'অনিৰ্বানে' অসম তথা সুস্থ কথাছবিৰ নব্য ধাৰাটোক কিছু পৰিমাণে হলেওঁ সবল কৰাত সফল হৈছিল। ড° শইকীয়াৰ তৃতীয় কথাছবি "অগ্নিস্নান", তেখেতৰ পৰিচালনাত নিৰ্মাণ হোৱা আগৰ দুখন কথাছবিতকৈ বহু পৰিমানে সফল আৰু উচ্চ মানদণ্ড বিশিষ্ট "অগ্নিস্নান" ড° শইকীয়াৰ সুবৃহৎ উপন্যাস "অন্তৰীপ"ৰ প্ৰথম অংশৰ আধাৰত নিৰ্মিত। অৰ্থোপাৰ্জিত সামাজিক প্ৰতিপত্তিৰ জোৰত উন্মত্ত পুৰুষ মহীকান্তই কিৰণক দ্বিতীয় পত্নীৰ মৰ্য্যদা দি ঘৰলৈ অনাৰ সময়ত ঘৈণীয়েক মেনকাক কোনো কথা সোধাৰ প্ৰয়োজন বোধ নকৰিলে, পৰম পতিভক্তা আৰু পতিৰ ঔৰসজাত সন্তানৰ মাক হৈয়ো গিৰীয়েক মহীকান্তৰ এনে আচৰণত মেনকা সচকিত হৈ পৰিল, পুৰুষ শাষিত ভাৰতীয় সমাজ ব্যৱস্থাৰ পুৰুষ চামৰ তথাকথিত পুৰুষত্বৰ ওচৰত পৰম্পৰ গতভাবে সেওঁমানি অহা নাৰীসকলৰ মাজৰ এজন হৈ মেনকাই মহীকান্তৰ তথাকথিত 'সতী' আখ্যা পাবলৈ ইচ্ছা নকৰিলে। পৌৰুষ দৰ্প্পৰ গচকত মেনকাই নিজৰ নাৰীসত্বাক চূৰ্ণ-বিচূৰ্ণ হবলৈ এৰি নিদি প্ৰতিবাদ কৰিলে সাজোৰে, এক অভিনৱ ধৰণৰ প্ৰতিবাদ। মহীকান্তৰ পুৰুষত্বৰ দম্ভালী ম্লান হৈ পৰিল মেনকাৰ প্ৰতিবাদৰ ৰূপত। ভীতিগ্ৰস্থ হৈ পৰিল মহীকান্ত। কথাছবি খন সৰ্বাংগ সুন্দৰ আৰু কলাগত ধৰ্মীয়। প্ৰায়বোৰ অভিনেতা-অভিনেত্ৰীৰ (বিশেষকৈ মহীকান্ত আৰু মেনকাৰ চৰিত্ৰত অভিনয় কৰা বিজুফুকন আৰু মলয়া গোস্বামীৰ) উচ্চ স্তৰৰ সজীৱ অভিনয়, কমল নায়কৰ সুন্দৰ ফটোগ্ৰাফী, চিত্ৰনাট্যৰ সবল গাঠনী আৰু ইয়াৰ কলাগত আৰু বাস্তৱ ধৰ্মীতামুখী উপস্থাপনাৰীতি এই আটাইবোৰে 'অগ্নিস্নান'ক ভাৰতবৰ্ষ তথা বিশ্বৰ সুস্থ চলচ্চিত্ৰৰ জগতত এক উল্লেখযোগ্য স্থান দিলে বুলি কব পাৰি। 'অগ্নিস্নান' ইণ্ডিয়ান পেনোৰামাৰ বাবেওঁ নিৰ্ব্বাচিত হৈছিল। ইয়াৰ চিত্ৰনাট্যৰ বাবে '৮৫ চনৰ বাবে ৰাষ্ট্ৰীয় পৰ্যায়ত শ্ৰেষ্ঠ চিত্ৰনাট্যকাৰৰ বটা লাভ কৰে ড° ভবেন্দ্ৰ শইকীয়াই। বহুকেইখন আন্তৰ্জাতিক চলচ্চিত্ৰ মহোৎসৱত প্ৰদৰ্শিত হোৱা 'অগ্নিস্নানে' ইতিমধ্যে বিদেশৰ বহু চিত্ৰপ্ৰেমীৰ মন আলোড়িত কৰিবলৈ সক্ষম হৈছে। এই প্ৰসঙ্গতে উল্লেখ কৰা ভাল হব যে, ১৯৮৫ চনৰ শ্ৰেষ্ঠা অভিনেত্ৰীৰ জাতীয় পুৰস্কাৰটোৰ বাবে হোৱা বাছনি প্ৰক্ৰিয়াত, বিচাৰক মণ্ডলীয়ে শেহতীয়া ভাবে তিনি গৰাকী অভিনেত্ৰীক বাছি উলিয়াইছিল। এই তিনি গৰাকীৰ ভিতৰত 'অগ্নিস্নান'ৰ মেনকাৰূপী মলয়া গোস্বামীও আছিল। সেই বছৰটোত সুহাসিনীয়ে শ্ৰেষ্ঠা অভিনেত্ৰীৰ বটা পোৱা বাবে, বহু চিত্ৰ সমালোচকে কটু সমালোচনা কৰা দেখা গৈছিল, তেওঁলোকৰ মতে মলয়া গোস্বামীৰ অভিনয় সুহাসিনীতকৈ উচ্চ মানদণ্ডৰ আছিল।

ড° শইকীয়াৰ চতুৰ্থ ছবি হ'ল 'কোলাহল'। পৰিচালকৰ নিজস্ব চুটি গল্প 'এন্দুৰ'ৰ আধাৰত নিৰ্মিত এই কাহিনী চিত্ৰখন ইতিমধ্যে ১৯৮৮ চনৰ ইণ্ডিয়ান পেনোৰামাৰ বাবে নিৰ্ব্বাচিত হৈছে। "কোলাহল" সাধাৰণ কাম কৰি খোৱা মানুহৰ, সৰু সৰু মানুহৰ সমস্যা, বাজিক লৈ নিৰ্ম্মাণ কৰা সুস্থ বাস্তৱসন্মত কথাছবি। আমি আশা কৰো 'কোলাহলে' ভাৰতবৰ্ষ আৰু বিশ্বৰ চলচিত্ৰ জগতৰ সুস্থ সমাজখনত কোলাহল সৃষ্টি কৰিবলৈ সক্ষম হব।

এতিয়া আহো ডেকা পৰিচালক জাহ্নু বৰুৱাৰ প্ৰসঙ্গলৈ। "অপৰূপা" জাহ্নু পৰিচালিত প্ৰথমখন ছবি। তেখেতৰ ২ য় ছবি "পাপৰি" ইণ্ডিয়ান পেনোৰামাৰ বাবে নিৰ্ব্বাচিত হৈছিল। দুয়োখন ছবিয়েই নাৰী মনৰ ব্যথা, আশা, সমস্যা আৰু অনুভূতিকলৈ নিৰ্মাণ কৰা প্ৰশিক্ষণ প্ৰাপ্ত পৰিচালক হিচাবে জাহ্নু বৰুৱাই এই দুয়োখন ছবিৰ দ্বাৰা সুস্থ চিনে প্ৰেমীৰ মনত কোনো গভীৰ দাগ ৰাখি যাব নোৱাৰিলে। কিন্তু এইটো স্বীকাৰ্য্য, যে 'অপৰূপা আৰু'পাপৰি' যে অসমত এতিয়াওঁ চালুকীয়া অৱস্থাত থকা কলাসম্মত ছবি নিৰ্মাণৰ আন্দোলনটোক যথেষ্ঠ সমল যোগাবলৈ সক্ষম হৈছিল, কাৰণ দুয়োখন ছবি আছিল কলাগত ভাবে উত্তীৰ্ণ ছবি। জাহ্নুৰ তৃতীয় পৰিচালনা হ'ল "হালধীয়া চৰায়ে বাওঁধান খায়" জাহ্নুৰ আগৰ দুখনতকৈ "হালধীয়া" বহুত বেছি সফল ছবি বুলি কব পাৰি। ১৯৮৭ চনৰ বাবে ৰাষ্ট্ৰীয় পৰ্য্যায়ত শ্ৰেষ্ঠ কাহিনী চিত্ৰ ৰূপে নিৰ্ব্বাচিত হোৱা "হালধীয়া"ই ভাৰতীয় চলচ্চিত্ৰ জগতৰ ইতিহাসত অসমক সু-প্ৰতিষ্ঠিত কৰালে। ১৯৩৫ চনত প্ৰতিষ্ঠা কৰি যোৱা অসমৰ এই শিল্প মাধ্যমটিৰ পূৰ্ণ বিকাশ জাহ্নু বৰুৱাৰ হাততহে হোৱা বুলি কব পাৰি। হোমেন বৰ-গোহাঞিৰ একে নামৰ উপন্যাসৰ আধাৰত নিৰ্মিত এই কথাছবি খন ইতিমধ্যে ভালে কেইখন দেশৰ চলচ্চিত্ৰ মহোৎসৱলৈ আমন্ত্ৰিত হৈ প্ৰদৰ্শিত হৈছে। কাইৰোৰ আন্তৰ্জাতিক মহোৎসৱ মন্ট্ৰিলৰ "ইণ্টাৰনেচেনেল ফেষ্টিভেল অৱ নিউ চিনেমা, ফ্ৰান্সৰ "এমিন্ছ ইণ্টাৰনেচেনেল ফেষ্টিভেল, চুইজাৰলেণ্ডৰ গটেবৰ্গ আন্তৰ্জাতিক চলচ্চিত্ৰ মহোৎসৱ আৰু তেহানৰ ফেজৰ ইণ্টাৰনেচেনেল ফিল্ম ফেষ্টিভেলত 'হালধীয়া' প্ৰদৰ্শিত হৈছে। ইতিমধ্যে অষ্ট্ৰেলিয়াতো ই বেছ সুনাম অৰ্জন কৰিব পাৰিছে। "হালধীয়া"ৰ আটাইতকৈ উল্লেখযোগ্য খ্যাতিটো হ'ল "চুইজাৰলেণ্ডৰ লোকাৰ্নোত অনুষ্ঠিত হোৱা ৪১ তম আন্তৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱত কেইবাটাওঁ সন্মানৰ অধিকাৰী হোৱাটো। এই ছবিৰ মূল চৰিত্ৰত অভিনয় কৰা ইন্দ্ৰ বনিয়াই এই মহোৎসৱতেই শ্ৰেষ্ঠ অভিনেতাৰ বটা লাভ কৰে। ইয়াৰ উপৰিওঁ ছবিখনে মহোৎসৱৰ দ্বিতীয় শ্ৰেষ্ঠ ছবি হিচাপে "ছিলভাৰ লিওঁপাৰ্ড", "লোকাৰলোৰ নাগৰিক বটা, "জুৰিৰ সাৰ্ব্বজনীন বটা" আদি বিশিষ্ট বটাওঁ লাভ কৰিছে। জাহ্নু বৰুৱাই অসমীয়া তথা ভাৰতীয় ছবিক বিশ্বৰ ছবি জগতৰ লগত ফেৰ মাৰিব পৰা কৰি তুলিলে, বুলি কব পাৰি। 'হালধীয়া'ই অসমীয়া ছবিজগতৰ স্থিতি বিশ্ব ছবিজগতত সম্পূৰ্ণ সুদৃঢ় কৰিলে। ইয়াৰ ঘটনা সংক্ষেপে এনে ধৰণৰ—

মহাজনৰ কুচক্ৰান্তত পৰি নিজৰ একমাত্ৰ খেতিৰ মাটি ডুখৰি হেৰুৱাই ৰমেশ্বৰ বৰাৰ জীৱনলৈ দুৰ্যোগ নামি আহিল। মাটি উদ্ধাৰৰ বাবে চেষ্টা চলাই আমোলাতন্ত্ৰৰ মেৰপাকত সোমাব লগা হ'ল, এপদ এপদকৈ ঘৰৰ সকলো বস্তু বিক্ৰী কৰিওঁ, মণ্ডল, হাকিম উকীলৰে ওচৰলৈ ঘনেঘনে গৈয়ো ৰমেশ্বৰে কাতি মাহৰ আগতে ঘূৰাই পাম বুলিলে ভৰা মাটি ডুখৰি উদ্ধাৰ কৰিব নোৱাৰিলে। ৰমেশ্বৰ বিদ্ৰোহী হৈ উঠিল। হাতৰ কুঠাৰ দাঙি মহাজনৰ শোষণৰ প্ৰতিবাদ কৰিলে। ভাৰতীয় খেতিয়কৰ এনে বাস্তৱ চিত্ৰৰূপ বোধ



"হালধীয়াই" প্ৰথম। ইন্দ্ৰ বণিয়া আৰু পূৰ্ণিমা পাঠককে ধৰি অন্যান্য শিল্পীবৃন্দৰ মন পৰশা সজীৱ অভিনয়, অনুপ জাটোৱানীৰ উচ্চ মানৰ ফটোগ্ৰাফী, সংলাপ, আৱহ সঙ্গীত, আটাইবোৰ সুন্দৰ আৰু কলাসন্মত। ই স্বাভাবিকতে এখন সম্পূৰ্ণ কলাসুলভ, বাস্তৱধৰ্মী আৰু সুস্থ ভাবধাৰাৰ কথাছবি ইয়াৰ সমাজ সচেতনকাৰী সুৰো আছে।


যি নহওঁক, অসমৰ সুস্থ চলচ্চিত্ৰৰ জগত প্ৰবাদ পুৰুষ, দুয়োজনা শিল্পীৰ পৰা ( জাহ্নু বৰুৱা আৰু ড' ভবেন্দ্ৰ নাথ শইকীয়া ) আমি আৰু আশা কৰো, ভবিষ্যতত যাতে আমি জ্যোতি প্ৰসাদে প্ৰতিষ্ঠা কৰি যোৱা অসমীয়া চলচ্চিত্ৰৰ ভেটিটোত খ্যাতিৰে কাৰেংঘৰ গঢ়ি উঠা দেখিবলৈ পাওঁ, দুয়োজনা কৰ্মঠ পুৰুষৰ প্ৰচেষ্টাৰ ফলত।



# ভঙা পজাটো

শ্ৰীনিত্যানন্দ ৰাজবংশী
স্নাতক প্ৰথম বাৰ্ষিক

মা—মা দেউতা আজি ইমান দিন হ'ল বেপাৰৰ পৰা কিয় অহা নাই মা, জীয়েক অনিতাৰ কথাত মাক যেন শিল পৰা কপৌটোৰ দৰে হৈ পৰিল । আৰু লাহে লাহে অচল হৈ কুচি মুচি ওঁচৰৰ বিছনা খনত পৰি ৰ'ল, মা আপুনি কিয় এইদৰে ... .. । বহুত সময় অনিতাৰ মাক এইদৰে পৰি থকাত অনিতাই এক হুলুস্থুলীয়া পৰিবেশৰ সৃষ্টি কৰি দিলে । তাইৰ মাকৰ বিপদৰ ভাগ লবলৈ কোনো নাই কাৰণ সিহঁত অকলশৰীয়া । এঘন্টা মান সময়ৰ মূৰত মাকৰ চকু মেল খালে আৰু পুনৰ চেতনা ঘুৰি আহিল ।



অনিতা তুমি দেউতাকৰ কথা সুধিছা কিয় ? দুবেলা দুমুঠি নোপোৱাৰ বেদনাত নে সমাজত সংস্থাপিত আৰু গণ্যত নপৰা কাৰণে ? উক্ত কথা খিনি মাকে অভিমান আৰু শোকৰ এক নিদাৰুণ আঘাটত কৈ দিয়ে, মা আপোনাক আজিৰ পৰা দেউতাৰ বিষয়ে একো নকওঁ এই বুলি কৈ তাই ফেঁকুৰিবলৈ ধৰিলে । মাক ওচৰলৈ আহিল আৰু তাইক দেউতাকৰ বিষয়ে বহুতো বুজাই গ'ল ।

বসন্ত আহিল আৰু গ'ল আকাশৰ বুকুৰে বহুতো বগা বগলী গাতে গা লগাই অজান ঠাইলৈ উৰি গৈছে য'ত নেকি সিহঁতে মুকলি ভাৱে চৰিব পাৰে । গছৰ ডালত নতুন কুহিপাত আৰু গাৱলৈ কুলি আহিছে গৈছে আহে এইদৰে প্ৰকৃতিৰ বহুত পৰিবৰ্ত্তন ঘটি কিন্তু নাই পৰিবৰ্ত্তন অনিতা আৰু মাকৰ মন আৰু অন্তৰৰ স্বামীৰ প্ৰতি থকা চিন্তাৰ ।

অনিতাহঁতৰ ঘৰটো নদীৰ ওঁচৰতে অৱস্থিত । এবাৰ হেনো দেউতাকে বেপাৰ কৰিবলৈ গৈছিল এখন নতুন ঠাইলৈ নাৱেৰে ঘৰলৈ উভতিব বুলি তেওঁ নাওঁৰ পাল তৰি তাতে শুই আহিছিল, প্ৰচণ্ড ধুমুহা আৰু গতি বৰষুণত কাকো ক'তো নেদেখা অৱস্থাত নাও ডুবি অনিতাৰ দেউতাকৰ মৃত্যু হৈছিল কোনো এক অজান ঠাইত । দেউতাকৰ লগত থকা নাৱৰীয়া বোৰে কথাটো ধৰিব পৰা নাছিল প্ৰচণ্ড ধুমুহা আৰু বৰষুণৰ বাবে । লগৰ নাৱৰীয়া বিলাক উভতিছিল এসপ্তাহ পলমকৈ । খবৰটো মাকে দুবছৰ আগতে পাইছিল যদিওঁ জীয়েক অনিতাক কথাটো কৈ কুমলীয়া মনত আঘাট দিয়া নাছিল । দুবছৰ পিছটো দেউতাক যেতিয়া ঘৰলৈ অহা নাছিল তাইৰ কুমলীয়া মন আৰু দেউতাকৰ প্ৰতি থকা স্নেহ আৰু ভাল পোৱাই তাইক বিয়াকুল কৰি তুলিছিল । অনিতাক নালাগে আমাৰ সমাজত থকা তেনেকুৱা বহুতো অনিতাই দেউতাকৰ খবৰ নিশ্চয় ললে হেতেন নে ?

দেউতাক মৰিবৰ আজি প্ৰায় ৫/৬ বছৰ হ'ল । মাক ক্ৰমান্বয়ে হালি আহিছে । অনিতাই ষোড়ষী গাভৰু যেন অতিপাত লাৱন্যময়ী ৰূপ তাইৰ, তাইক দেখিবলৈ পালে সাধাৰণ গাৱলীয়া ছোৱালীয়ে হয়তো সহজ হ'ব নোৱাৰিব চাগৈ । দুখীয়া মানুহৰ ছোৱালী হলেওঁ যৌৱনত প্ৰত্যেক ছোৱালী অলপ নহয় অলপ পৰিবৰ্ত্তন আছে ই প্ৰকৃতিৰ চিৰন্তন সত্য ।

মাকে কিন্তু অনিতাৰ ভৱিষ্যতৰ যি প্ৰশ্ন এটা বিৰাট আৱেগিক প্ৰশ্ন । তাই মনে মনে ভাবে যদি আজি দেউতা থাকিল হেতেন ময়ো মোমাইদেউ হঁতৰ প্ৰতিভা আৰু ভুমিতাৰ দৰে নাইবা মাহীদেউৰ ছোৱালী কিমিৰ দৰে প্ৰত্যেক মুহুৰ্ত্ততে দেউতাক আমনি দিব নোৱাৰিলো হেতেন নে ? এইবোৰ কথা ভাবি তাই মাকৰ কোলাত শুই পৰিল মাকে ইতিমধ্যে তাইৰ কঁকাললৈ পৰা কিছ্‌কিছিয়া কলা চুলি বোৰৰ ওপৰত মৰমেৰে হাত বুলাই আছিল হঠাৎ তাই এটা বেয়া সপোন দেখি মাকৰ কোলাত চিঞৰি উঠিল মা-মা, মাকে তাইক সাৱটি ধৰি সুধিলে কি হ'ল আনি তুমি যে এইদৰে চিঞৰি দিলা ? অনিতাই কৈ উঠিল নাই মা, মই এটা বেয়া সপোন দেখিছো মা এই বুলি কৈ তাই মাকৰ কোলাত কুছি মুছি থাকি কান্দিব ধৰিলে । মাকে কলে নকয় কিয় তই কি সপোন দেখিছা তাই কওঁ নকওঁ কৈ কলে মই সপোনত দেখিছো হেনো আমাৰ ঘৰৰ ওচৰত থকা নদীত এইবাৰ বহুত ঢল ফেনে ফুটোকাৰে বৈ আহি আমাৰ ঘৰ আৰু ওচৰৰ গাওঁ খন গোটেই ডুবিছে মা ? আৰু তাত ৰাতুল দাৰ মৃত্যু হৈছিল ।

মাকে সান্ত্বনাৰ সুৰত কব ধৰিলে তাতে আৰু ইমানকৈ চিঞৰিব লাগে নে ? তই এতিয়াওঁ সৰু হৈ আছা নে এই বুলি কৈ তাইক মাকে গা পিহি-পিহি বুজাব ধৰিলে ।

দুমাহৰ পিছত অৰ্থাৎ আকৌ বসন্ত আহিল গ'ল আৰু তাৰ লগে লগে আহিল এক অভিশাপ বাৰিষা য'ত নোক মাক আৰু অনিতাৰ অন্তৰত নিহিত হৈ থকা যন্ত্ৰণা বোৰ ধুই নিকা হ'ব । বিৰাট বানপানী অনিতা হতৰ ঘৰৰ ওচৰত থকা নদীটোৱে এক বিৰাট মূৰ্ত্তি ধাৰণ কৰিলে সন্ধিয়া সময়ত । গাৱত হুলুস্থুল লাগিল । ৰাতিটো আহেনে হাতীটো আহে । সেই দিনা ৰাতি পানীয়ে অনিতাহঁতৰ ঘৰৰ কাষ পালে, ৰাতি এই ফালে মথাউৰীত পহৰা দি থকা অনিতাৰ আন্তৰিক ৰাতুলক প্ৰৱল বাণ পানীয়ে উটুৱাই নিয়ে । অনিতা আৰু মাকে মৃত্যু ক্ষণ গণি গণি সাৱটা-সাৱটি কৰি বিছনাত পৰি আছিল অনিতাই ৰাতুলক লৈ কিমান কল্পনা কৰি আছিল তাই নিজেই নাজানে পুৱতি নিশা এটা প্ৰৱল ঢৌৱে মাক আৰু অনিতাক উটাই লৈ যায় । এতিয়া তাত দেখিবলৈ একো নাই আছে মাত্ৰ এটি ভঙা পজা । পজাটো অনিতা হতৰ নে কাৰোবাৰ এইটো এটা বিৰাট প্ৰশ্ন ? +

# " জ্যোতি প্ৰসাদৰ নাটকত প্ৰেমৰ বিচিত্ৰ ৰূপ কিমান নো" ?

শ্ৰীহেমন্ত মালাকৰ
স্নাতক ২য় বাৰ্ষিক

প্ৰেম সাহিত্যৰ প্ৰধান অৱলম্বন । প্ৰে
নানা ধৰণে ৰূপায়িত কৰি উপন্যাসিক, গল্প
নাট্যকাৰ, সকলে নিজৰ ৰচনাক সমৃদ্ধ ক
আৰু দৰ্শককো আকৰ্ষণ কৰে । প্ৰেমৰ
বিচিত্ৰ । কেতিয়াবা ই দৈহিক কামনা বাস
আবদ্ধ হৈ থাকে । কেতিয়াবা ই দৈহিক বন্ধ
সীমা অতিক্ৰম কৰি এখন বহল ক্ষেত্ৰ বি
লয় প্ৰকাশৰ বাবে । প্ৰেমত কেতিয়াবা নি
বাধা আছে । তাৰ পিছত হয় অভিমান
কেতিয়াবা দেহাটোক আওকান কৰি মন বা আ
সৰোগত কৰি কোনো কোনো বৈষ্ণৱ ক
দৰে পৰকীয় প্ৰেমৰ জগত এখন সৃষ্টি কৰে
খন জগতত চণ্ডীদাসে ধুবুনী ৰামীৰ প্ৰেমত
ঘোষণা কৰে " সকলোৰে ওপৰত মানুহ
তাৰ ওপৰত নাই" ।

জ্যোতিপ্ৰসাদৰ প্ৰথম নাটক— " শো
কুৱৰীত " নাটকীয় ৰূপ দিয়া হৈছে
আৰু অনিৰুদ্ধৰ প্ৰেমৰ কাহিনীক । ইয়াত
পাও উষা আৰু অনিৰুদ্ধ উভয়ৰে উভয়ৰ
অনুৰাগ আৰু সখী চিত্ৰলেখাৰ সহায়ত উ
মিলনৰ দৃশ্য । উষা অনিৰুদ্ধৰ মিলন
উষাই অনিৰুদ্ধক কয়—

" ... তোমাৰ প্ৰেমেই প্ৰভু
জীৱনৰ লক্ষ্যতৰা মোৰ
সুখ মোৰ আনন্দ মোৰ
মোক্ষ মোৰ মুক্তি মোৰ ।



অনিৰুদ্ধই কয় -

" .... প্ৰণয়ৰ স্পৰ্শ মণি তুমি,
পৰশিলা মোক
মই হলো প্ৰণয়ৰ দীন ।
উপাসক, বান্ধ খালো
আচলত চিৰকাললৈ
তোমাৰ প্ৰেমেৰে সখী
জুৰুলি জুপুৰি ।

এই প্ৰেমত যুক্তিৰ ঠাই নাই, আছে যৌৱনৰ মাদকতা, আছে আবেগৰ মন উপচি পৰা হেন্দোলনি, আছে মিলনৰ বাবে উদ্বাউল দুখন হিয়াৰ শত জনমৰ হেপাহ হাবিয়াস ।

ভাবিলে আচৰিত লাগে চেমনীয়া বয়সত জ্যোতিপ্ৰসাদে কেনেকৈ এনে মধুৰ চিত্ৰ আকিলে । বয়স কম হলেও তেওঁৰ মনটো যে পুৰঠ তাৰ প্ৰমাণ "শোণিত কুৱৰী" নাটকত সুন্দৰকৈ প্ৰকাশ পাইছে ।

"কাৰেঙৰ লিগিৰি" নাটত জ্যোতিপ্ৰসাদে প্ৰেমক যুক্তিৰ তুলাচনীত জুখি চাইছে অৱচেতন মনৰ অস্তিত্বৰো সন্ধেদ দিন ।

শেৱালিৰ সুন্দৰ কোৱৰৰ প্ৰতি অনুৰাগ আছিল সচা, কিন্তু সুন্দৰ কোৱৰৰ প্ৰতি সহাৰি পাইছিল নে ? শাস্ত্ৰৰ মাজত সোমাই থকা সুন্দৰৰ মনত শেৱালিৰ কাৰণে ঠাই জানো আছিল ? কাৰেঙত বা বা বু-বু ওলোৱাৰ সম্পৰ্কত বন্ধু সুদৰ্শনে সোধা প্ৰশ্নৰ উত্তৰত প্ৰথম বাৰৰ বাবে সুন্দৰৰ মনত "কৰো নেকি" জানো হবলা" আদি সংলাপৰ যোগেৰে প্ৰথমতে তেওঁৰ মনটোক শেৱালিৰ কথালৈ কিন্তু পৰিমাণে চিন্তিত হোৱা যেন গম পাই ।



ইয়াৰ আগতে আমি অনংগ আৰু কাঞ্চনৰ প্ৰেমৰ কথাত পাও । প্ৰথম অংকৰ তৃতীয় দৰ্শনত পাও অনংগ – তুমি যদি সচাকৈয়ে মোক ভাল পালাহেতেন, তেন্তে সুন্দৰৰ সৈতে তোমাৰ বিয়া ৰোধিবলৈ নিশ্চয় চেষ্টা কৰিলাহেতেন···· ।

কাঞ্চন – বাৰু আপুনিয়ে মোক দোষিছে, আপুনি মোক ভাল পাইনে ?

অনংগ – (হাঁহি) 'অ ! সেই কথা নাজানিছিলা দেখিয়েই হবলা একো চেষ্টা কৰা নাই । যদি পাও বোলে ?

কাঞ্চন— তেন্তে আপুনি সুন্দৰৰ সৈতে মোৰ বিয়া ভাঙিবলৈ কি চেষ্টা কৰিছে ?

অনংগৰ সমাজলৈ ভয় । কাঞ্চনৰ প্ৰতি থকা প্ৰেমৰ কথা বন্ধু সুন্দৰকো কব পৰা নাই ।

কাঞ্চনমতীয়ে সুন্দৰক এটা মহৎ প্ৰশ্ন কৰিবলৈ বাধ্য হয় -

কাঞ্চন— আপোনাৰ পাটীৰ তিৰোটা নোহোৱাকৈ জানো আপোনাক মই ভাল পাব নোৱাৰো ?

দ্বিতীয়— অংকৰ প্ৰথম দৰ্শনত পত্নী— কাঞ্চনমতীয়ে সুন্দৰে ৰেতিয়া সোধে বিবাহ আৰু ভালপোৱাৰ পাৰ্থক্য কি ? কাঞ্চনে কয়— বিবাহৰ দ্বাৰাই শাৰীৰিক সম্বন্ধ ঘটে আৰু মানসিক সম্বন্ধ হবই লাগিব বুলি সমাজে ধৰি লয়, নিৰ্দেশ কৰে ।

কাঞ্চনৰ মতে সতীত্ব মানে শাৰীৰিক সতীত্ব । তেওঁৰ মতে মাতৃৰ অনুৰোধত মাত্ৰ শৰীৰটো বিবাহ কোঠালৈ পঠায় আন পক্ষৰ মনটোক সুন্দৰে বিচৰা যুক্তি যুক্ত নহয় ।

এই সংলাপত জ্যোতিপ্ৰসাদে প্ৰেমৰ এটা

নতুন সংজ্ঞা যিহক পৰকীয় প্ৰেম বুলিও হয়তো কব পাৰি; নিৰূপন কৰিবলৈ যত্ন কৰা যেন লাগে।

ৰূপালীম নাটকত জ্যোতিপ্ৰসাদে প্ৰকৃত প্ৰেমৰ লগতে দৈহিক লালসা আৰু ঈৰ্ষাকো ৰূপায়িত কৰিছে। মায়াবৰ কাৰণে দেউতাক জুনাফা আৰু সমগ্ৰ ৰুকমী জাতিৰ মুক্তিৰ কাৰণে প্ৰকৃত প্ৰেমে যেনেকৈ ৰূপালীমক নিজৰ সতীত্বকো বিসৰ্জন দিয়াৰ সিদ্ধান্তত উপনীত কৰোৱাইছিল, ঈৰ্ষাই তেনেকৈ ইতিভেনক উদ-গাইছিল ৰুকমী জাতিক স্বদেশ আৰু স্বজাতিৰ সম্মান ৰক্ষাৰ অজুহাতত মণিমুঙ্কৰ বিৰুদ্ধে অভিমান চলাবলৈ। তেওঁক বিয়া কৰাব বুলি কথা দিয়া মণিমুঙ্ক ৰূপালীমৰ প্ৰতি আকৃষ্ট হোৱা ইতিভেনে সহ্য কৰিব পৰা নাছিল।


ৰূপালীমে মায়াবৰক ভাল পাইছিল, কিন্তু কিমান ? মণিমুঙ্কৰ প্ৰশ্নৰ উত্তৰত চতুৰ্থ অংকত তাই কয় "খুব ভাল পাওঁ"। গছত যিমান ফুল আছে ডালত সিমান পাত আছে, নৈত যিমান পানী আছে, শূণ্যত সিমান বতাহ আছে

তিমান। ৰূপালীমৰ এই উক্তিক কাৰেঙৰ লিগিৰি নাটকৰ চতুৰ্থ অংকৰ প্ৰথম দৃশ্যত শেৱালিয়ে সুন্দৰক কিমান ভাল পায় সেই বিষয়ে দিয়া বৰ্ণনাৰ লগত বিজাব পাৰি। দুয়োৰে প্ৰেম আছিল নিভাজ, নিস্বাৰ্থ, নিষ্কলুষ।

লভিতা নাটকতো প্ৰেমৰ আবেশ পোৱা গৈছিল কিন্তু গোলাপৰ কাপুৰুষালিয়ে লভিতাৰ প্ৰেমক প্ৰকাশ কৰিবলৈ সুবিধা নিদিলে। ইয়াত দৈহিক প্ৰেমৰ উত্তৰণ ঘটিল দেশপ্ৰেমত ৰূপান্তৰিত হৈ।

"নিমাতী কইনা" নাটৰো মূল আবেদন প্ৰেম, মৰুপুত্ৰ ৰূপকুমাৰৰ সৈতে নিমাতী কইনাৰ মিলন আকাংক্ষা। সেয়ে তেওঁ শেষত কণ্ঠৱতী হৈ ৰূপে, ৰসে, গন্ধে, বৰ্ণে, গানে, সুৰ তালে মানে প্ৰাণৰ পূজাৰ ষোড়শোপচাৰ আগবঢ়ায় প্ৰাণৰ লগৰীয়া প্ৰাণৰ ৰাজকুমাৰক। জ্যোতি প্ৰসাদে কাব্য মাধুৰীসনা এক অভিনৱ পৰিবেশত অমৃত সুৰবাণীৰ পৰমানন্দত প্ৰেমক প্ৰতিষ্ঠা কৰি যেন নতুন দিগন্ত মুকলি কৰে। + + +





থিয় হৈ থকা (সোফালৰ পৰা) হৰকুমাৰ নমসুদ্ৰ দাস (কৰ্ম্মচাৰী) অধ্যাপিকা গীতা ডেকা (ভাঃ অধ্যাপিকা সাংস্কৃতিক বিভাগ) গোপাল মালাকৰ (অফিচ সহায়ক) অধ্যাপক আলি আকবৰ হুছেইন, অধ্যাপক হৰেন তালুকদাৰ, অধ্যাপক আফটাবুদ্দিন আহমেদ, অধ্যাপিকা মিজো প্ৰভা বৰা।

বহি থকা (সোফালৰ পৰা) অধ্যাপক সুবোধ চন্দ্ৰ চৌধুৰী (ভাঃ অধ্যাপক ছাত্ৰ একতা সভা) অধ্যাপক জিতেন্দ্ৰ চন্দ্ৰ দাস (ভাঃ অধ্যাপক খেল বিভাগ) অধ্যাপক ধ্ৰুৱ প্ৰসাদ বৈশ্য (ভাঃ অধ্যাপক তৰ্ক বিভাগ) অধ্যক্ষ ড' দয়ানন্দ পাঠক (সভাপতি ছাত্ৰ একতা সভা) অধ্যাপক জ্যোতিষ চন্দ্ৰ বৰ্মন (তত্বাবধায়ক আলোচনী বিভাগ] অধ্যাপক প্ৰসন্ন কুমাৰ চহৰীয়া, অধ্যাপিকা আৰতি বৰ্মন [ভাঃ অধ্যাপিকা সমাজ সেৱা]

# ব্যায়ামৰ নিয়মাৱলী

এম চান্দমহম্মদ আলী
একাদশ শ্রেণী ( কলা শাখা )
ৰোল নং—১৩৪
১৯৮৮ ইং চন

১। ব্যায়ামৰ বয়স নির্দ্ধাৰণ—

সাধাৰণতে দহ বাৰ বছৰৰ পৰাই ল'ৰা ছোৱালীয়ে বিজ্ঞান সন্মত ভাৱে খালি হাতে ব্যায়াম আৰম্ভ কৰিব পাৰে। ইয়াত যি বয়সৰ কথা উল্লেখ কৰা হৈছে, সেই সময়েই ল'ৰা ছোৱালৰী দেহ গঠনৰ উপযুক্ত সময়। এই সময়ত খালী হাতৰ ব্যায়াম আৰু যোগাসনে দেহ গঠন কাৰ্য্যক দ্ৰুততৰ কৰে।

১৬–১৮ বছৰ বয়স পৰ্য্যন্ত ল'ৰা ছোৱালীয়ে কিছু-কিছু উপকৰণ সহ সহজ ব্যায়াম কৰা উচিত।

১৮-৩০ বছৰ পৰ্য্যন্ত উপকৰণ সহ গধুৰ ব্যায়াম কৰিলে ভাল। ৩০ বছৰ বয়সৰ পৰা গধুৰ ব্যায়াম কৰা উচিত নহয়। ৪০ বছৰ পাৰ হলে একেবাৰে সহজ ব্যায়াম কৰা উচিত।

২। কোনটো সময়ত ব্যায়াম কৰিব লাগে :—

বৰ্ত্তমান অৰ্থ সঙ্কটৰ দিনত সঠিককৈ কব নোৱাৰি যে এইটো সময়তে ব্যায়াম কৰিব লাগে। ইয়াত কোনো ধৰা বন্ধা নিয়ম নাই। কাৰণ মানুহে সদায় জীৱিকা নিৰ্বাহৰ বাবে বিভিন্ন কামত ব্যস্ত থাকে। গতিকে যিয়ে যি সময় উপযুক্ত বুলি ভাবে সি সেই সময়তেই ব্যায়াম কৰিব পাৰে। তথাপিও কোন সময়ত ব্যায়াম কৰা অনুচিত তলত উল্লেখ কৰা হল ১। ভাত খোৱাৰ পিছত, ২। কাম কাজ শেষ হোৱাৰ পাছত, বিশ্ৰামলৈ যোৱাৰ সময়ত, ৩। ভোকৰ সময়ত, ৪। দুপৰীয়াৰ সময়ত আৰু ৫। বৰষুণত

সাধাৰণতে দোকমোকালিত সূৰ্য্য উদয়ৰ আগেয়ে নাইবা সূৰ্য্য উদয় হৈছে সেই সময়ত আৰু গধুলী সূৰ্য্য অস্ত যোৱাৰ কিছু সময় পাছত ব্যায়াম কৰা উপযুক্ত সময়।

৩। ব্যায়ামৰ খাদ্য :—

ৰাতিপুৱা ব্যায়ামৰ আগতে তিওঁৱা বুট বা গাজী বুট বা তিওঁৱা কেঁচা মুগ আদা আৰু কিছু লোণ মিহলাই খাব লাগে। ব্যায়ামৰ পাছত ঘৰত তৈয়াৰ কৰা ৰুটি দাইল বা তৰকাৰী তাৰ সৈতে গুৰ নাইবা মাখনেৰে সৈতে পাউৰুটি আৰু যিকোনো এটা পকা কল খাব লাগে।

ৰাতিপুৱা গাজী বুট বা মুগৰ সৈতে দুটা মান ছয়াবিন খাব পাৰিলে যথেষ্ট উপকাৰ আহিব। দেহৰ ওজন বৃদ্ধি কৰিবলৈ হলে

ইয়াৰ সৈতে কেঁচা চীনা বাদাম খাব লাগে। যেতিয়া যি ফল পোৱা যায়, তেতিয়া সেই ফল খোৱাৰ কাৰণে চেষ্টা কৰিব লাগে। ৰাতিৰ আহাৰ ৰাতি ৯ টাৰ পৰা ৯-৩০ ৰ ভিতৰত খাব লাগে। সন্ধ্যাৰ সময়ত জলপান ৰুটি, পাউৰুটি, কল, দাইল, তৰকাৰী আদি খাব লাগে। ফলৰ যিকোনো দুটা খাব লাগে। পাৰিলে ৰাতিপুৱা আধা সিজোৱা হাহঁৰ কণী খাব লাগে।

৪। ব্যায়াম কৰাৰ ঠাই

সদায় ব্যায়ামকাৰী সকলৰ কাৰণে মুকলী ঠাই লাগে, যি সকলৰ ঘৰত ওচৰত পোহৰ বতাহ আহিব পৰা মুকলী ঠাই নাই, তেওঁলোকে ঘৰৰ চালৰ ওপৰত ব্যায়াম কৰিব পাৰে।

৫। ব্যায়ামকাৰীৰ কৰ্ত্তব্য

ব্যায়ামকাৰীয়ে মানসিক চঞ্চলতা দুৰ কৰিব লাগিব। খুব ভাবা ভাবিকৈ ব্যায়াম কৰা উচিত নহয়। ব্যায়াম কৰোঁতে কিছুমান নিয়ম মানি চলিব লাগে।

(১) যেতিয়া যি ব্যায়াম কৰা হয়, তেতিয়া সেই মাংস পেশীৰ পুষ্টি সাধন হয়।

(২) জোৰ কৰি দাঁত, ওঠ, কামুৰি ব্যায়াম কৰিব নালাগে।

(৩) লাহে লাহে অভ্যাস কৰিব লাগে।

(৪) শ্বাস প্ৰশ্বাস স্বাভাবিক ভাবে ৰাখি ব্যায়াম কৰিব লাগে।

৬। স্নান কৰাৰ নিয়ম

কিছু সময় ব্যায়াম কৰাৰ পাছত যেতিয়া ভাগৰ লাগিব তেতিয়া ব্যায়াম শেষ কৰি ২০-২২ মিনিট সময় মুকলি বতাহত বহি জিৰনী লব লাগে।

৭। মালিচ

ব্যায়ামকাৰী সকলে মনত ৰখা উচিত হব যে ব্যায়ামৰ প্ৰধান অঙ্গ হল মালিচ। ১। ব্যা[য়াম] কৰা সময়ত যি পেশীত চাপ পৰে, সেই পেশী ব্যায়াম শেষ হোৱাত লাহে লাহে মালিচ কৰি[ব] লাগে। ২। গা ধোৱাৰ আগেয়ে তেল মালি[চ] কৰিব লাগে। ৩। এটা ব্যায়াম শেষ হোৱা[ৰ পিছত] খোজ কাঢ়ি কাঢ়ি মালিচ কৰিব লাগে। ৪। খাটি সৰিয়হৰ তেল বা এডি ভিটামিনে[ৰে] মালিচ কৰিব লাগে।

৮। উপকাৰিতা

১। ব্যায়ামকাৰীৰ কোনো বেমাৰ আহ[িব] নহয়। যেনে পেটৰ বিষ, গলৰ অসুখ, কঁকা[ল] বিষ আদি হব নোৱাৰে।

২। আন্ত্ৰিক ৰোগ আক্ৰমন কৰিব নোৱাৰে।

৩। পৰিপাক যন্ত্ৰই বিশ্ৰাম পায়।

৪। ব্যায়ামৰ ফলত বল বঢ়াব পাৰি, [স্মৃতি] শক্তি বাঢ়ে।

৯। পোছাক

১। ব্যায়াম কৰাৰ আগেয়ে হাফপেণ্ট জাঙ্গিয়া পিন্ধিব লাগে।

২। শীতকালত ব্যায়াম কৰিলে গাত এটা [পাতল] গেঞ্জী পিন্ধিব লাগে।

৩। চৰ্বি কমাবলৈ হলে সকলো সময়[ত] গৰম কাপোৰৰ পেণ্ট ও গেঞ্জী বা চুৱেটা[ৰ] পিন্ধি কৰিব লাগে।

১০। ব্যায়ামকাৰীৰ যদি স্বপ্নদোষ হ[য়]

১। দুপৰীয়া ভাতৰ সৈতে মাৰ খাব লাগে[।] তাৰ বাহিৰে নিতৌ কিছু শাক খাব লাগে।

২। ৰাতি ৰুটি খোৱাৰ অভ্যাস কৰিব লাগে।

৩। খোৱাৰ আগতে এগিলাচ ঠাণ্ডা পানী [খাব] লাগে।

৪। ৰাতিপুৱা শুই উঠি এগিলাচ ঠাণ্ডা পা[নী] খাব লাগে।



# খেল বিভাগৰ বিজয়ী সকল

## ক্ৰিকেট—T. D. C. 1st

১। দেব কুমাৰ দাস
২। মঃ চেৰিফুল হুছেইন
৩। শ্ৰীগৌতম কলিতা
৪। শ্ৰীমণ্টু পাটোৱাৰী
৫। শ্ৰীদীপাঙ্ক ঠাকুৰীয়া
৬। শ্ৰীকমলা কান্ত দাস
৭। শ্ৰীমুকুল সিকদাৰ
৮। জগান্নাথ দাস
৯। মঃ আছান উল্লা আহমেদ
১০। শ্ৰীৰাবন কুমাৰ দাস
১১। মঃ মফিজুদ্দিন আহমেদ।

—০—

কেৰামবোৰ্ড ( ছোৱালী )

প্ৰথম - মিছ প্ৰণতী দাস T. D. C. 1st
,, নিৰ্মলা দাস " ,,
দ্বিতীয়— মিছ দীপালী ওজা H S 1st
,, সবিতা কলিতা ,, "

১০০ মিটাৰ দৌৰ ( লৰা )

প্ৰথম - মঃ চেৰিফুল হুছেইন।
দ্বিতীয় - মঃ ৰহিমুদ্দিন আহমেদ।
তৃতীয় — মঃ নুৰ হুছেইন।

২০০ মিটাৰ দৌৰ ( লৰা )

প্ৰথম— মঃ চেৰিফুল হুছেইন।
দ্বিতীয়— শ্ৰীপৰমানন্দ ডেকা।
তৃতীয়— মঃ নুৰ হুছেইন।

৫০০ মিটাৰ ( লৰা )

প্ৰথম — মঃ চেৰিফুল হুছেইন।
দ্বিতীয়— শ্ৰীজয়ন্ত মালাকৰ।
তৃতীয় - মঃ নুৰ হুছেইন।

চতফুট ( লৰা )

প্ৰথম— শ্ৰীহেমন্ত মালাকৰ।
দ্বিতীয়— শ্ৰীতাৰেণী ষেন দাস
,, শ্ৰীকমলা কান্ত দাস
তৃতীয়— জয়ন্ত মালাকৰ।

চতফুট ( ছোৱালী )

প্ৰথম - মিছ অনিমা ওজা
দ্বিতীয় - মিছ সত্য মালাকৰ
তৃতীয় - ,, দেৱ বৈশ্য

ডিচকাচ ( ছোৱালী )

প্ৰথম - মিছ সত্যৱতী মালাকৰ
দ্বিতীয় - মিছ বিনা দেবী
তৃতীয় — মিছ ৰান্নু বেগম।

ডিচকাচ ( লৰা )

প্ৰথম— শ্ৰীতাৰেণী যেন দাস

দ্বিতীয়— শ্ৰীকমলা কান্ত দাস

তৃতীয়— জয়ন্ত মালাকৰ ।

জেভলিন ( ছোৱালী )

প্ৰথম— মিছ জোনাকী বৈশ্য

দ্বিতীয়— মিছ ৰীতা মণি দাস

তৃতীয়— মিছ অনিমা ওজা

ছোৱালীৰ টেনিকুইট

প্ৰথম— মিছ সবিতা কলিতা

মিছ ৰেৱতী পাঠক ।

চামুচ খেল [ ছোৱালী ]

প্ৰথম— মিছ প্ৰণতী দাস

দ্বিতীয়— মিছ ৰীতা মণি দাস

তৃতীয়— মিছ গীতালী মজুমদাৰ

লং জাম্প [ লৰা ]

প্ৰথম— মঃ খৈনুৰ উদ্দিন আহমেদ ।

দ্বিতীয়— মঃ চেৰিফুল হুছেইন ।

তৃতীয়— শ্ৰীজয়ন্ত মালাকৰ ।

ছোৱালীৰ ত্ৰিং ৰেচ্

প্ৰথম— মিছ গৌতমা মালাকৰ

দ্বিতীয়— মিছ জোনাকী বৈশ্য

তৃতীয়— মিছ গীতালী মজুমদাৰ ।

,, ,, অনিমা ওজা ।

ছোৱালীৰ ছিয়াৰ খেল

প্ৰথম— মিছ উৎপলা বৰুৱা

দ্বিতীয়— মিছ দীপালী ওঁজা

তৃতীয়— মিছ ৰেবতী পাঠক

কেৰম বোৰ্ড [ লৰা ]

প্ৰথম— শ্ৰীনৃপেন দাস

শ্ৰীসুনীল দাস

দ্বিতীয়— শ্ৰীউৎপল চৌধুৰী

শ্ৰীকমলা কান্ত দাস

টেনিকুইট [ লৰা ]

প্ৰথম— শ্ৰীকমলা কান্ত দাস

শ্ৰীদীপাঙ্ক ঠাকুৰীয়া

দ্বিতীয়— শ্ৰীকনক দাস

শ্ৰীহেমন্ত মালাকৰ

জেভলিন [ লৰা ]

প্ৰথম— মঃ খৈনুৰ উদ্দিন আহমেদ

দ্বিতীয়— শ্ৰীপৰমানন্দ ডেকা

তৃতীয়— শ্ৰীতাৰেণী যেন দাস ।

বছৰৰ শ্ৰেষ্ঠ খেলুৱৈ—

মঃ চেৰিফুল হুছেইন । ★



# Tragic heroes of shakespeare

ALI AKBAR HUSSAIN
Dept. of English
Suren Das college, Hajo.

William shakespeare is a great dramatist as wel as a critical observer of human behaviour and psyeholagy. His tragedies are the results of his eneyelopaedic range of knowledge and panoramic, experience of life. While dealing with the tragic heroes of shakespeare we find that shakespearean tragedy is mainly bared on Aristo talion criteria with some casual exeeptions. In its theme a shakespearean tragedy is the portrayal of the struggle between Evil and good. And, the turm may be made to cover the four supreme tragedies (Hamlet, othello Maebeth and king hear ), the four Roman plays ( Titus and ronieus, gulias caesar, Antory and cleopatra and coriolanus ) the two history plays ( Richard II and Richard III ) and the Mediterranian tragedies (Romeo and guliet and timon of atheus) Hence it is hazarduons to devise a single prucrustean 'pattern' of shakespearan tragedy.

This article, as the litle shows, mainly aims at expressing the follies and temperamental flawsa human behaviour in genera and the tragic heroes of shakespeare in particular cousidering the limited space of our miny college magazine I manage to confine this personal heresy to the four classie and supreme tragedies of shakespeare. The tragic heroes of shakespeare are, as considered by A. C gradely as well as other

prominent erities, all conspicuous persons who stand in a high degree. Hamlet is a prince, hear is a king. Maebeth belongs to royal family and is a trusted general othello a is great negro general. A critical study of the hero convinces us that the tragic flaw in the character of the hero leads to its inevitable downfall. Thus Maebeth has vaulting ambition, Hamlet noble inaetion, othello creduiity and rashness in action, and lear the folly and foudness of old age. canfliet is the essence of drama and conflict both external and internal - is the erux of a shakespearean tragedy. The hero is completly victimired either in the confliet of the opposite forces or in adverse social environment. Now let us have an over view of the tragic heroes - Hamlet, Maebeth, othello and king hear - in a nutshell.

Of all the tragic heroes of shakespeare hamlet is the most critical in the study of human behaviour. Hamlet the prince of denmark, has received great mental shoek in the sudden remarriage af his mother with his uncle. The gay-open-hearted Hamlet becomes ho ibly suspicious, he is quick to read the other fellows' thoughts, he is prey to vecring moods and dangerous speenlatious. shakespeare is apt enough in using soliloquy as devise for expressing the inner struggle of the hero. Being critical about the shameless conduct of his mother Hamlet utters Frailty, thy name is woman. Considering the trick of cloudius, we can say. Deeit the name is man. Hamlet, though youngest of the tragic heroes, is the most philosophical by nature. He assures himself his suspect for claudius through an autique disposition and the mouse trap seene.

Othello, like Romeo and quliet, is a love tragedy that ends in the death of the lovers. It !s a painful Story of the murder of a wife on account of sexual jcalousy. othello is the noble maguanimous hero being pilted against the diabolic intellect of Jago. It is to say in



a lighter sense. a tragedy of a handkerehief only. othello becomes madly jealous of Desdemona. and kills her. In bringing about the tragedy of othello, Jago though not extremely, Plays the role of a satan, a dermi devil. But as the red-rug, in itself nothing. can still meadden the full, so as Jago's tricks of speech, his ennuendoes and iteratious madden othello, unsettle his mental balance, debase his im gination, estrange him from his best friend eassio and make him eriminally misjudge Desdemona.

In Hamlet brother murder for usur-pation; in othello wife murder from sexual jealousy; in Maebeth regicide-these are all evin passions. Now in king hear, fillial ingratitude rebellion of children against their father. The pressing of the futton that unlishes all this nude-arfission is hear's division of his king don between his two daughters goucril and Reagan and exelusion of his third daughter cordelia from inheritance. The two cruel daughters and their rude behaviour made the to finally take refuge in cordelia's embrace hear's utterance to angelic cordelia is very tragic and heart touching.

Come let's away to the prison we two alone will sing like birds in the cage when thou dost ask me blessing, I' II kneel down and ask of thee for giveness, so well live and pray and sing and tell old tales and laugh at gilded butterflies.

Of the four tragedies, Hamlet is the most universal for Hamlet's consciousness comprehends every body's thought othello is the most poignont for killing of Desdemona under delusion, king hear is the most cosmie for its total descent into the hells of bestiality and cruelty. As for Maebeth, it is the most awe-inspiring and essentially tragic for the issue between evil and good and the ultimate destruetion of the evil. The prophecies of the three weird sisters act as the first injunction in diverting Maebeth from goodness. Another dominant evil force is the frequent instigation of power thursty lady Maebeth who leads Maebeth in to devlish pool without further promptings. His vaulting ambition

compells him to indulge in ghastly and in human murder of Dunean. As a corrollary of this follows the murder of Bangno, and the wife and children of children of Maeduff, shakespeare does not forget to over power good over evil in this drama, hady Maebeth who does not comprehend murder to be a great sin and utters:

"A little water clears us of this" She herself is made to utter: Here is the smell of the blood still; And all the perfumes of Arabia will not sweeten this little. Maebeth becomes the vietim of Evil and embraces tragic doom.





# A College of my Vision

Dr. Dayananda pathak
Principal
Suren Das College, Hajo

As a humble worker of Suren Das College, which is a relatively newborn academic institution, I certainly do have something very special in the recess of my mind as regards its futuristic shape and colour. The very geographical location of the college has added an extra dimension to the institution. Hajo is the meeting point of three religio-cultural streams. It is a unique land of perfect communal harmony and cultural assimilation. It is the nesting place of three major religions like Hinduism, Islam and Buddhism. What is quite fascinating a single temple like the Hayagrib Madhav Mandir has offered nesting place to two major religions like Hinduism and Buddhism under the same roof. This is a unique feature in world culture. In that light Hajo is the torchbearer of a new cultural order in the world of today. So, the academic institution I am associated with both physically as well as emotionally has some distinct role to play in the act of sustaining this ageold communal amity and religious understanding between the different communal and religious segments. The college must serve as a cementing force. This will be our prime duty to foster in the receptive minds of the youths a sense of national commitment through a process of communal amity, religious tolerance and cultural assimilation. As

a matter of fact, Hajo is a miniscule India rather than a miniscule Assam and in that way it must help evolve a new social awareness in the minds of the young student coming from differents sections of the society. This awareness will directly or indirectly help in our committed search for national harmony through a process of communal understanding.

I personally feel that mere physical or moral excellences are not enough. Creative excellence is also vitally important and this alone makes the previous two meaningful. We must move beyond that is called bookish education towards the realm of lifecentric education. A physically and morally sound man also may prove to be important. With this vision in mind I feel that an institute of rural reconstruction ought to be attached to the college. Gurudev Rabindra Nath Tagore also had this idea in mind. After having established the institution like the Santiniketan and after having observed the role played py Santiniketan he felt more or less di illusioned since the experim was a lopsided one. Hence, established another adjacent ca pus under the name 'Sriniket which, he believed would fos the creative genius of the you Under the college the students sh be encouraged to take up all s of creative enterprises outside periphery of their finer acade pursuits. Every rural art or indu should find a nesting place and recognition under the college. this regard Suren Das co should show a new example in state's educational field.

Education is primarily m for the upliftment of the co unity which directly or in dir feeds the institution in a va of ways. Every academic ins tion for its life and sustenanc rely on the resourcefulness o community. At the initial the community directly feeds institution by way of donatio grant. Again, when the sam duly regularised by the g nment the latter relies on



resources drawn from the community indirectly by way of indirect or direct taxation. Thus, from all consideration an institution is dependent on the resourcefulness and munificance of the community from whose imaginations it springs No academic institution can afford to ignore the wishes and aspirations of the community however unpoli shed or backward it might be. That is why I want my students to periodically go to the people and try to make on-the spot assessment of their socio-economic problems and thereby fill the communication gap existing between them. Such an endeavour will difinitely lead to their mutual benefit. I want this college to be a powerful instrument of social change. My students must not only change themselves but also change the community towards a brighter future.

The new education policy enunciated by the government of India aims at putting more emphasis on workculture and this is impossible without a total revolution in our attitude towards the entire corpus of education and culture. First of all we must work out an attitudinal change and this will open up *all* the avenues towards a better future for the community. We cannot do anything of the short overnight. We can inject the spirit of workculture by asking them to keep their classrooms and campus clean by their own manual labour. Manual labour should be made compulsory in our syllabus. The term like 'extra-curricular' should be scrapped from academic dictionary. Every social work and manual labour or other occupations with the finer pursuits undertaken by the students cannot be underestimated by the term 'extra-curricular' activities. I will try my best to make my students know the worth of the workculture both in letter and spirit. Most of our academic institutions do not have any support with the people living in and around the institution. Most of us do not care to know their problems. What is worse we

consider ourselves to be supperior to those people. An emotional barrier is being erected by the traditional education we receive from our traditional academic institutions. In my college I will not encourage this sort of snobbishness. On the contrary, I will ask my students to identify themselves with the general people. I will try my best to send them back to the people with a new set of values.

Besides, the college authority should seriously think of introducing the science stream and other economically viable professional courses to make the collegiate education more relevent to the demands of the society. we cannot remain satisfied only with the undergraduate courses. We look forward to introduce the postgraduate courses within the college with all the research facilities.

To sum up I like to reemphasise the fact that this college should serve as a catalystic agent to transform the value system of our society as a whole besides being a nerve-centre of higher learning. Let all of us individually and collectively lry to translate such a vision into perfect reality.



## A Realisation.

Miss Mizo P. Borah
Lechers Deptt of English
Suren Das College, Hajo.

(1)

Woken up suddenly by a plaintive ture
I pictured myself in its complaint,
A true sorrowful and clothed in despair's attire
Played by one who has fooled himself enough
By searching for things in heaven above.
I pitied him as I pity myself at times
Till I heard some one whispering—
Why shout desperatly for hopes without
When everything beautiful is within ?

## 2) Recollections

It's evening
The sun shines faintly
The numb streets shout no more
To awaken the dumb playground
No participation !

Shall the busy bess awaken
To collect confidence once again ?
No turmoil anwhere
Except within thee.

Time is indifferent
With each tick of bloody time
It's an evening progressing
It's an evening less hopeful for thee
But may not be for me
Looking into the furthest horizon
Groping for life's harbour
With much tail a distant nisty ray you see
Dose despair bring you back to me ?

It's the end of day echoing
Echoing of the activities of the noon
Evening grows into the night
I lie down in peace no cares, no fears
No time to spare for your once moving tears.



## 3 [An Assnrance.

Loncliness won't crush you
Despair won't worry you.
You have the rays of the evening sun
They are so beautiful to the eye.
They remind you of days by gone
And of hopes that in front lie.

You'll here every evening
The western sky singing
Singing rest lessly its welcome—song

To help you find your way
To sleep in its lap all night long
And dream of yet another sunny day.

i) The way in which we Develop the physical, mental and moral qualities of our children will determine the pattern of our nation's future.

—Dr. S. RADHAKRISHNAN

ii) There are no wicked children. There are only unfortunate children, unhappy children, and we should do our best to help them

—DR. S. RADHAKRISHNAN

iii) The old need the company of the young so that they Renew their contact with life.


—INDIRA GANDHI

iv) I like being with children and talking to them. For a moment I forget that I am terribly old ;..........

—JAWAHARLAL NEHRU



# ১৯৮৭-৮৮ চনৰ ছাত্ৰ একতা সভাৰ নিৰ্ব্বাচিত প্ৰতিনিধি সমূহ



১। আছান উল্লাহ আহমেদ, আ: সম্পাদক । ২। হেমন্ত মালাকৰ, ছাত্ৰ জীৱনী । ৩। জয়ন্ত মালাকৰ; সমাজ সেৱা । ৪। দেৱ কুমাৰ দাস, সহঃ সাধাৰণ সম্পাদক । ৫। ৰিণা দেৱী, ছাত্ৰী জিৱণী । ৬। মুকুল সিকদাৰ, সাংস্কৃতিক । ৭। কমলা দাস, খেল বিভাগ ।

## ১৯৮৭-৮৮ চনৰ

# তৰ্ক প্ৰতিযোগিতা বিভাগৰ সম্পাদকৰ

## প্ৰতিবেদন পাঠ

প্ৰতিবেদনৰ আৰম্ভনীতে যি সকল বন্ধু-বান্ধবীয়ে মোৰ প্ৰতি মৰম আৰু আস্থাৰ চিন স্বৰূপে ইংৰাজী ১৯৮৭-৮৮ চনৰ বাবে মোক ঐতিহাসিক ঐতিহ্যপূৰ্ণ হাজো সুৰেন দাস মহাবিদ্যালয়ৰ তৰ্ক প্ৰতিযোগিতা বিভাগৰ সম্পাদক হিচাবে নিৰ্ব্বাচিত কৰি মহাবিদ্যালয়ৰ সমূহ বন্ধু বান্ধৱী আৰু শ্ৰদ্ধাভাজন শিক্ষাগুৰু অধ্যাপক/অধ্যাপিকা মহোদয় সকলোৰ প্ৰতি মোৰ সেৱা আগবঢ়োৱাৰ সুযোগ দিলে জয় জয়তে মই তেখেত সকললৈ কৃতজ্ঞতা জনালো।

মধ্য যুগতে সকলো বস্তুক চালি-জাৰি চাবলৈ নৱজাগৰণ অনুষ্ঠানে আগবঢ়োৱা সুবিধা খিনিকে আজিকুৰি শতিকাৰ শেষ ভাগটো তাক সফল ৰূপায়ণত কৃতকাৰ্য্য হোৱা বুলি আমি নদি কব নোৱাৰো। তথাপি কিঞ্চিত পৰিমাণে তাক আওৰাব পৰাটো আমাৰ পক্ষে সৌভাগ্য-জনক কথাৰ দৰে। সেয়েহে আজি উদীয়মান ডেকা ডেকেৰী সকলে বিজ্ঞানৰ ভেটিত থিয় হৈ মনুষ্য জীৱনৰ অত্যাৱশ্যকীয় দিশ সমূহৰ বাবে যিকোনো কথাকে তৰ্ক-বিতৰ্ক প্ৰতিযোগিতাৰ মাধ্যমত সত্য আৰু বাস্তৱ ধৰ্মী সম ধান উপনীত হবলৈ বিদ্যালয়, মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয় সমূহত তৰ্ক প্ৰতিযোগিতাৰ বিভাগ নামৰ এটা বিভাগ ছাত্ৰ একতা সভাত অন্তৰ্ভূক্ত কৰা হৈছে। আমাৰ এই মহাবিদ্যালয়ত থকা উক্ত বিভাগৰ গুৰু দায়িত্বত থাকি মই ইংৰাজী ১৯৮৭-৮৮ চন টোত কিমানখিনি সা-সুবিধা মোৰ লগৰ বিদ্যাৰ্থী বন্ধু-বান্ধৱীক দিব পাৰিছো সেইটো আপোনা-লোকৰ বিপৰ্য্যৰ বিষয়। যদি কিবা কাৰণত পূৰ্ণ সা-সুবিধা যোগান ধৰাত ত্ৰুটি-বিচ্যুতি হৈছে সেয়া নৱ প্ৰতিষ্ঠিত মহাবিদ্যালয়ৰ আভ্যান্তৰীণ কাৰণ নতুবা মোৰ অজ্ঞতাৰ কাৰণ হব বুলিয়ে মই আপোনালোকৰ ওচৰত ক্ষমা বিচাৰিছো।

তৰ্ক প্ৰতিযোগিতাৰ সম্পাদক হৈ দীঘলীয়া লিখনি লিখাৰ প্ৰয়াস মোৰ নাই। ভৱিষ্যতে মহাবিদ্যালয়ৰ বিদ্যাৰ্থী বন্ধু-বান্ধৱী সকলোৱে যাতে সকলোখিনি সা-সুবিধা পাই বিশ্ব সমাজত প্ৰকৃত তাৰ্কিক বন্ধুৰ জন্ম হব পাৰে তাৰ বাবে মহাবিদ্যালয়ৰ কৰ্ত্তৃপক্ষৰ ওচৰত মোৰ কাতৰ অনুৰোধ।

আনহাতে মোৰ কাৰ্য্যকাল ছোৱাত প্ৰতি দিশতে সকলো ধৰণৰ দিহা পৰামৰ্শৰ বাবে মই মোৰ পুজনীয় অধ্যাপক মহোদয় শ্ৰীধ্ৰুৱ প্ৰসাদ

বৈশ্য এম-এ মহাশয়ৰ ওচৰত ঋণী। আকৌ মোৰ কাৰ্য্যকাল ছোৱাত সকলো ফালে সহায় সহানুভূতি আগবঢ়োৱাৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ মই আন্তৰিকতাৰে শলাগৰ শৰাই যাছিলো। বিশেষকৈ মোৰ সকলো কথা আৰু কামত সহায় কৰি দিয়াৰ বাবে .... .... .... .... .... সকলৈলৈ মোৰ শুভেচ্ছা জ্ঞাপন কৰিলো।

মহাবিদ্যালয়ৰ উত্তৰত্তৰ কামনা কৰি সকলো মোৰ ভুল ত্ৰুটিৰ মাৰ্জনা বিচাৰি মোৰ প্ৰতিবেদনৰ আব-কাপোৰ টানিলো।

" জয় আই অসম "

ধন্যবাদেৰে —


মঃ ৰহিমুদ্দিন আহমেদ, তৰ্ক বিভাগ

সুৰেন দাস মহাবিদ্যালয়, হাজো

১৯৮৭-৮৮ ইং চন



# খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভনীতে হাজো সুৰেন দাস মহাবিদ্যালয়ৰ সমুহ ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱী সকলোলৈ মোৰ আন্তৰিক অভিনন্দন জনাইছো। মহাবিদ্যালয় খনৰ কাৰণে ১৯৮৮ চনৰ বছৰটো ওক কিয়নো ১৯৭৯ চনতে স্থাপিত হোৱা মহাবিদ্যালয়ৰ একমাত্ৰ মুখ পত্ৰ খন এইটো বছৰতে মুখ পত্ৰ খনৰ প্ৰথম বছৰ হিচাবে উলিয়াবলৈ সক্ষম হয়. আৰু মোকো খেল বিভাগৰ সম্পাদক হিচাবে কনমান লিখাৰ সুবিধা দিয়া বাবে বিভাগীয় সম্পাদকলৈ আন্তৰিক শুভেচ্ছা জনাইছো।

এই গধুৰ দায়িত্বৰ চলাই নিয়াত কিমান দূৰ আগবাঢ়িছিলো সেয়া ছাত্ৰ-ছাত্ৰী বন্ধু বান্ধৱীৰ বিচাৰ। মই কাৰ্য্যভাৰ লোৱাত মহাবিদ্যালয়ত খেলৰ সজুলি নিচেই কম আছিল। তাৰে কিছু মই আনিবলৈ সক্ষম হওঁ, বিশেষকৈ জনপ্ৰিয় খেল ক্ৰিক্ৰেটৰ সজুলি সমুহ মই প্ৰথম আনিছিলো।

কাৰ্য্যভাৰ লোৱাৰ কিছুদিন পিছত মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীয়া কলা মহোৎসৱ আৰম্ভ হয়। আমাৰ এই ক্ৰীয়া প্ৰতিযোগিতাও ছাত্ৰ ছাত্ৰীৰ সংখ্যা নিচেই কম আছিল। আৰু মহাবিদ্যালয়ৰ খেল পথাৰ খনো খেলাৰ বাবে উপযুক্ত নহয় সেই গতিকে কিছুমান খেল দিব পৰা নগল। সেয়েহে মহাবিদ্যালয়ৰ কৰ্তৃপক্ষক অনুৰোধ জনাওঁ যাতে ইয়াৰ খেল পথাৰ খনৰ সুব্যৱস্থা কৰি মহাবিদ্যালয়ৰ লগতে ছাত্ৰ ছাত্ৰী সকলৰ লাগতিয়াল অভাৱটি দূৰ কৰিব বুলি আশা ৰাখিছো। প্ৰতিযোগিতাৰ যিবিলাক ছাত্ৰ ছাত্ৰীয়ে যোগদান কৰিলে সেই সকল ছাত্ৰ ছাত্ৰীলৈ মোৰ শ্ৰদ্ধা নিবেদিছো। ভৱিষ্যতে যাতে অসংখ্য ছাত্ৰ ছাত্ৰীয়ে খেলত অসংখ্য অংশ গ্ৰহণ কৰি নিজকে এজন খেলুৱৈ হিচাবে আগবাঢ়ি যাব পাৰে তাৰ বাবে আশা ৰাখিছো। যিকোনো খেলে মানুহক আনন্দ দিয়ে আৰু খেলুৱে জনৰ শৰীৰ আৰু মনক সুস্থ সবল আৰু আনন্দ মুখীকৈ ৰাখিব পাৰে। অকল পুথি অধ্যয়ন এজন

ছাত্ৰৰ শিক্ষা নহয়, খেলা ধূলাৰ প্ৰতি মনোযোগ দিয়াটো এজন ছাত্ৰৰ কৰ্ত্তব্য। মই আশা ৰাখিছো যাতে এই মহাবিদ্যালয় খনৰ ভৱিষ্যতে ভাল খেলুৱে ৱয় বাহিৰলৈ ওলাই গৈ সুনাম অৰ্জ্জন কৰিব পাৰে। আমাৰ দেশ ভাৰতবৰ্ষৰ এজন চিত্ৰ তাৰকাক যেনেকৈ ভাৰতবৰ্ষবাসীয়ে জানে। ঠিক তেনেদৰে ক্ৰিকেট খেলুৱে গাভাস্কাৰকো সকলোৱে জানে। ছাত্ৰ ছাত্ৰী বন্ধু বান্ধৱী সকলৰ সম্পূৰ্ণ মনোযোগ থাকিলে নিশ্চয় ভাল নাম কৰি যাব পাৰিব।


ছাত্ৰ ছাত্ৰী সকলৰ আৰু কিছুমান অভাৱ আছে সেইখিনি হৈছে মহাবিদ্যালয়ৰ খেলৰ সামাগ্ৰীখিনি থবলৈ আহল বহল কোঠা এটাৰ দৰকাৰ, কিন্তু সেই খিনি সুবিধা আমাৰ মহাবিদ্যালয় খনৰ নাই, যি হেতু বৰ্ত্তমান যুগত ছাত্ৰ ছাত্ৰীৰ এটা মুখ্য শিক্ষা, সেই গতিকে সম্পূৰ্ণ সুবিধা পাব লাগে। বাকী অসুবিধাৰ লগতে আৰু এটা অসুবিধাৰ কথা কওঁ আমাৰ মহাবিদ্যালয় খনত খেলুৱে সকলক উপযুক্ত প্ৰশিক্ষকৰ দ্বাৰা পৰীক্ষা দি ভৱিষ্যত যাতে মহাবিদ্যালয় খন সুনাম অৰ্জন কৰিব পাৰে তাৰ বাবে মহাবিদ্যালয়ৰ কৰ্ত্তৃপক্ষক অনুৰোধ জনাইছো। যোৱা বছৰ কেইটাৰ দৰে এই বাৰো আমাৰ মহাবিদ্যালয়ত বাৰ্ষিক ক্ৰীড়া কলা সপ্তাহ পালন কৰা হয়। কিন্তু কিছুমান অসুবিধাৰ সন্মুখিন হোৱাৰ বাবে বটা বিতৰণী সভাখন পাতিব পৰা নগলেও মই বটা বিজয়ী সকলক বটা প্ৰদান কৰো। মহাবিদ্যালয়ৰ যি খিনি ছাত্ৰ ছাত্ৰীয়ে খেলত অংশ গ্ৰহণ কৰিছিল তেওঁলোককলৈ অশেষ ধন্যবাদ জ্ঞাপন কৰিছো। ভৱিষ্যতে যাতে অগণন ছাত্ৰ ছাত্ৰীয়ে এই প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰে, তাৰ বাবে আশা ৰাখিছো প্ৰতিবেদনৰ জৰিয়তে অনুৰোধ কৰিলো। যাতে তেওঁলোকে আগন্তুক প্ৰতিযোগিতা সমূহত অংশ গ্ৰহণ কৰি সকলো পিনে পৰিচালনা কৰিবলৈ সুবিধা দিয়ে। ক্ৰীড়া প্ৰতিযোগিতা শ্ৰেষ্ঠ খেলুৱে হিচাপে স্নাতক ১ম বৰ্ষ ছাত্ৰ মঃ চেৰিফুল হুছেইনে বটা লাভ কৰে। মোৰ এই সময় ছোৱাত সজ উপাদান আৰু দিহা পৰামৰ্শ আদিত সহায় কৰা আমাৰ ভাৰপ্ৰাপ্ত প্ৰবক্তা মাননীয় শ্ৰীযুত জীতেন দাস দেৱক মোৰ শলাগৰ শৰাই আগ বঢ়াইছো। মোৰ লগতে সকলো পিনৰ পৰা সহায় কৰি অহা বন্ধু উৎপল চৌধুৰীলৈ আন্তৰিক ধন্যবাদ জনাইছো।

শেষত পুনৰ বাৰ হাজো সুৰেন দাস মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ ছাত্ৰী, বন্ধু বান্ধৱী আৰু শিক্ষা গুৰু তথা, কৰ্মচাৰী বৃন্দলৈ মোৰ আন্তৰিক শুভেচ্ছা জনাই অজানিতে হোৱা ভূলৰ বাবে ক্ষমা বিছাৰি খেল বিভাগৰ সৰ্ব্বাঙ্গ উন্নতি কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিছো।

শ্ৰীকমলা কান্ত দাস, সম্পাদক
খেল বিভাগ
২/৪/৮৯ ইং



# সমাজ সেৱা বিভাগৰ সাঃ সম্পাদকৰ প্ৰতিবেদন



সুৰেন দাস মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ১৯৮৭-৮৮ চনৰ সাধাৰণ নিৰ্বাচনত সমাজ সেৱা বিভাগৰ সম্পাদক হিচাপে বিনা প্ৰতিদ্বন্দ্বিতাই নিৰ্বাচিত হৈছিলো, যেতিয়া এবছৰ কাৰ্য্যকাল শেষ হল মুৰকত বিভাগীয় প্ৰতিবেদনত কি লিখিম কি নিলিখিম তেতিয়া মই এক জটিল সমস্যাত পৰিছিলো। ১৯৭৯ চনতে স্থাপিত হোৱা সুৰেন দাস মহাবিদ্যালয়লৈ বহুতো প্ৰতিভা সম্পন্ন সমাজ সেৱী সম্পাদক আহিল আৰু গল। আৰু তেওঁলোকৰ বহুতৰে নাম এই মহান বিদ্যা মন্দিৰত চিৰস্থায়ী কৰি গল তেওঁলোকৰ সমাজ সেৱী মনেৰে। কিন্তু মই তেওঁলোকৰ পৰা বহুত আতৰত ৰলো। মই তেওঁলোকৰ লগত মিলিব নোৱাৰিম কাৰণ যিহেতু মই কোনো উল্লেখযোগ্য তথা উক্ত মহাবিদ্যালয়ৰ স্মৰণীয় কাম কৰিলো বুলি দাবী কৰিব নোৱাৰো। গতিকে সেইখিনিতে মোৰ পৰাজয়।

মোৰ কাৰ্য্যকাল ছোৱাত মহাবিদ্যালয়ৰ ফালৰ কৰবাত মেৰামত কাম কাজৰ বাবে কৰ্ত্তৃপক্ষৰ পৰাও সহাঁৰি নোপোৱাকৈ থাকিলো। বহুতো মোৰ সহপাঠী বন্ধুৱে মোক প্ৰশ্ন কৰে " কি জয়ন্ত NSS ৰ কেম্প এইবাৰ নহবই নেকি ? এনেকুৱা বন্ধুৰ উক্তিত মই নিজেই শিল পৰা কপৌৰ দৰে নিৰব। অৱশ্যে এই ক্ষেত্ৰত মই মোৰ ছাত্ৰ একতা সভাৰ সদস্যৰ পৰাওঁ বিশেষ সহাঁৰিৰ অভাৱ পাইছিলো। তাৰোপৰি Incharge বা উক্ত অনুষ্ঠানৰ গৰাকীৰ এই

ক্ষেত্রত মোৰ লগত বিশেষ আলোচনাওঁ হোৱা নাছিল। তাৰ লগতে কিছুমান অভাৱ-অভিযোগ নথকা নহয়। এটা কেম্প কৰিবলৈ যিখিনি সঁা-সজুলিৰ দৰকাৰ সেই খিনিৰ মোৰ কাৰ্য্যকাল ছোৱাত কিছু ক্ষেত্ৰত অভাব থকাটো প্ৰায় পৰিলক্ষিত হৈছে।

শেষত সুৰেন দাস মহাবিদ্যালয়ৰ ভৱিষ্যত উজ্জ্বলতা কামনা কৰিছো লগতে সমূহ ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীলৈ মৰম যাচিছো। জড়িত সময়ত হয়তো কাৰোবাক বেয়াকৈ কৈছিলো তাৰ বাবে ক্ষমাভিক্ষা মাগিছো। সততে খা-খবৰ লৈ মোক দিহা পৰামৰ্শ দি উৎসাহিত কৰা অগ্ৰজ শ্ৰীনিত্যনন্দ ৰাজবংশী আৰু মোৰ সহপাঠী শ্ৰীধীৰেণ কলিতালৈকে ওঁ মোৰ আন্তৰিক কৃতজ্ঞতা জনালো। ধন্যবাদ —

জয়তু অসম

জয় আই অসম

শ্ৰীজয়ন্ত মালাকৰ, সাঃ সম্পাদক
"সমাজ সেৱা বিভাগ"



# ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ প্ৰতিবেদন

## ১৯৮৮-৮৯ চন।

প্ৰতিবেদনৰ আৰম্ভনিতে অসমৰ জাতীয় অস্তিত্ব ৰক্ষাৰ আন্দোলনত কলিজাৰ কেচা শোণিত বোৱাই লুইতৰ বগা পানী ৰক্তিম কৰি তোলা লুইত পৰীয়া বীৰ স্বহীদ সকললৈ মোৰ অশ্ৰুভৰা অঞ্জলী যাচী শ্ৰদ্ধাৰে সোঁৱৰিছো। আৰু সেই সকলৰ আত্মাৰ শান্তিৰ বাবে নেদেখাজনৰ ওচৰত প্ৰাৰ্থনা জনাইছো।

দ্বিতীয়তে মহাবিদ্যালয়ৰ ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ দায়িত্ব বহণ কৰিবলৈ সুযোগ দিয়া ছাত্ৰ ছাত্ৰী সকললৈ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জনাইছো।

"A friend in need is a friend inneed" মোৰ প্ৰতি বন্ধুৰ আন্তৰিকতা থকা কনক, মৃদুল, ৰমনী, বিকুল, নিৰোদ, তমল, জীতেন তথা ৰামচন্দ্ৰ ভৰালীক মই সচাঁকৈয়ে পাহৰিব নোৱাৰিম।

কিন্তু দুখৰ বিষয় এই যে মই সম্পাদক হিচাবে ছাত্ৰ সকলক ছাত্ৰ জিৰণি কোঠা হিচাবে এটা স্থায়ী কোঠালিত বহিবলৈ সুযোগ দিব নোৱাৰিলো। অৰ্থাৎ মোৰ সম্পাদকীয় সময়ত সেইটো সম্ভৱ নহ'ল। সেইটো সম্ভৱ হৈ নুঠা মূল কাৰণ হ'ল মহাবিদ্যালয় আৰ্থিক দিশটো তেতিয়া টনকিয়াল হৈ উঠা নাছিল। গতিকে মই নিজও মই তাৰ কাৰণে দুখ অনুভৱ কৰা স্বাভাৱিক। গতিকে অতি সোনকালে যেন এটা স্থায়ী ছাত্ৰ জিৰণি কোঠাৰ কাম আৰম্ভ কৰি ছাত্ৰ সকলক তাত নিৰাপদে বহি মহাবিদ্যালয়ৰ উন্নতিৰ কথা চিন্তা কৰিবলৈ তথা মহাবিদ্যালয়ৰ বিভিন্ন দিশৰ ওপৰত আলোচনা বিলোচনা কৰিবলৈ ছাত্ৰ সকলক অনুপ্ৰেৰণা যোগায়। এইয়ে মোৰ স্কুল কতৃপক্ষৰ ওচৰত বিনম্ৰ অনুৰোধ। শেষত ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক হিচাবে কৰ্ত্তব্য পালনত হয়তো অজানিতে বহুতো ভূল হব পাৰে; সেয়েহে শিক্ষাগুৰু আৰু বন্ধু-বান্ধৱী সকলৰ ওচৰত ক্ষমা ভিক্ষা বিচাৰিছো আৰু মহাবিদ্যালয়ৰ উজ্জ্বল ভবিষ্যত কামনাৰে সামৰণি মাৰিছো।

জয় আই অসম

শ্ৰীহেমন্ত মালাকৰ। স্নাতক ২য় বাৰ্ষিক।
সম্পাদক, ছাত্ৰ জিৰণি কোঠা।
১৯৮৮-৮৯ চন।

# শ্ৰদ্ধাৰে সঁ ৱৰিছো

## প্ৰস্তুতি কমিটি, সু, দা, কলেজ হাজো

| | | |
|---|---|---|
| সৰ্ব্বশ্ৰী | ইব্ৰাহীম আলী | সভাপতি। |
| | ভূপেশ মালাকৰ | সম্পাদক। |
| | জনাৰ্দ্দন মেধি | কোষাধ্যক্ষ। |
| | উমেশ চন্দ্ৰ দাস | সদস্য। |
| | কুমুদ চন্দ্ৰ দাস | ,, |
| | মমত চন্দ্ৰ মজুমদাৰ | ,, |
| | অবলা কান্ত আঠপৰীয়া | ,, |
| | অচ্যুত দাস | ,, |
| | হলধৰ দাস | ,, |
| | সুধীৰ কুমাৰ দাস | ,, |
| | ভূপেন দাস | ,, |
| | ৰমেশ দাস | ,, |
| | কৰুণা কান্ত মজুমদাৰ | ,, |
| | হৰেকৃষ্ণ ভৰালী | ,, |
| | হৰেশ্বৰ দাস | ,, |
| | ঋষভ দাস | ,, |
| | নাৰায়ণ দাস | ,, |
| | শিৰিশ চন্দ্ৰ ওজা | ,, |
| | ভগেন দাস | ,, |
| | হৰকুমাৰ দাস | ,, |
| | তৰুণ চন্দ্ৰ দাস | ,, |



| | | |
|---|---|---|
| সৰ্ব্বশ্ৰী | অচ্যুত চন্দ্ৰ দাস | সদস্য। |
| | প্ৰফুল্ল কলিতা | ,, |
| | প্ৰেমাময়ী দাস | ,, |
| | সম্ভুৰাম দাস | ,, |
| | উপেন্দ্ৰ নাথ বৈশ্য | ,, |
| | প্ৰমোদ ডেকা | ,, |
| | শৰৎ মালাকৰ | ,, |
| | চমচেৰ আলী | ,, |
| | সম্ভুদত্ত শৰ্ম্মা | ,, |
| | বিবেকানন্দ দাস | ,, |
| | সুৰেশ দাস | ,, |
| | শৰৎ নায়ক | ,, |
| | বেনু প্ৰভা দাস | ,, |
| | প্ৰকাশ দাস | ,, |
| | চন্দ্ৰ কান্ত দাস | ,, |
| | সমীন মালাকৰ | ,, |
| | নৃপেন মালাকৰ | ,, |
| | জগদীশ আগৰৱালা | ,, |
| | বংশীধৰ শৰ্ম্মা | ,, |
| | সূৰ্য্য কান্ত দাস | ,, |
| | হৰেশ্বৰ দাস | ,, |
| | চন্দ্ৰ কান্ত শিকদাৰ | ,, |
| | অভয় বিশ্বাসী | ,, |
| | অচ্যুত ঠাকুৰীয়া | ,, |
| | প্ৰবীন কলিতা | ,, |
| | ফাইজুদ্দিন আহমেদ | ,, |
| | আব্দুল মতলিব চৌধুৰী | ,, |

| | |
|---|---|
| সৰ্ব্বশ্ৰী উত্তম ভৰালী | সদস্য |
| সুৰেণ আঠপৰীয়া | ” |
| দীন নাথ বৰুৱা | ” |
| শিৱ প্ৰসাদ মালাকৰ | ” |
| মহেশ দাস | ” |
| শশীন্দ্ৰ আঠপৰীয়া | ” |
| বিপুল মহন্ত | ” |
| দুৰ্ল্লভ নাৰায়ণ দাস | ” |
| খগেন্দ্ৰ ভৰালী | ” |
| ৰবীন দাস | ” |
| শংকৰ দাস | ” |
| গোবিন্দ দাস | ” |
| গংগা দাস | ” |
| সুৰেন দাস | ” |
| প্ৰফুল্ল দাস | ” |
| হাবি ৰাম দাস | ” |
| দীল মহম্মদ | ” |
| ৰত্ন বেজ | ” |
| উমেশ চন্দ্ৰ ওজা | ” |
| হৰেশ্বৰ মালাকৰ | ” |
| ৺জালালুদ্দিন আহমেদ | ” |
| ৺ফটিক কলিতা | ” |
| ৰতিন বৈশ্য | ” |
| সুৰেণ দাস | ” |
| ৺হাবি ৰাম দাস | ” |
| নাৰায়ণ নমসুদ্ৰ | ” |
| জনাৰ্দ্দন মালাকৰ | ” |



| | |
|---|---|
| ৺মনোমোহন দাস | সদস্য |
| ৺কুটুবুদ্দিন গাওবুঢ়া | ” |
| সৰ্ব্বশ্ৰী ধনেশ্বৰ বৰুৱা | ” |
| অচ্যুত বৰুৱা | ” |
| যাদব মেধি | ” |
| ঘনশ্যাম দাস | ” |
| যোগেন দাস | ” |
| হেম দাস | ” |
| প্ৰবীন কলিতা | ” |
| ৺কাচিম আলি | ” |
| শিৱ প্ৰসাদ মালাকৰ | ” |
| খগেন ভৰালী | ” |
| মহিম আঠপৰীয়া | ” |

সভাপতি, হাজো ৰাইজ। সম্পাদক, হাজো ৰাইজ।

---

বিঃ দ্ৰঃ — মহাবিদ্যালয়ৰ জন্ম লগ্নৰ কালছোৱাত জড়িত থকা সদস্য সকলৰ তালিকা। নথি পত্ৰৰ অভাৱত দুই চাৰিগৰাকী সদস্যৰ নাম হয়তো বাদ পৰিব পাৰে। পিছলৈ সেইবোৰ প্ৰকাশ কৰাৰ প্ৰতিশ্ৰুতি থাকিল।

সম্পাদক—
আলোচনী

# আধা ডজন কৌতুক

মঃ ৰফিকুল ইছলাম
উচ্ছতৰ মাধ্যমিক বিদ্যালয় ।
ৰোল নং— ১৯১

১। মোৰ এজন গণিতত ৰাপ থকা বন্ধু আছে । এদিন কিবা কথাত লাগি বন্ধুৱে কলে " এস্ বাদ দিয়া, মৰা আৰু জীয়া একেই কথা— মানে জীয়াই থকা আৰু মৰা একেই ।" মই আচৰিত হৈ সুধিলো, "ই কিদৰে সম্ভৱ বন্ধু ?' বন্ধুৱে টেবুলৰ পৰা ফটকৈ কাগজ লৈ লিখি গ'ল—

এজন আধা মৰা-আধা। জীয়া মানুহৰ উদাহৰণ আমি পাওঁ যে,

আধা মৰা = আধা জীয়া
∴ $\frac{1}{2}$ মৰা = $\frac{1}{2}$ আধা জীয়া
∴ মৰা = জীয়া

প্ৰমাণিত

... ... একেকোবে লিখি বন্ধুৱে মোৰ ফালে প্ৰশ্নসুচক দৃষ্টিৰে চাই ৰ'ল ।

২। এইবাৰ গুৱাহাটীত ষ্টেটফেডৰ বহীৰ আকাল । বহু ঠাই বিচাৰি বিচাৰি এখন দোকানত সোমাই সুধিলো

" মালিক, বহী আছে ?"

পদ্মাসনত বহি থকা পেটুৱা মালিক পেটত হাত বুলাই মিচিকিয়া হাঁহিৰে সঁহাৰি দিলে, 'হয়, বহি আছো দিয়ক ।

৩। গুৱাহাটীৰ পৰা অহা বাচখনত একেটা চিটতে এজন লৰা আৰু ছোৱালী এজনী বহি আহিছিল । ল'ৰাজনে বাচত অবিৰাম চিগাৰেট খাই আহিছিল । পিছে ছোৱালীজনীৰ মহা অশান্তি ধোঁৱাবোৰৰ কাৰণে, তেওঁ তুবাৰমান শাৰীৰ আচলৰে লৰাজনে দেখাকৈ ধোঁৱাবোৰ বিচি পঠালে; তুবাৰ মান নাকত সোপা মাৰি ধৰি কাষলৈ হেচুঁৰিও বহিল । পিছে ল'ৰা জনৰ কাণ সাৰ নাই । উপায় নেপাই তেওঁ বাচৰ লিখা কথা এষাৰ লৰাজনে শুনাকৈ মাতিবলৈ ধৰিলে—

"smoking is prohileitd inside the bus. "

এইবাৰ লৰাজনেও ছোৱালীজনীয়ে শুনাকৈ পঢ়ি গল, "For any complaint, please ask for the complaint book from the conductor.

৪। এখন ফুটবল খেলত বহুত গল খোৱাৰ পিছত বেক পজিচনত খেলাজনে বিৰক্তিৰে গোলকীপাৰক কলে "এই কি খেলিছ ? এটাও ৰাখিব নোৱাৰ কিয় ?

গোলকীপাৰ— মই coach ৰ নিৰ্দেশতেই খেলিছো ।

বেক— তেনেহলে কিয় ...

গোলকীপৰ— আৰে বুৰ্বক, দুয়োপক্ষৰ coach বেলেগ হলে গোল নহৈ তোৰ মুৰ হব নেকি ?

৫। এখন দলং পাৰ কৰিব খোজোতে এজন ড্ৰাইভাৰে গাড়ী দুৰ্ঘটনা ঘটালে । মেজিষ্ট্ৰেটে ড্ৰাইভাৰক সুধিলে— "এই, এক্সিডেন্ট কেনেকৈ হল ।

ড্ৰাইভাৰে কলে, "চাৰ, এই জনবহুল ৰাস্তাত কিমান মানুহ গৰু ওভাৰটেক কৰি যাওঁ কিন্তু চাৰ– ।

মেজিষ্টেটে কলে— ঠিকেই. যা এতিয়া জেইলখন ওভাৰটেক কৰগৈ বোপাই ।

৬। এতিয়া এটা অংকৰ কৌতুক চাওক । আমি জানো যে,

$\frac{0}{0}$ = অৰ্থহীন

কিন্তু $\frac{0}{0} = \frac{9-9}{3-3}$

$= \frac{(3+3)(3-3)}{3-3}$ তৃতীয় সূত্ৰ প্ৰয়োগ কৰি

$= 3+3$

$= 6$

অসত্য নেকি বাৰু ?



# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে শ্বহীদ লৈ শ্ৰদ্ধাঞ্জলি যচাৰ লগতে আমাৰ মহান শিক্ষানুস্থানৰ দাতা ৺সুৰেন দাস দেৱৰ পৰিয়াল বৰ্গ আৰু যি সকলৰ প্ৰচেষ্টাত অনুস্থানটোৱে আজিৰ অৱস্থা পাইছেহি তেখেত সকলৰ ওছৰত কৃতজ্ঞতা প্ৰকাশ কৰিছো ।

ইয়াৰোপৰি সাধাৰণ সম্পাদকৰ গুৰু দায়িত্ব বহণ কৰিব মোক নিৰ্ব্বাচিত কৰা বাবে ছাত্ৰ-ছাত্ৰী সকললৈ ধন্যবাদ জ্ঞাপন কৰিছো ।

মাৰ কাৰ্য্যকাল ছোৱাত নৱাগত আদৰণি সভাৰ লগতে, বিদায়ী সভা, আমাৰ মহাবিদ্যালয়ৰ দুগৰাকী ছাত্ৰ-ছাত্ৰী বন্ধুৰ মৃত্যুত আৰু বিশিষ্ট ব্যক্তি সকলৰ মৃত্যুত শোকসভা পতা হয় । নিচেই তাকৰীয়া সংখ্যক দুখ লগা প্ৰতিযোগিৰ উপস্থিতিত মহাবিদ্যালয় সপ্তাহো উদ্‌যাপন কৰা হয় । ভবিষ্যতলৈ প্ৰতিযোগিতা সমূহত উপস্থিতিৰ সংখ্যা বাঢ়িব বুলি আশা ৰখাৰ লগতে মহাবিদ্যালয় কৰ্ত্তৃপক্ষইও খেলাৰ যা যোগাৰ বৃদ্ধি কৰি ছাত্ৰ-ছাত্ৰীক উৎসাহ যোগাবলৈ আমি কৰ্ত্তৃপক্ষক অনুৰোধ জনালো ।

আমাৰ কাৰ্য্যকাল ছোৱাত মহাবিদ্যালয়ৰ উন্নতিৰ বাবে কেইবাটাও দাবী জনাই স্মাৰকপত্ৰ দিয়া হৈছিল । তাৰ কিছু সংখ্যকহে আমি সফল হোৱা বুলি কব পাৰো । যদিও নতুন মহাবিদ্যালয় তথাপি নূন্যতম প্ৰয়োজন খিনি মহাবিদ্যালয় কৰ্ত্তৃপক্ষই তৎপৰতাৰে সমাধান কৰিবলৈ চেষ্টা কৰিব বুলি আশা ৰাখিলো ।

মোৰ কাৰ্য্যকালৰ শেষত আমাৰ মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ মুৰব্বী অধ্যাপক শ্ৰীযুত জিতেন্দ্ৰ নাথ দাস দেৱৰ মৃত্যুৱে আমাক অতি মৰ্মান্তিক আঘাট দিয়ে । তেখেতৰ মৃত্যুৱে আমাক অতি শোকাভিভূত কৰি তোলে কিয়নো তেখেতৰ অভাৱ মহাবিদ্যালয়ে সদায় অনুভৱ কৰিব ।

অৱশেষত দোষ-ত্ৰুটিৰ মাজেৰে মোৰ কাৰ্য্যকাল শেষ হয় । মোৰ কাৰ্য্যকাল অধ্যক্ষ ডাঙৰীয়াই লগতে সকলো শিক্ষাগুৰুৱে যি সহায়-সহযোগ, উপদেশেৰে কাৰ্য্যকাল চলোৱাত সহায় কৰিলে তাক মই কেতিয়াও পাহৰিব নোৱাৰিম । আৰু লগতে মোৰ কাম কাজত সহায় কৰা বন্ধু-বান্ধৱীলৈও সদায় মনত থাকিব ।

শেষত কাৰোবাৰ ওছৰত যদি কিবা ভুল কৰিছিলো তাৰ বাবে ক্ষমা প্ৰাৰ্থনাৰে আজি প্ৰতিবেদনৰ সামৰণি মাৰিলো ।

ইতি—

জয়তু সুৰেন দাস মহাবিদ্যালয় ছাত্ৰ একতা সভা
ছাত্ৰ ঐক্য জিন্দাবাদ

শ্ৰীদিপঙ্ক নাৰায়ণ ঠাকুৰীয়া
সাধাৰণ সম্পাদক
হাজো সুৰেন দাস মহাবিদ্যালয়
ছাত্ৰ একতা সভা ।

# অমৰ বাণী

১। সপোন দেখি ছবি আঁকি থকা শিল্পীৰ দ্বাৰা আজি আমাৰ কাম নহয়। আজি নিজৰ তেজেৰে পুৱাৰ ৰঙা বেলিৰ ছবি আঁকিব পৰা শিল্পীহে আমাক লাগে।

( জ্যোতিপ্ৰসাদ আগৰৱালা )

২। আন্দোলনেই আন্দোলনৰ সাফল্য, ই জাতিক স্বাধীনতাৰ চৰম যুদ্ধৰ কাৰণে শিক্ষা, শক্তি আৰু একাগ্ৰতা দিছে, তৈয়াৰ কৰিছে।

( হেম বৰুৱা )

৩। মনবোৰ শুদ্ধ হ'লে পৃথিৱীত সংকোচ কৰিব লগা একো নাই।

( হেম বৰুৱা )

৪। এহাশুধীয়া হৈ ফলাফল নিবিচাৰি কৰ্তব্য কৰি যাবা। দেখিবা তোমাৰ মংগল হাতৰ মুঠিত।

( লক্ষ্মীনাথ বেজবৰুৱা )

৫। কেতিয়াবা মানুহে নতুনৰ মোহত পৰি আগৰ কথা পাহৰি যায় আবিস্কাৰ কৰে নতুন টান। তেতিয়াই পিচলি পৰে।

( যোগেশ দাস )

৬। আন্ধাৰক শাওপাত দিবৰ বাবে আমি ইয়ালৈ অহা নাই। সেই আন্ধাৰৰ মাজেদি নিৰাপদে এক সুস্থ ভৱিষ্যতৰ ফালে আমাক বাট দেখুৱাই নিব পৰা চাকি এগছ জ্বলাবৰ বাবেহে আহিছোঁ।

( জ্যোতিপ্ৰসাদ আগৰৱালা )

৭। মহাভাৰতৰ অভিমান্যুক সপ্তৰথীয়ে বেঢ়ি আক্ৰমণ কৰাৰ দৰে আজি আমাক চাৰিওপিনৰ পৰা আক্ৰমণ কৰিছে। আমাৰ নিজৰ অস্তিত্বৰ অৰ্থে দিনে নিশাই অবিৰাম যুঁজিব লাগিছোঁ।

( জ্ঞাননাথ বৰা )

৮। জাতীয় জীৱনৰ সন্ধিক্ষণত আমি ব্ৰহ্মাস্ত্ৰ নিক্ষেপ কৰিব নোৱাৰিলেও মাজে মাজে দুই এটা বাটুলু গুটিকে দলিয়াব লাগিব।

( অম্বিকাগিৰি ৰায় চৌধুৰী )

সংগ্ৰহ : থাইৰুণ, আনোৱাৰা